
# কাঁথি
# কলেজ
# আলোচনী





সম্পাদক ॥

তপনকুমার গাঁই

THE DIBRUGARH HANUMANBOX SARUJMALL KANOI COLLEGE

আন্তৰিক শ্ৰদ্ধা
আৰু প্ৰীতিৰে ........................................................ লৈ

সম্পাদক,
তৰুণ কুমাৰ গ…
১৯৬৮ ॥

এই সংখ্যাটি বেজবৰুৱা শতবাৰ্ষিকীৰ
পবিত্ৰ স্মৃতিত উৰ্চগা কৰা হল।



জন্ম—১৮৬৮ মৃত্যু—১৯৩৮

" স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গলময় মন্দিৰৰ
সিংহ দুৱাৰ হৈছে মাতৃভাষা "

# এটুপি চকুলো ঃ

## শ্বাহনাৱাজ, সুপ্রভা আৰু দেৱীপ্রসাদৰ স্মৃতিত..............



শ্বাহনাৱাজ



সুপ্রভা ফুকন

"Deep in the water in the
Beach blossom spring
Deeper still in our heart feelings
When good friends are leaving"

সিদিনা কানৈ কলেজৰ প্রতিতো অনু পৰমানুতে বিয়পি পৰিছিল এটি বিষাদ গধূৰ সুৰ বন্ধু শ্বাহনাৱাজৰ আকস্মিক বিয়োগত। এই বিয়োগত ডিবুৰু চহৰৰ পাচঁ আলিৰ খান পৰিয়ালে হেৰুৱাইছিল তেওঁলোকৰ মৰমৰ সোনক, কানৈ কলেজৰ অধ্যপকসৱে হেৰুৱাইছিল তেখেতসকলৰ প্রিয় ছাত্র এজনক আৰু ছাত্র-ছাত্রী সকলে হেৰুৱালে তেওঁলোকৰ এজন দৰদীবন্ধুক। সেইদিনা কলেজখনৰ চাৰিওফালে বিৰাজ কৰিছিল এটা শূন্যতাৰ ভাবে।

সেইদিনা ১৯৬৮ চনৰ ২৪ নভেম্বৰ, কলেজৰ ২য় বাৰ্ষিক বিজ্ঞানৰ Zoolozy শাখাৰ তৰফৰ পৰা মাইজানলৈ প্রশিক্ষামূলক ভ্রমনৰ বাবে যোৱা এটি দলৰ লগত গৈছিল শ্বাহনাৱাজো, আৰু নাৱেৰে পাৰ হোৱাৰ পথত, নাৱৰ পৰা হঠাতে হৰাই গল শ্বাহনাৱাজ চিৰদিনৰ বাবেই। এনে এটি অবিশ্বাস্য সংবাদ শুনি মৰ্মাহত হৈ পৰিছিলো আমি কলেজৰ সকলো ছাত্র-ছাত্রী আৰু অধ্যাপক সকলোৱে।

ৰৰবাৰীৰ অসম মেডিকেল কলেজত হাঁহি মুখেৰে চিৰদিনৰ বাবে শুই পৰা নীৰৱ দেহটো দেখি বাৰে বাৰে মনত পৰিছিল, এটি উক্তি।

"তুমি জীৱনতো সুন্দৰ আছিলা
মৰনতো তুমি সুন্দৰ।"

বন্ধু শ্বাহনাৱাজ খানক নজনা ছাত্র-ছাত্রী এইখন কানৈ কলেজত খুউব কমেইহে আছে।

যোৱা বছৰৰ (১৯৬৭-৬৮) Minor Games Secy. ৰূপত স্বভাৱ সুলভ অমায়িকতাৰে ব্যাপক জন-প্ৰিয়তা আৰ্জ্জন কৰিব পাৰিছিল তেওঁ। এখন সদা পৰিচিত হাঁহি ভৰা মুখেৰে ক্লাচত, খেল পথাৰত, বন্ধু বান্ধৱক হাঁহিৰ খোৰাক জোগোৱা খান যেন নিজেই এটা হাঁহিৰ আঁকৰ। কলেজৰ বিভিন্ন খেলা ধূলা, সাংস্কৃতিক অনুস্থান, সভা সমিতি আদিত সদায়ে মনত এক প্ৰচুৰ উদ্যম লৈ আগভাগ লোৱা শ্বাহনাৱাজ খান। N. C. C. Armourd Sqd., ৰ Senior under Officer হিচাবেও সকলোৰে সুপৰিচিত আছিল আৰু এইজনা ছাত্ৰই ভাৰতৰ বিভিন্ন প্ৰান্তত N. C. C. অফিচাৰ হিচাবে কলেজৰ দলটোক দক্ষতাৰে প্ৰতিনিধিত্ব কৰি আহিছিল।

কিন্তু লুইতৰ পাৰত জন্মা এই শ্বাহ-নাৱাজ অৱশেষত লুইতৰ বুকুতেই অকালতে শুই পৰিল।

এনে এজন দৃঢ়মনা আগৰণুৱা ছাত্ৰৰ বিয়োগত আমি গভীৰ শোক পাইছো, পৰমেশ্বৰৰ কাষত আমাৰ এয়ে একান্ত প্ৰাৰ্থনা বন্ধু শ্বাহনাৱাজৰ আত্মাই যেন চিৰশান্তি লাভ কৰে।

সুপ্ৰভা ফুকনৰ স্মৃতিত :—

"মৰিতে চাহিনা আমি এ' সুন্দৰ ভূবনে
মানৱেৰ মাঝে আমি বাচিবাৰ চাই'—আমি মানুহ আশাধাৰী জীৱ, 'সুন্দৰ ভূৱনে'ৰ ৰূপ আৰু মানুহৰ মৰমে আবৰা পৃথিবীখন সেয়ে সদায় আপোন হৈ থাকে। সেয়ে যেতিয়া মৃত্যুৰ শীতল পৰশে কাৰোবাক অকালতে সুন্দৰ ভূৱনৰ পৰা কাঢ়ি লৈ যায় তেতিয়া হিয়া ভাগি পৰে।

যোৱা ২৯ ডিচেম্বৰ তাৰিখে ৰোগত ভূগি আমাৰ কলেজৰ তৃতীয় বাৰ্ষিক কলাৰ ছাত্ৰী সুপ্ৰভা ফুকনে অকালতে ঢুকায়। মিঠামুখীয়া, অমায়িক ব্যৱহাৰেৰে ফুকন এগৰাকী দৰদী মনৰ ছোৱালী আছিল। তেখেতৰ পঢ়াশুনাৰ প্ৰতি থকা ঐকান্তিক নিষ্ঠাই অধ্যাপকসকলৰ প্ৰিয় ছাত্ৰী হিচাবে পৰিগনিত হৈছিল। প্ৰায় এবছৰো অধিক কাল অসম মেডিকেল কলেজত আক্ৰান্ত হোৱা ৰোগৰ বিৰুদ্ধে সংগ্ৰাম চলাই অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে।

নিয়তিৰ নিষ্ঠুৰ পৰশে যৌৱনৰ সকলো আশা কামনাৰে ভৰপূৰ এগৰাকী গাভৰুক অকাল সমাধি ঘটালে। তেখেতৰ অকাল বিয়োগত আমি সমূহ কানৈয়ান মৰ্মাহত হৈছো পৰমেশ্বৰৰ ওচৰত আমাৰ একান্ত প্ৰাৰ্থনা যেন ফুকনৰ আত্মাই চিৰশান্তি লাভ কৰে।

দেৱীপ্ৰসাদ গগৈৰ স্মৃতিত :—

প্ৰাক বিশ্ববিদ্যালয় কলা শাখাৰ ছাত্ৰ দেৱীপ্ৰসাদ গগৈদেৱে যোৱা চেপ্তেম্বৰ মাহত দুৰোৰোগ্য কেন্সাৰ ৰোগতে ভুগি অকালতে মৃত্যুক সাৱতিব লগা হয়। জীৱনৰ ৰঙীন স্বপ্নক উচচ শিক্ষাৰে ৰূপ দিবলৈ আগবাঢ়োতেই এইদৰে মৃত্যু বৰণ কৰিব লগা হোৱাতো সচাঁকৈয়ে বিষাদৰ বিষয়। এখেতৰ বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ চিৰশান্তিৰ বাবে পৰমেশ্বৰৰ চৰনত সেৱা নিবেদিলো।

# এই সংখ্যাৰ বিষয়ে সকলো ॥

## ॥ সম্পাদকীয় ॥

### প্ৰবন্ধ ॥


| | | |
|---|---|---|
| চাৰ্ব্বাক দৰ্শনৰ চমু পৰিচয় | অধ্যাপক প্ৰিয়াংশু প্ৰবল উপাধ্যায় | ১ |
| ভিয়েটনাম | আবুল বছৰ বৰ | ৬ |
| হিন্দী সাহিত্যৰ ৰূপৰেখা | পানীন্দ্ৰ কুমাৰ বৰ্ম্মন | ১৪ |
| জ্যোতি প্ৰসাদ ॥ সুন্দৰৰ পূজাৰী | লাৱন্য বৰুৱা | ৩১ |
| বিজ্ঞানৰ আগন্তুক সমস্যা | অধ্যাপক ডিম্বেশ্বৰ চলিহা | ৩৬ |
| নৃত্য, নৃত্য-নাট্য আৰু ৰবীন্দ্ৰনাথ | আশীষ কুমাৰ সৰকাৰ | ৪২ |
| খাদ্যপ্ৰান আৰু ধাতুৰ কথা | অধ্যাপক কৃষ্ণ প্ৰসাদ বৰুৱা | ৪৫ |
| আধুনিক অশ্লীল সাহিত্য আৰু যৌনতত্ব | ৰমেশ ৰাজখোৱা | ৫০ |


### কবিতা ॥


| | | |
|---|---|---|
| অন্ধকাৰৰ কাঁইট | নাহেন্দ্ৰ পাচুন | ৫৭ |
| জাতিস্মৰ | অনিল গোঁহাই | ৫৮ |
| অনুভূতি | প্ৰমীলা খাখলাৰী | ৫৯ |
| কানৈ কলেজ ॥ অন্য এক দৃষ্টিত | যতীন্দ্ৰ নাথ গগৈ | ৬০ |
| অনুকম্পা | গনেশ মহন্ত | ৬১ |
| স্পন্দন | ধৰমনি শইকীয়া | ৬২ |
| অভিসাৰী কম্পন | প্ৰফুল্ল হাজৰীকা | ৬৩ |
| এজন বন্ধুৰ বাবে | উপমা দত্ত | ৬৪ |

এখন চিঠি তন্দ্ৰালসালৈ — মায়া গগৈ — ৬৫

গল্প ॥

কৈফিয়ৎ — কণ্ঠি বৰগোঁহাই — ৬৭

বন্দী বিহঙ্গমে কান্দে — উত্তম কুমাৰ গগৈ — ৭২

সাঁথৰ — দিলীপ কুমাৰ খাউণ্ড — ৭৭

এপাহ ফুলিল, এপাহ সৰিল — মীৰাৰানী দিহিঙ্গীয়া — ৮১

॥ কেইটিমান ন-শিতান ॥

অতীতৰ জিলিঙনি — পুৰণি আলোচনীৰ পাত মেলি — ৯১

এমুঠি ভাৰতীয় কবিতা — অনুঃ আক্ৰামুল ইছলাম — ৯৩

সুন্দৰৰ বৰ চ'ৰা — পৰিচালনাত হেমন্ত কুমাৰ দত্ত — ৯৮

॥ ইংৰাজী বিভাগ ॥



॥ সম্পাদনাত ॥

তৰুণ কুমাৰ গগৈ

॥ উপদেষ্টা ॥

অধ্যাপক সুনীল কুমাৰ বৰঠাকুৰ

অধ্যাপক প্ৰফুল্ল ভট্টাচাৰ্য্য

॥ সম্পাদনাৰ সহযোগী সকল ॥

ৰমেশ ৰাজখোৱা

পানীন্দ্ৰ কুমাৰ বৰ্ম্মণ

আবুল বছৰ ৰব

ধৰমনি শইকীয়া

অতুল চন্দ্ৰ শৰ্ম্মা

ভাৰতী বৰুৱা

মীৰাৰাণী দিহিঙ্গীয়া

॥ বেটুপাত পৰিকল্পনা আৰু অঙ্কন ॥

হেমন্ত কুমাৰ দত্ত

---

১৯৬৭–৬৮

দ্বাবিংশতম সংখ্যা ॥ ২৩শ বছৰ

মুদ্ৰণ—কৃষ্ণকান্ত প্ৰেছ

# সম্পাদকীয়

## বেজবৰুৱা ঃ যুগৰ নতুন সূৰ্য্য ॥

অসমীয়াৰ জাতীয় জীৱনত এটি চিৰস্মৰণীয় নাম_লক্ষ্মীনাথ বেজবৰুৱা। প্ৰতিজন অসমীয়া লোকৰ অন্তৰত শ্ৰদ্ধাৰে স্থান পোৱা—এই গৰাকী মনিষীৰ বিশাল বিস্ময়কৰ প্ৰতিভাৰ কথা ভাবিলে সচাঁকৈয়ে হিয়া মন ভৰি যায়। অসমীয়া ভাষা যেতিয়া বিদেশীৰ কৰালগ্ৰাসত অসমীয়া .সংস্কৃতি যেতিয়া বাহিৰৰ হেচাঁত মৃতপ্ৰায়—তেতিয়া এক বলিষ্ঠ পদক্ষেপেৰে এইজনা ব্যক্তি আগুৱাই আহিল—অসমৰ বিপদ-শঙ্কুল যাত্ৰাৰ গুৰিয়াল হৈ। এই গৰাকী ব্যক্তিয়েই বিদেশী শত্ৰুবোৰক স্পষ্ট ভাষাৰে জনাই দিলে—লুইতপৰীয়া অসমীয়া ভাষা-সংস্কৃতিৰ স্বতন্ত্ৰতা আৰু নিজস্ব বৈশিষ্টতাৰ কথা। বাঙ্গ সাহিত্যৰ কৃপাবৰি মাধ্যমেৰে দেশৰ অপদাৰ্থ পশ্চিমীয়া চাহাবী ঢঙেৰে নিজকে উটাই দিয়া 'বাবু-চামৰ' বিৰুদ্ধে থকা সৰকা বাক্যবান প্ৰয়োগ কৰি ধৰাশায়ী কৰিলে। শাসনাধিষ্ঠিত ইংৰাজ চৰকাৰৰে পৰা বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰলৈকে, আটাইকে প্ৰমাণেৰে অসমীয়া ভাষাৰ স্বকীয়তাৰ কথা বুজাই দিলে বঙালি সভ্যতা তথা আধুনিক ভাৰতীয় সভ্যতাৰে জন্মকেন্দ্ৰ কলিকতা মহানগৰীত বাস কৰিও লক্ষ্মীনাথে নিজৰ অসমীয়া প্ৰাণটো সকলোৰে পৰা প্ৰভাৱমুক্তকৈ ৰাখি সদায় 'অ মোৰ আপোনাৰ দেশ'ৰ কথাহে চিন্তা কৰিছিল। 'ওপজা ঠাই' 'অসমীৰ সুৰীয়া মাতে' তেখেতক ব্যাকুল কৰিছিল।

বেজবৰুৱাই আধুনিক অসমীয়া সাহিত্যৰ ক্ষীণ সুঁতিটোক বিদ্যুৎ সঞ্চাৰ কৰি এক শক্তিশালী জলস্ৰোতত পৰিণত কৰিলে। আধুনিক অসমীয়া ভাষাক নতুন প্ৰাণৰ ন-চকুজুৰিৰ দীপিতিৰে, জোনাকীৰ পোহৰেৰে আৰু 'বাঁহীৰ' অমিয়া সুৰৰ নতুন মন্ত্ৰেৰে সঞ্জিৱিত কৰিলে। এইদৰেই তেখেতৰ লিখনিৰ অপূৰ্ব্ব প্ৰভাৱেৰে কানীয়া, সোৰাপা অসমীয়া জাতিক নিজস্ব সমৃদ্ধিশালী ঐতিহ্যৰ কথা স্মৰণ কৰাই আত্ম চেতনাৰে জাগ্ৰত কৰিলে, কালৰ বুকুত ইতিহাসৰে পৰা নিচ্ছিন্ন হব ধৰা—অসমীয়া ভাষা সংস্কৃতিক একক বলিষ্ঠ সংগ্ৰামেৰে বেজবৰুৱাই কেনেকৈ ৰক্ষা কৰিলে সেই কথা স্মৰণ কৰিলে

বিস্ময়ত অভিভূত নহৈ নোৱাৰি। অসমীয়াৰ এক সন্ধিক্ষণত বীৰবেশে অৱতীৰ্ণ হোৱা এই ক্ষণজন্মা মনিষীজনাৰ সন্মানাৰ্থে 'অসম সাহিত্য সভা'ৰ আয়োজিত 'বেজবৰুৱা শত বাৰ্ষিকী' উৎসৱত সেয়ে অসমীয়াই আকৌ এবাৰ স্মৰণ কৰি কালৰ বুকুত এক গৌৰবোজ্বল অধ্যায়ৰ সূচনা কৰি যোৱা এই গৰাকী জাতীয় বীৰক সশ্ৰদ্ধ প্ৰনিপাত জনাইছে। তেখেতৰ অফুৰন্ত প্ৰেৰণাদীপ্ত আদৰ্শেৰে বলিয়ান হৈ আজিৰ অসমীয়াই বুকুত অসীম সাহলৈ ইতিহাসৰ এক নতুন জয়যাত্ৰা কৰাৰ অঙ্গীকাৰ কৰিছে। সাহিত্যৰথী বেজবৰুৱা শতবাৰ্ষিকীৰ এই পবিত্ৰ স্মৃতিত আমাৰ শ্ৰদ্ধা নিবেদন কৰিলো।

## বিজ্ঞানৰ অভিনৱ জয়যাত্ৰা

স্মৰনাতীত কালৰে পৰা মানুহৰ চিৰন্তন প্ৰবৃত্তি হল—নতুনক জনাৰ নেদেখাক দেখাৰ নোপোৱাক আপোন কৰি লোৱাৰ। ইয়াতে লুকাই আছে মানবাত্মাৰ আৰস্যকধৰ্মিতা। এই অনুসন্ধিৎসু মানৱ মনে সভ্যতাৰ আদিম পুৱাত জুই আবিষ্কাৰৰ বৈচিত্ৰময় দিনটোৰে পৰা নতুন তথ্যৰ উদ্‌ঘাটন কৰি 'বিজ্ঞানৰ যুগত' অৱতীৰ্ণ হলহি। বিজ্ঞানীসকলৰ অবিৰাম সাধনা, অসীম কষ্ট আৰু ত্যাগৰ বিনিময়ত মানৱে পাইছে—বিজ্ঞানৰ নিত্য নতুন অমূল্য সম্পদ সমূহ। যিবিলাকে মানুহৰ জীৱনযাত্ৰালৈ কঢ়িয়াই আনিছে সুখ স্বাচ্ছন্দ্যতা আৰু বৈচিত্ৰতা।

২৪ ডিসেম্বৰ, ১৯৬৮

এই মহিমামণ্ডিত দিনটোৱে মানৱ সভ্যতাৰ বুৰঞ্জীত এখিলা 'চিৰ-নতুন' পাত সংযোজিত কৰিলে। যুগ যুগৰ বিস্ময়, আকৰ্ষণ কেন্দ্ৰ আৰু আমাৰ কল্পনাৰ প্ৰতীক—জোনবাইৰ দেশত এপলো ৮ প্ৰদক্ষিণ কৰিলে। নিৰ্দিষ্ট সময়ত চন্দ্ৰ প্ৰদক্ষিণ সম্পূৰ্ণ কৰি মহাকাশযানখনে পৃথিবীলৈ ঘূৰি আহিল। এপলো ৮ৰ তিনিওজনা মহাকাশচাৰী উইলিয়াম এণ্ডাৰ্চ, জেমছ লভেল আৰু ফ্ৰেঙ্ক বৰমেনক সমগ্ৰ বিশ্বই হিয়াভৰা অভিনন্দন জনালে। মাৰ্কিন বিজ্ঞানীসকলৰ এই চমকপ্ৰদ সাফল্যত বিশ্ববাসীয়ে অভিভূত হৈ ইয়াক সমগ্ৰ মানৱতাৰ জয়যাত্ৰা বুলি অভিহিত কৰিছে।

সচাঁকৈয়ে এপলো ৮ৰ সাফল্যই মানৱ প্ৰগতিৰ এক স্বৰ্ণমণ্ডিত যুগৰ পাতনি মেলিলে। কোনে জানে এপলো ৮ৰ এই শুভ পাতনিৰেই শুভ সূচনা হব গ্ৰহ-গ্ৰহান্তৰলৈ মানৱৰ বিজয় যাত্ৰা। সেই অনাগত দিনৰ অভিনৱ উজ্বল পুৱাটিক আদৰিবলৈ আমিও অপেক্ষা কৰিলো।

## কলেজৰ বিভিন্ন দিশত আলোকপাত !!

অন্তহীন আমাৰ অভাৱ ॥

অসমৰ অন্যতম শ্ৰেষ্ঠ কলেজ আমাৰ 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰ' ভিতৰৰ কেইটামান অপৰিহাৰ্য্য অঙ্গৰ অভাৱত এক শূন্যতাই বিৰাজ কৰিছে। এই শূন্যতা দুৰিভূত হব সিদিনাই—যিদিনাখন কানৈ কলেজৰ নিজা খেল পথাৰ হব, নিজা কেন্‌টিন আৰু বয়জ কমন ৰুম আদি গঢ়ি উঠিব। কলেজ পুথিভঁৰালটোও বিভিন্ন বিষয়ৰ অধ্যয়নকাৰী ছাত্ৰৰ প্ৰয়োজনীয় চাহিদা পূৰাব পৰা কিতাপৰ অভাৱ বুলি সদায়ে এটা অভিযোগ শুনি আহিছো।

পুভি ভৰালৰ লগতে লাগি থকা যিটো ঠেক পঢ়ুৱৈৰ কুঠৰি ( ৰিডিং ৰুম ) আছে ( য'ত ঠিয় হবলৈকো ঠাইৰ অভাৱ ) তাত সোমাই বাতৰি কাকত পঢ়াৰ কি অসুবিধা সকলোৱে বুজে । কলেজৰ ৰসায়ন বিজ্ঞানাগাৰৰ যান্ত্রিক আসোঁৱাহৰ বাবে ছাত্রসকলে কষ্টকৰ সমস্যাত ভুগাটো পৰিতাপৰ বিষয় । আশা কৰো কলেজ কর্তৃপক্ষই এইবোৰ সমস্যা সমাধানার্থে ক্ষীপ্র ব্যৱস্থা হাতত লৈ এই ঐতিহ্যময় কলেজখনীক সর্ব্বাঙ্গসুন্দৰ আকর্ষনীয় শিক্ষাকেন্দ্ৰৰূপে গঢ়ি তুলিব ।

## যতীন দুৱৰা ছাত্রাবাস ॥

জীৱনৰ শেষ বয়সলৈকে কানৈ কলেজৰ অসমীয়া বিভাগৰ মুখ্য অধ্যাপকৰূপে পদ শুৱনি কৰি যোৱা, ৰোমান্টিক কাব্যৰে অসমীয়া সাহিত্য ভড়াল সমৃদ্ধ কৰা 'বনফুলৰ' কবি যতীন দুৱৰা দেৱ স্বৰ্গগামী হোৱা আজি কেইবা বছৰো হল । অথচ দুখ আৰু লাজৰ বিষয় জীৱনৰ সৰহকাল এই ডিবুৰু চহৰৰ কানৈ কলেজতে কটোৱা—অসমীয়া সাহিত্যৰ এই গৰাকী মহান পূজাৰীৰ স্মৃতিৰ অৰ্থে একোৱেই নোহোৱাটো। এই পৰিপ্ৰেক্ষিতত আমি নৱ নির্মিত কানৈ ছাত্রাবাসটো –এই কলেজৰ প্ৰতিটো ধূলিকনাতে স্মৃতি বিজড়িত হৈ থকা দুৱৰাদেৱৰ মনিষাৰ প্ৰতি সন্মান জনাই 'যতীন দুৱৰা ছাত্রাবাস' নামাকৰণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ কৰো ।

## উচ্চ শিক্ষাৰ্থে বিদেশ গমন ॥

পোলেণ্ড চৰকাৰৰ ৰাষ্ট্রীয় বৃত্তি লাভ কৰি আমাৰ কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক শ্রদ্ধেয় ভুবন চুতীয়া চাৰে উচ্চ গবেষণামূলক অধ্যয়নাৰ্থে ৱাৰ্শ লৈ গৈছে । ছাৰলৈ আমাৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনালো ।

## এই সংখ্যা আলোচনীৰ অন্তৰালত ॥

## ন-শিতানেৰে পাঠকলৈ উপহাৰ ॥

কানৈ কলেজৰ একমাত্র বছৰেকীয়া সংকলন কানৈ কলেজ আলোচনীখনৰ সম্পাদনাৰ গুৰু দায়িত্বৰে সেৱা কৰিবলৈ সুযোগ দিয়া বাবে মই কানৈয়ান বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো । সুন্দৰ সম্পাদনাৰ 'কানৈ কলেজ আলোচনী' সজাই তোলাৰ ইচ্ছাৰে মইও চেষ্টাৰ ক্রুটি কৰা নাছিলো । সেয়ে এই প্রচেষ্টাই জন্ম দিলে, কেইটিমান ন-শিতান "অতীতৰ জিলিঙনি" "এমুঠি ভাৰতীয় কবিতা" আৰু "সুন্দৰৰ বৰচ'ৰা" । এই শিতান কেইটি পাঠক বন্ধুসকললৈ আগবঢ়াবলৈ পাই আমি আনন্দিত হৈছো । ভিন্ন সুৱাঁয়া এই ন-শিতান সমূহে যদি কানৈ কলেজ আলোচনীক গতানুগতিকতাৰ পৰা মুক্ত কৰাত কিঞ্চিৎ অৰিহনা যোগাব পাৰে তাতেই আমাৰ শ্রম সাৰ্থক হব ।

## বেটুপাত প্রতিযোগিতা সম্পৰ্কে দু-আষাৰ ॥

কলেজ আলোচনীৰ সৌষ্ঠৱ আৰু মানদণ্ড উন্নত কৰাৰ উদ্দেশ্যেৰে আমি সংস্কৃতি শাখাৰ সম্পাদকৰ সহযোগত এখনি বেটুপাত প্রতিযোগিতাৰ আয়োজন কৰিছিলো । প্রতিযোগী চদাৰুদ্দিন আহমেদ আৰু প্ৰাক্তন কানৈয়ান বিজয় চেতিয়া পাতৰদেৱৰ অঙ্কিত সুন্দৰ বেটু-

পাত পাইছিলো যদিও ৰঙ প্ৰয়োগৰ অসুবিধাৰ বাবে প্ৰতিযোগিতাৰ এখনো গ্ৰহণ কৰিব পৰা নহল। শেষত আমাৰ বিশেষ অনুৰোধ আন্তৰিকতাৰে গ্ৰহণ কৰি কলেজৰে উদীয়মান ছাত্ৰ-শিল্পী হেমন্তকুমাৰ দত্তদেৱে বেটুপাতখনী আঁকি দিয়ে। প্ৰচুৰ সম্ভাৱনাময় এইগৰাকী ভ্ৰাতৃপ্ৰতীম ছাত্ৰলৈ আমাৰ কৃতজ্ঞতা আৰু আন্তৰিক শুভেচ্ছা জনালো।

## পুৰণি কানৈয়ানৰ মিঠা আন্তৰিকতা॥

কেইবাগৰাকী কানৈয়ানৰ পৰা পোৱা আন্তৰিক সহযোগে এই সংখ্যা আলোচনী সমৃদ্ধ কৰাত উপকৃত কৰিলে। সেই সন্মানীয় ভাতৃ সকলৰ ভিতৰত সৰ্ব্বশ্ৰী ইদ্ৰিছ আলি, নাহেন্দ্ৰ পাদুন, উজ্জল শইকীয়া, জীতেন চুতীয়া আৰু বাইদেউ মনোৰমা বৰুৱাৰ নাম স্মৰণ যোগ্য। ইয়াৰ বাহিৰেও বহুতো পৰামৰ্শ আৰু অনুপ্ৰেৰনা যোগোৱা অন্য এক পুৰণি কানৈয়ান আৰু শুভাকাংক্ষী শ্ৰীযুত সোমেশ্বৰ বৰুৱা দেৱৰ কথাও মনত পৰিছে। এখেত সকললৈ আমাৰ গভীৰ কৃতজ্ঞতা থাকিল।

## যি সকলক কাহানিও পাহৰিব নোৱাৰো... ॥

ব্যক্তিগত কামৰ মাজতো 'আলোচনীৰ' বিভিন্ন কামত আন্তৰিকতাৰে আগবঢ়োৱা সহযোগীতা আৰু বহুমুলীয়া উপদেশেৰে উৎসাহিত কৰা বাবে শ্ৰদ্ধেয় অধ্যাপক তফজ্জল আলি, অধ্যাপক সুনীল কুমাৰ বৰঠাকৰ, অধ্যাপক ডিম্বেশ্বৰ চলিহা, অধ্যাপক প্ৰভূনাথ সিং চাৰলৈ মোৰ ভক্তিভৰা কৃতজ্ঞতা আগবঢ়ালো। ইয়াৰ বাহিৰেও সকলো সময়তে আন্তৰিকতাৰে সহায় আৰু উৎসাহ উদ্দীপনা যোগোৱা বাবে মই অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য দেৱৰ ওচৰত কৃতজ্ঞ হৈ ৰলো।

আলোচনীৰ ন-শিতান কেইটি মুকলি কৰাত আন্তৰিকতাৰে সহযোগ কৰা বাবে ৩য় বাৰ্ষিকৰ ৰমেশ ৰাজখোৱা, আক্ৰামুল ইছলাম বাৰু হেমন্ত কুমাৰ দত্ত—এই তিনিগৰাকী সন্মানিত ভাতৃলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা জনালো। তেখেত-সকলৰ পৰা পোৱা সহায়ৰ কথা মই কাহানিও পাহৰিব নোৱাৰো।


প্ৰুফ আদি চাই বিশেষ ভাবে সহায় কৰিছিল — বন্ধুবৰ পানীন্দ্ৰ কুমাৰ বৰ্মন, যতীন্দ্ৰ নাথ গগৈ আৰু দুৰ্গা বৰঠাকুৰে। ইয়াৰ বাহিৰেও বিভিন্ন সময়ত সহযোগ আগবঢ়োৱা বাবে সহঃ পুথিভৰালী দাসদা, বন্ধুবৰ ধৰমনি শইকীয়া গণেশ মহন্ত, ব্ৰজেন শৰ্ম্মা, বান্ধৱী ভাৰতী বৰুৱা চাজিদা হুছেইন, মীৰাৰাণী দিহিঙ্গিয়া আৰু কল্পনা বাইদেউক মিঠা আন্তৰিকতাৰ বাহিৰে বাৰু কি দিম?

আলোচনী ছপাই উলিওৱাৰ গুৰু দায়িত্ব বহন কৰা বাবে কৃষ্ণকান্ত প্ৰেছৰ লক্ষী কান্ত বৰঠাকুৰ অৰু কৰ্ম্মীবৃন্দলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰলো। ব্লকবোৰ কৰি দিয়াৰ বাবে PICO. প্ৰিন্ট প্ৰাইভেট লিমিটেডলৈ আমাৰ কৃতজ্ঞতা থাকিল।

## ক্ষমা হে খুজিছো ....।।

অশেষ চেষ্টা আৰু কষ্টৰ বিনিময়টো আলোচনীখন নিৰ্দিষ্ট সময়ত প্ৰকাশ কৰিব নোৱাৰা অক্ষমতাৰ বাবে আৰু আলোচনীৰ পাতত বৈ যোৱা ভূলৰ বাবে আমি পাঠক সকলৰ ওচৰত ক্ষমাহে খুজিছো। সদৌ শেষত "কানৈ কলেজ আলোচনীৰ" ভৱিষ্যত সুন্দৰৰ ন জ্যোতিৰে আলোকিত হওক— এই শুভ কামনাৰে সামৰিলো।

শ্ৰীতৰুণ কুমাৰ গগৈ
সম্পাদক, কানৈ কলেজ আলোচনী।



অধ্যাপক প্ৰিয়াংশু প্ৰৱল উপাধ্যায়

# চাৰ্ব্বাক দৰ্শনৰ চমু পৰিচয়

চাৰ্ব্বাক দৰ্শন ভাৰতীয় দৰ্শন বিলাকৰ অন্যতম এক দৰ্শন হিচাবে পৰিগণিত। ভাৰতীয় দৰ্শন বিলাক আস্তিক আৰু নাস্তিক এই দুই ভাগে বিভক্ত। সাধাৰণতে আমাৰ ধাৰণা যিবিলাকে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰে তেওঁলোকে আস্তিক আৰু যিবিলাকে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰে তেওঁলোক হৈছে নাস্তিক। সাধাৰণৰ ধাৰণা এনে ধৰণৰ হলেও আচলতে কিন্তু 'নাস্তিকো বেদনিন্দক', অৰ্থাৎ যিবিলাকে বেদৰ প্ৰামাণ্য (authority) স্বীকাৰ নকৰে তেওঁবিলাকেই হৈছে নাস্তিক। এই কাৰণেই বৌদ্ধ বা জৈন দৰ্শনে পৰলোকৰ অস্তিত্বত বিশ্বাস কৰিলেও বেদৰ প্ৰামাণ্য স্বীকাৰ নকৰা হেতুকে বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক দৰ্শন বুলিহে ধৰা হয়। চাৰ্ব্বাক দৰ্শনে অকৌ বেদৰ প্ৰামাণ্য নেমানে, ঈশ্বৰক বিশ্বাস নকৰে বা পৰলোকৰ অস্তিত্বও স্বীকাৰ নকৰে।

চাৰ্ব্বাক নামৰ কোনো এজনৰ দ্বাৰা এই দৰ্শনৰ প্ৰৱৰ্ত্তন হোৱা হেতুকে এই দৰ্শন চাৰ্ব্বাক দৰ্শন নামেৰে অভিহিত বুলি কিছুমানে ভাবে। কিছুমানে আকৌ ভাবে যে, চাৰ্ব্বাক দৰ্শনৰ কথাবিলাক জড়বুদ্ধি সাধাৰণ মানুহৰ কাৰণে বৰ মনোমোহা বুলিহে এই দৰ্শনৰ নাম হৈছে চাৰ্ব্বাক দৰ্শন; চাৰু অৰ্থাৎ সুন্দৰ, মনোমোহা; বাক্ = কথা,—এই দৰে চাৰ্ব্বাক শব্দটোক বিশ্লেষণ কৰি এই দৰ্শনৰ তেনে নামকৰণৰ তাৎপৰ্য্যাৰ্থ পোৱা যায়। অৱশ্যে দেৱগুৰু বৃহস্পতিকহে এই দৰ্শনৰ প্ৰতিষ্ঠাতা বুলি কোৱা হৈছে। মাধৱাচাৰ্য্যই (খৃষ্টিয় চতুৰ্দ্দশ শতিকা) তেওঁৰ 'সৰ্ব্বদৰ্শন সংগ্ৰহ' গ্ৰন্থত চাৰ্ব্বাক দৰ্শনৰ বিৱৰণ দিবৰ সময়ত —"বৃহস্পতিমতানুসাৰিণা নাস্তিকশিৰোমনিনা চাৰ্ব্বাকেন" —ইত্যাদিৰূপে কোৱাত তেওঁৰ মতে চাৰ্ব্বাকে বৃহস্পতিৰ মত অনুসৰিহে এই দৰ্শন ৰচনা কৰিছে, চাৰ্ব্বাক নিজে এই দৰ্শনৰ প্ৰৱৰ্ত্তক নহয়, বৃহস্পতিহে এই দৰ্শনৰ মূল প্ৰৱৰ্ত্তক—এই কথাকেই বুজায়। উদ্ধৃতিক্ৰমে বৃহস্পতি সূত্ৰৰ কথাও কোনো কোনো ঠাইত পোৱা যায়, গতিকে অন্যান্য ভাৰতীয় দৰ্শনৰ নিচিনা মূল চাৰ্ব্বাক দৰ্শনো বৃহস্পতিৰ দ্বাৰা সূত্ৰৰ আকাৰে বিৰচিত আৰু বৃহস্পতিসূত্ৰ নামেৰে অভিহিত আছিল বুলি অনুমান হয়।

এনে কথিত আছে যে, দেৱগুৰু বৃহস্পতিয়ে দেৱতাসকলৰ শ্ৰী আৰু বিজয় লাভ কৰাবলৈ নীতিপথত থকা অসুৰবিলাকক নীতিপথ ভ্ৰষ্ট কৰিবলৈ অসুৰবিলাকৰ মাজত এই দৰ্শনৰ

মোহজাল বিস্তাৰ কৰে। অসুৰবিলাকেও তেতিয়া জড়বাদৰ প্ৰভাৱত সুখ-সম্ভোগেৰে প্ৰমত্ত হৈ পৰে শেষত গৈ ধ্বংস প্ৰাপ্ত হয়। বিষ্ণুপুৰাণত (৩।১৭ - ১৮ অধ্যায়) দেখা যায় যে, যুদ্ধত দেৱতাসকলে দৈত্যসকলৰ দ্বাৰা পৰাজিত হৈ বিষ্ণুৰ শৰণাপন্ন হয় আৰু স্তৱ-স্তুতিৰে তেওঁক সন্তুষ্ট কৰি কয় যে, দৈত্যসকলে সদায় ধৰ্ম্ম-পথত থকা হেতুকে পৰাক্ৰমশালী দৈত্যসকলৰ এওঁলোকে হেৰুৱাব নোৱাৰে ! এতেকে দৈত্য-বিলাকক পৰাজিত কৰিবলৈ কিবা এটা উপায় কৰি দিব লাগিব (৩।১৭।৩৯-৪০)। ভগৱান বিষ্ণুৱে তেতিয়া দৈত্যসকল পৰাজিত কৰিবৰ উপায়স্বৰূপে 'মায়ামো'হক দেৱতাসকলৰ লগত দিলে। মায়ামোহে দৈত্যসকলৰ মাজত গৈ চিত্তাকৰ্ষক মনোমোহা কথাবিলাক যুক্তিৰ সৈতে সকলোকে বুজাই দিলে। দৈত্যবিলাকেও তেতিয়া সেই কথাবোৰ শুনি তাকেই যথাৰ্থ বুলি গ্ৰহণ কৰিলে আৰু তাৰ ফলত নিজৰ ধৰ্ম্মপথ পৰিত্যাগ কৰি জড়বাদী হৈ পৰাত শেষত গৈ দেৱতাসকলৰ লগত যুদ্ধত পৰাজিত হয়। মায়ামোহৰ দ্বাৰা প্ৰচাৰিত এই জড়বাদ আৰু চাৰ্ব্বাক দৰ্শনৰ মতৰ মাজত কোনো প্ৰভেদ নাই।

মহাভাৰতত আকৌ দুৰ্য্যোধনৰ পক্ষ অৱলম্বন কৰি থকা চাৰ্ব্বাক নামৰ এজন ৰাক্ষসৰ কথা আমি পাওঁ। চাৰ্ব্বাক দৰ্শনত কোৱা কথা বিলাকে স্বভাৱতেই সাধাৰণ মানুহৰ মনত আনন্দ দিয়ে আৰু এই মতবাদ সাধাৰণভাবেই লোকসকলৰ মাজত বহুতোভাবে প্ৰচলিত থকা গতিকে 'লোকায়ত' (লোকে = জনসমাজত, আয়ত = বিস্তৃত, বহুল প্ৰচলিত) দৰ্শন বুলিও কোৱা হয়।

কৌটিল্যই তেওঁৰ অৰ্থশাস্ত্ৰত (১।২ ১০) এই লোকায়তদৰ্শনক আন্বীক্ষিকী বা যুক্তিবিদ্যা বুলি কৈছে আৰু যুক্তিৰ ভেটিত প্ৰতিষ্ঠিত হোৱা বাবে এই দৰ্শনক তেওঁ সাংখ্য আৰু যোগ-দৰ্শনৰ সমপৰ্য্যায়ভুক্ত কৰা দেখা যায়।

চাৰ্ব্বাক দৰ্শনৰ মূল গ্ৰন্থ এতিয়ালৈকে আমি পোৱা নাই। অন্যান্য ভাৰতীয় দৰ্শন-বিলাকত আৰু বৌদ্ধ সাহিত্য, পালি ত্ৰিপিটক আদিত আলোচনাপ্ৰসঙ্গত চাৰ্ব্বাক দৰ্শনৰ বিবৰণ দিয়া হৈছে। অৱশ্যে যোৱা ১৯৪০ খৃষ্টাব্দত (Oriental Institute of Baroda) ৰ পৰা জয়শ্ৰী ভট্টৰ দ্বাৰা (খৃষ্টিয় অষ্টম শতাব্দী) বিৰচিত 'তত্ত্বোপপ্লবসিংহঃ' নামৰ গ্ৰন্থ এখন প্ৰকাশিত হয়। জয়শ্ৰীয়ে তেওঁৰ গ্ৰন্থত বৃহস্পতিক তেওঁৰ গুৰু বুলি কৈছে। কিন্তু তেখেতে নিজক ক'তো চাৰ্ব্বাক বুলি নক'লেও চাৰ্বাক দৰ্শনৰ মত-বিলাক ইয়াত বিবৃত হোৱাত উক্ত গ্ৰন্থখন চাৰ্বাক সম্প্ৰদায়ৰ অন্যতম এখন মৌলিক গ্ৰন্থ হিচাবে ধৰি লোৱা হয়।

সি যি নহওক ভাৰতীয় দৰ্শনত জড়বাদ (Materialistic view) হে সাধাৰণভাবে চাৰ্ব্বাকদৰ্শন বুলি অভিহিত হয়। চাৰ্বাকদৰ্শনৰ মূল কথা হৈছে যে, আমাৰ এই স্থূল ইন্দ্ৰিয়-সমূহৰদ্বাৰা যি বস্তু প্ৰত্যক্ষ গোচৰ হয় তাৰ বাহিৰে আন একোৱে নাই। এওঁবিলাকে কয়— প্ৰত্যক্ষপ্ৰমাণ (Perception)ৰ বাহিৰে অনুমান (Inference), শব্দ (Testimony) বা আন কোনো প্ৰমাণ নিৰ্ভুল হব নোৱাৰে। প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন যি কোনো ধৰণৰ জ্ঞান হওক, তাত ভুল হোৱাৰ সম্ভাৱনা আছেই।

গতিকে তেওঁবিলাকে মানি লৈছে যে, প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন কোনো জ্ঞান যথাৰ্থ ( Valid ) নহয়।

অদৃষ্ট, ঈশ্বৰ, আত্মা, স্বৰ্গ আদিৰ স্থূল ইন্দ্ৰিয়ৰ দ্বাৰা হোৱাৰ সম্ভাৱনা নথকা হেতুকে সেইবিলাকৰ অস্তিত্বই নাই আৰু এই কাৰনে পুণ্য, পাপ স্বৰ্গ ইত্যাদিৰ বিৱৰণ থকা বেদাদি-শাস্ত্ৰবিলাক চাৰ্বাকদৰ্শন মতে গ্ৰহণযোগ্য নহয়। এওঁবিলাকে ভাবে—কিছুমান ধূৰ্ত্ত মানুহে সাধাৰণ মানুহক প্ৰবঞ্চিত কৰি নিজৰ নিজৰ জীৱিকা অৰ্জ্জন আৰু নিজক সমাজত প্ৰতিষ্ঠিত কৰিবৰ কাৰণে বেদ, সংহিতা আদি শাস্ত্ৰবিলাক ৰচনা কৰিছে। সৰু এটি গল্পৰ মাজেদি এওঁবিলাকে কয় যে আনৰ পৰা কিবা শুনি আৰু তাক যথাৰ্থ বুলি ধাৰণা কৰি লৈ মানুহে যে কেনে ভুল কৰে তাক নিজৰ পত্নীক আঙুলিয়াই দেখুৱাবৰ কাৰণে এজন মানুহে এদিন ৰাতি ঘৰৰ পৰা কোনেও নজনা অৱস্থাত ওলাই অলপ দূৰলৈ গৈ বাঘৰ হাতোৰাৰ দৰে হাতৰ আঙুলিবিলাক কোঁচাই লৈ ধুলিৰ ওপৰত নখৰ ছাপ কিছুমান দি থলে আৰু পুৱা হোৱাৰ লগে লগে আনক নিজৰ আঙুলিৰ ছাপবিলাক দেখুৱাই গাঁৱত কুকুৰনেচীয়া বাঘ আহি সোমাইছে বুলি ক'লে, তেওঁৰ কথা গোটেই গাওঁত ভীষণ ভয়ৰ সঞ্চাৰ হ'ল, তাত হুলস্থুল লাগিল আৰু সকলোৱে নিজৰ নিজৰ গৰু, ভেড়া, ছাগলী আদি বাঘৰ পৰা ৰক্ষাৰ কাৰণে ব্যস্ত হৈ পৰিল। মানুহজনে তেতিয়া ঘৰলৈ আহি ঘৈনিয়েকক সে ঠাইলৈ লৈ গৈ ক'লে 'ভদ্ৰে বৃকপদং পশ্য''— অৰ্থাৎ হে ভদ্ৰে, মাননীয়ে, গাৱত কুকুৰনেচীয়া বাঘ আহি সোমাইছে, তাৰ চিন চোৱা। ঘৈনিয়েকে তাক চাই আন সকলৰ দৰে সেই বিলাকক বাঘৰ নখৰ চিন বুলি বিশ্বাস কৰাত মানুহজনে তেওঁক বাঘৰ হাতোৰাৰ চিন সম্বন্ধে আচল কথাখিনি ক'লে।

চাৰ্ব্বাকদৰ্শনে এই দৰে বেদ বা অন্য-শাস্ত্ৰৰ প্ৰামান্য প্ৰত্যাখ্যান কৰি কয় যে, এই বিশ্বৰ সৃষ্টিকৰ্ত্তাৰূপে ঈশ্বৰৰ অস্তিত্ব মানিবলৈ যোৱা একেবাৰে নিৰৰ্থক। তেওঁলোকৰ মতে ক্ষিতি, অপ, তেজ, আৰু মৰুৎ এই চাৰিবিধ পৰমানু সদায় বিদ্যমান। স্বভাৱতেই ( by Nature ) এই পৰমাণু বিলাকৰ সংমিশ্ৰণ আৰু বিশ্লেষণ হয় আৰু তাৰ ফলত গোটেই বিশ্বপ্ৰপঞ্চৰ উৎপত্তি, স্থিতি আৰু ধ্বংস হয়।

চাৰ্বাক দৰ্শনৰ পৰমমাণুৰ ধাৰণাও কিন্তু বৰ স্থূল। আমি আগেয়ে কৈ আহিছোঁ যে, তেওঁ-লোকে প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন কোনো জ্ঞানৰ সত্যতা মানি নলয়। গতিকে তেওঁলোকৰ মতে পৃথিবী, পানী আদি পৰমাণুবিলাকো প্ৰত্যক্ষ-যোগ্য। বেলি ওলাবৰ সময়ত দুৱাৰ, খিৰিকী বা আন প্ৰকাৰৰ ছিদ্ৰৰ মাজেদি সূৰ্য্য-ৰশ্মি ঘৰত আহি সোমালে তেতিয়া ভৰি থকা কণ কণ যিবিলাক বস্তু দেখা যায় সেইবিলাক হে হৈছে চাৰ্বাকদৰ্শনৰ মতে পৰমাণু। তেনেকৈ চকুৰে দেখা সূক্ষ্মতম জলকণাবিলাক হৈছে জলীয় পৰমাণু। এই দৰে আন পৰমাণুবিলাকো প্ৰত্যক্ষযোগ্য। আকাশপ্ৰত্যক্ষ নহয় কাৰণে আকাশ পৰমাণু বা আকাশৰ অস্তিত্ব এওঁলোকে নেমানে। এওঁলোকৰ মতে পৃথিবী, পানী, জুই আৰু বতাহ এই ভূতবিলাক স্বভাৱতেই পৰস্পৰৰ সংমিশ্ৰণ হয় আৰু এই সংমিশ্ৰণৰ কাৰণে কি চেতন, কি অচেতন সকলো বস্তুৰ উৎপত্তি

হয়। ঠিক এইদৰে পৃথিবী; আদি ভূতসকল এই বিশেষ ধৰণে সংমিশ্ৰনৰ ফলত শৰীৰৰ উৎপত্তি হোৱাৰ লগতেই তাত প্ৰাণ বা চৈতন্যৰো উৎপত্তি হয়। গতিকে এই দেহত চৈতন্য বা প্ৰাণসত্তা সৃষ্টিৰ কাৰণে ঈশ্বৰক মানিবৰ একোৱে দৰকাৰ নাই বুলি এওঁলোকে ভাবে। তেওঁলোকে কয়— পৃথিবী, পানী, জুই আদি বেলেগ বেলেগকৈ থকা অৱস্থাত প্ৰাণসত্তা নেথাকিলেও সেইবিলাকে বিশেষ ধৰণে সংমিশ্ৰিত হলে স্বভাৱতেই তাত প্ৰাণ বা চৈতন্যৰ উদ্ভৱ হয়। যেনে পান, তামোল, চুণ আদি বেলেগভাবে থকা অৱস্থাত সেইবিলাকৰ কোনো এটা বস্তুৱে ৰঙা নহলেও সেইবিলাক একেলগে নৈ চোবালে বা ঘঁহিলে তাত ৰঙা ৰঙৰ উৎপত্তি হয়। এইদৰে এই ভূতবিলাকৰ সংমিশ্ৰনৰ ফলতহে মনতো উদ্ভৱ হয়। 'মই' বোলা বস্তুহে হৈছে এওঁলোকৰ মতে চৈতন্য। আৰু শৰীৰৰ সৈতে এই চৈতন্যৰ অবিচ্ছেদ্য সম্বন্ধ অৰ্থাৎ শৰীৰক এৰি বেলেগকৈ কোনো চেতন পদাৰ্থ থাকিবই নোৱাৰে। এই কথাষাৰ আমি নিজেই সদায় উপলব্ধি কৰি থাকোঁ।

কাৰণ আমি সদায় মই শকত, মই পাতল, মই ক'লা, মই বগা, মই সুস্থ, মই বৰ পৰিশ্ৰান্ত ইত্যাদি কথাৰে শৰীৰৰ ধৰ্ম্ম বা অৱস্থা 'মই' বোলা চৈতন্যৰ লগত অভেদ কৰিহে ব্যৱহাৰ কৰি থাকোঁ; "চৈতন্যবিশিষ্ট কায় পুৰুষ" (বৃহস্পতিসূত্ৰ) অৰ্থাৎ চৈতন্যৰ লগত অবিচ্ছিন্নভাৱে থকা শৰীৰ হে হৈছে মানুহ বা প্ৰাণী। পৃথিবী, জুই, পানী আদিৰ সেই সংমিশ্ৰণ আকৌ সময়ৰ গতিৰ লগত লাহে লাহে পৰস্পৰৰ পৰা বিচ্ছিন্ন হব ধৰে তেতিয়া মৃত্যু হয় অৰ্থাৎ শৰীৰত চৈতন্য বা প্ৰাণসত্তাৰ অভাৱ ঘটে। এইদৰে তেওঁলোকে কব খোজে যে, এই দেহাৰ বাহিৰে চেতন আত্মা বা ঈশ্বৰ বুলি একোৱে নাই।

এইখিনিতে আমি প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰো যে, চাৰ্বাক সম্প্ৰদায় প্ৰধানতঃ 'ধূৰ্ত্ত' আৰু 'সুশিক্ষিত' এই দুই ভাগে বিভক্ত আছিল। 'ধূৰ্ত্ত' চাৰ্বাক সম্প্ৰদায়ে প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে অনুমান বা আন কোনো জ্ঞানক প্ৰমাণ ( valid knowledge ) বুলি একেবাৰেই ধৰা নাই। এই সম্প্ৰদায় হৈছে দেহাত্মবাদী অৰ্থাৎ দেহেই এই সকলৰ মতে আত্মা বা চেতন। সুশিক্ষিত সম্প্ৰদায়ে কিন্তু অনুমান প্ৰমাৰ্থক একেবাৰে উপেক্ষা কৰা নাই। এওঁলোকৰ মতে প্ৰত্যক্ষদৃষ্ট কাৰ্য্যজগতৰ কাৰ্য্যকাৰণ সম্বন্ধ নিৰূপনৰ বাবে প্ৰয়োজন অনুসৰি অনুমান প্ৰমাণৰ আৱশ্যকতা স্বীকাৰ কৰে। কিন্তু যিবোৰ বিষয় ইন্দ্ৰিয়গ্ৰাহ্য নহয়, তেনে ধৰণৰ ঈশ্বৰ, অদৃষ্ট, স্বৰ্গ প্ৰভৃতি প্ৰতিপাদন কৰাৰ কাৰণে যি অনুমান কৰা হয় সি একেবাৰেই অযথাৰ্থ ( inva'id )। এই সুশিক্ষিত সম্প্ৰদায়ৰ কোনোৱে দেহৰ অতিৰিক্ত ইন্দ্ৰিয়ক আত্মা, কোনোৱে ইন্দ্ৰিয়ৰ অতিৰিক্ত মনক আত্মা, কোনোৱে বা মনতকৈও সূক্ষ্ম প্ৰাণক আত্মা বা চেতন বুলি মানি লৈছে। এওঁলোকেও কিন্তু দেহৰ সম্বন্ধক প্ৰাণৰ পৃথক সত্তা স্বীকাৰ নকৰে। অৰ্থাৎ দেহৰ বিনাশৰ লগতেই প্ৰাণৰূপ যে আত্মা তাৰো বিনাশ হৈ যায় বুলি এওঁলোকে কয়।

চাৰ্বাকদৰ্শনৰ মতে এই পৃথিবীত আধিপত্য কৰি থকা প্ৰত্যক্ষদৃষ্ট ৰজাজনে হে হৈছে

পৰমেশ্বৰ। এওঁলোকে ভাবে যে, সকলো দুখৰ সম্পূৰ্ণভাবে বিনাশ হোৱাৰ পাচত বেলেগকৈ মোক্ষ বা মুক্তি সম্ভ্ব নহয়। আনন্দ উপভোগ কৰি থকা এই শৰীৰৰ মৃত্যু হলে কেতিয়াও তাৰ জন্ম আকৌ নহয়, আৰু জন্মৰ সম্ভাৱনা নথকাত শৰীৰৰ মৃত্যুহে হৈছে মোক্ষ লাভ। এই পৃথিবীত সুখ আৰু দুখ এই দুয়োটাই একেলগে সদায় আছে। গতিকে দেহৰ মৃত্যু নোহোৱালৈকে দুখৰপৰা সম্পূৰ্ণ পৰিত্ৰাণ বা মোক্ষলাভ এওঁলোকৰ মতে অসম্ভৱ; —"মৰণমেৱাপবৰ্গঃ" (বৃহস্পতিসূত্ৰ)। এই সংসাৰত দুখ আছে বুলি পৰম শান্তি লাভ কৰিবৰ কাৰণে সংসাৰক পৰিত্ৰাণ কৰা তেওঁ-লোকৰ মতে মূৰ্খামি! কোন এনে বুদ্ধিমান মানুহ আছে, যিজনে খাব নোৱাৰা বাকলি থকা বুলি ধানবোৰ পেলাই দিয়ে! ধানৰ বাকলি (তুহঁ) পেলাই দি তাৰ ভিতৰত থকা চাউলখিনি লৈ আনন্দে খাইহে জীয়াই থাকিব লাগে। মাছ খালে মাছৰ কাঁইট, বাকলি আদি ডিঙিত লাগি ভীষণ কষ্ট হব বুলি ভয়ত মাছ নেখাব নেকি? কাঁইট, বাকলি আদি পেলাই দিহে মাছ খাব লগা হয়। তেনেকৈ এই সংসাৰত দুখ পাবলগীয়া বস্তু থাকিলেও বা কি হ'ল? সেইবিলাক যথাসম্ভৱ বাদ দি জীয়াই থকা দিন কেইটা আনন্দ উপভোগ কৰি থাকিব লাগে। তেওঁলোকে কয়— "যাৱজ্জীৱং সুখং জীবেৎ ঋণং কৃত্বা ঘৃতং পিবেৎ। ভস্মীভূতস্য দেহস্য পুনৰাগমন্ কুতঃ॥"

তেওঁলোকৰ মতে নিজৰ কৰ্ম্মৰ অদৃষ্টৰ দ্বাৰা পাব লগীয়া স্বৰ্গ বা নৰক বুলি একোৱে নাই। সংসাৰৰ আনন্দ হে হৈছে স্বৰ্গসুখ আৰু পৃথিবীত কাঁইট বা আন কিহবাৰপৰা পোৱা দুখবিলাক হৈছে নৰক। ইহলোকৰ বাহিৰে পৰলোক বুলি একোৱে নাই। শ্ৰাদ্ধ আদি দ্বাৰা মৃতব্যক্তিৰ তৃপ্তিসাধনৰ প্ৰচেষ্টা বৃথা। জীৱন হেৰুৱাৰ পিছত যদি মৃতসকলৰ উদ্দেশ্যে দিয়া বস্তু সচাঁকৈয়ে তেওঁলোকৰ তৃপ্তি-সাধন কৰিব পাৰে, তেনেহলে সেইদৰে নুমাই যোৱাৰ পিছত চাকি এটিত ঘি বা তেলা আকৌ ভৰাই দিলেই তো সি পৰিতৃপ্ত হৈ জ্বলি থকিব লাগে। তদুপৰি মৃতসকলৰ উদ্দেশ্যে দিয়া বস্তুবিলাক পৰলোকৰ পৰা গ্ৰহন কৰি তৃপ্তিলাভ কৰাৰ ক্ষমতা তেওঁলোকৰ যদি আছে, তেন্তে জীৱিত অৱস্থাতো তেওঁলোকৰ তেনে ক্ষমতা নিশ্চয় থাকিব লাগিব। আৰু তেনে হলে খোৱা বস্তু নোপোৱা কোনো দূৰ ঠাইলৈ যোৱা সময়ত মানুহে কষ্ট কৰি খোৱাবস্তুৰ বোজা লগত লৈ যাব লগা হয় কিয়? দুৰলৈ যোৱা জনৰ উদ্দেশ্যে খোৱা বস্তু ঘৰত দি থলেই দেখোন সেই মানুহজনৰ ভোক পলাব লাগে। কিন্তু কেতিয়াবা ই সম্ভৱ হয় জানো!

চাৰ্ব্বাকদৰ্শনে এইদৰে এই পৃথিবীত দৃষ্টিগোচৰ হোৱা বস্তুকেই একমাত্ৰ যথাৰ্থ বুলি মানি লৈছে আৰু দৃষ্টিগোচৰ হোৱা বস্তুৰ বহিৰে যি কোনো বস্তুৰ অনুমান বা ধাৰনা সকলোৱেই মিছা বুলি প্ৰতিপন্ন কৰিছে, উক্ত এই মতবাদৰ প্ৰতিষ্ঠাৰ কাৰণেই চাৰ্ব্বাকদৰ্শনে প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন কোনো জ্ঞানক প্ৰমান বা যথাৰ্থজ্ঞান বুলি নেমানে। চাৰ্ব্বাকদৰ্শনে অনুমানৰ প্ৰমান্য

(ষষ্ঠ পৃষ্ঠাত চাওক)

আবুল বছৰ বৰ
২য় বাৰ্ষিক বিজ্ঞান

# ভিয়েটনাম

"Nothing is worse than war ?
Dishonour is worse than war
Slavery is worse than war."

এখন সৰু দেশ — এজাক সহজ সৰল মানুহ। চকুত আছিল সিহঁতৰ এখন শোষণ মুক্ত স্বাধীন দেশ গঢ়াৰ স্বপ্ন। কিন্তু সেই স্বপ্ন সহজে দিঠকত পৰিণত হব নোৱাৰিলে। আৰম্ভ হল দুৰ্ব্বাৰ প্ৰচেষ্টা।

তাৰ কথাকেই কব খুজিছো—ভিয়েটনামৰ কথা। আজিৰ পৃথিৱীৰ আটাইতকৈ যিটো ডাঙৰ সমস্যা।

দক্ষিণ পূব এচিয়াৰ ৰাজনৈতিক ইতিহাসত এক নতুন যুগৰ ইতিহাস ৰচনা হল। দুৰ্ব্বাৰ এক মুক্তিৰ মোহে সাম্ৰাজ্যবাদীৰ কৱলৰ এজাক মানুহৰ অন্তৰাত্মা আচ্ছন্ন কৰি তুলিলে। বিপ্লৱৰ অগ্নি অনিৰ্ব্বাৰ জ্বলিল। কিন্তু সেইজাক মানুহৰ মুক্তিৰ মৌলিক দাবীক সাতসাগৰৰ সিপাৰৰ এজাক তথাকথিত "সভ্য" মানুহে "মুক্ত বিশ্বৰ" ৰক্ষাৰ নামত অস্বীকাৰ কৰিলে। আৰম্ভ হল এই শতিকাৰ এক অন্যতম ৰক্তক্ষয়ী প্ৰতিৰোধ সংগ্ৰাম। দুৰ্দ্দাম দুৰন্ত তাৰ গতিবেগ। সমগ্ৰ পৃথিৱীৰ জনসাধাৰণ স্তব্ধ হল। কত পালে সেই মানুহজাকে এনে এক মহতি শক্তি— যি ফটাৰ ডালেচৰ ডলাৰৰ উন্মাদ নৃত্যৰ তাল ভাগি দিলে। মেকঙৰ ৰূপালী পানী ৰক্ত ৰঞ্জিত হল। কবিতাৰ " ৰূপালী নদীৰ গান শেষ হ'ল" আৰু তাৰ পৰিবৰ্ত্তে বাজিল "তীখাৰ ঝনঝননীৰ শব্দ আৰু মুক্তিৰ অনাগত মুহূৰ্ত্তৰ কথা"। সূচনা হল এক নতুন অধ্যায়ৰ সেয়েহল ভিয়েটনামৰ মুক্তি যুদ্ধ।

দক্ষিণ পূব এচিয়াৰ সৰু দেশ ভিয়েটনাম। তাহানিৰ ফৰাচী ইন্দোচীনৰ বিভক্ত অংশ উত্তৰ আৰু দক্ষিন ভিয়েটনাম। ভিয়েটনাম বাসীয়ে দেশক আন্নাম বোলে।

---

( ৫ম পৃষ্ঠাৰ পৰা )

validity প্ৰত্যাখ্যান কৰোতে যি যুক্তিবিলাক প্ৰদৰ্শন কৰিছে সি সচাঁকৈয়ে অনুধাৱন কৰিবলগীয়া অনুমান যে কেতিয়াও প্ৰমান বা যথাৰ্থজ্ঞান হব নোৱাৰে এই কথাকেই বহু যুক্তিৰে চাৰ্ব্বাকমতাৱলম্বীসকলে দেখুৱাই প্ৰত্যক্ষই যে একমাত্ৰ প্ৰমান তাকদৃঢ়যুক্তিৰে প্ৰতিপন্ন কৰিছে আৰু তাকেই ভিত্তি কৰি চাৰ্ব্বাকদৰ্শন প্ৰতিষ্ঠিত।

কবিতা কবিতা লগা এটা চুটি নাম। কৱি মহেন্দ্ৰবৰাৰ "ফুল, তৰা, গান" নামৰ কিতাপত আন্নামৰ বিষয়ে বহুতো কথাই পোৱা যায়। অপ্ৰয়োজনীয় হলেও জিজ্ঞাসু পাঠক বৰ্গৰ জ্ঞাতাৰ্থে কথাটো জনোৱা হল। মনচুনে আনি দিয়ে এই দেশলৈ বন্য এক নিৰৱতা। মেকঙলৈ বান আহে। ঘৰবাৰী বানপানীত ভাঁহে। সুদূৰৰ পৰা ফ্লেমিঙ্গৰ জাক আহে। আন্নামৰ ডেকা গাভৰুৰ চকুত যৌৱন বাগৰে। বৌদ্ধধৰ্মৰ সেই বিষাদময় স্নিগ্ধতা হেৰাই যায়।

লাওচ, কাম্বোদিয়া, থাইলেণ্ড আৰু চীণৰ সীমান্তত ভিয়েটনাম। লোহিত নদী আৰু মেকঙ এই দুখন ভিয়েটনামৰ প্ৰধান নদী। মানুহবোৰ মঙ্গোলীয় গোষ্ঠীৰ। চিৰসেউজীয়া অৰণ্য আৰু চেগুণ গছেৰে ভৰা এই দেশ। মানুহবোৰ কৃষিজীৱি আৰু অনুন্নত। পাইজামা, মূৰত খেৰৰ টুপী, ভৰিৰ ৰবৰৰ চেণ্ডেল এওঁলোকৰ প্ৰধান পৰিধান।

৮০০ শতিকাত চীনৰ ইয়াংচি নদীৰ পাৰত থকা "ভিয়েট" নামৰ এটা উপজাতীয়ে চীনাসকলৰ অত্যাচাৰত সেই ঠাই এৰি বৰ্ত্তমান ভিয়েটনামৰ লোহিত নদীৰ মোহনাত বসতি স্থাপন কৰে। কিন্তু অলপ দিনৰ পাচতেই চীনা সকলে সেই অঞ্চল দখল কৰে। ভিয়েটনামৰ ইতিহাসক মুঠতে পাঁচভাগত ভগাব পাৰি। (১) স্বাধীন ভিয়েটনাম (২) হংবাঙৰ ৰাজত্ব কাল (৩) চীনৰ অধিকাৰ (৪) মহান জাতীয় বংশ (৫) ফৰাচী শাসন আৰু দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্ত্তী অধ্যায়।

৯৮০ৰ পৰা ১০০৯ শতিকালৈ ৰাজত্ব কৰা "লি" বংশৰ প্ৰথম ৰজাজনে চীনাসকলৰ হাতৰ পৰা ভিয়েটনাম মুক্ত কৰে। ১৮০২ শতিকাত সম্ৰাট গিয়ালিঙে 'ভিয়েটনাম" নামটোক চৰকাৰী ভাবে স্বীকৃতি দিয়ে। ভিয়েটনামৰ অধিবাসী সকল বৌদ্ধধৰ্ম্মী। ভিয়েট-নামৰ সমভূমিত বাস কৰা ভিয়েটসকল আৰু পাৰ্ব্বত্য অঞ্চলত বাস কৰা লোক সকলৰ বাহি-ৰেও-ৰাধে, জাৰাই, বাহনাৰ, চেডাংষ্টিঙ্গ আৰু নুঙ উপজাতিৰ মানুহ ভিয়েটনামত আছে। ইয়াৰ উপৰিও চীনা সকল আৰু তুলনামূলক ভাবে উন্নত "চাম" জাতৰ মানুহো ভিয়েটনামত আছে।

দ্বিতীয় মহাযুদ্ধৰ পাচত জাপানীবোৰৰ পৰা ইংলণ্ডৰ সহযোগত ফৰাচীবোৰ ভিয়ে-টনামত (ইন্দোচীন) শাসনাধিষ্ঠ হয়। সেই সময়ৰ ইংৰাজ সেনাপতি গ্ৰেচীৰ তত্বৱধানত ভাৰতীয় (গোৰ্খা) সৈন্যবাহিনীয়ে এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল। আৰু উত্তৰাঞ্চলত ভিয়েতনামৰ মহান জননেতা হো-চি মিনৰ নেতৃত্বত চৰকাৰ গঢ়ি উঠে। ইফালে দক্ষিণ ভিয়েটনামত মুক্তি যুদ্ধ চলে। শান্তি পূৰ্ণ উপায়েৰে সমস্যাৰ সমাধান নোহোৱা দেখি ফৰাচীবোৰে উত্তৰাঞ্চল অধিকাৰ কৰে। কিন্তু স্বাধীনতাৰ জুইকতো এইদৰে ঢাকি ৰাখিব নোৱাৰি। ভিয়েটমীন নেতা হো-চি-মিন আৰু তেওঁৰ অভিন্ন হৃদয় সহযোগী নুগুৱেন গিয়া-পৰ নেতৃত্বত গোপনে প্ৰতিৰোধ সংগ্ৰামৰ প্ৰস্তুতি চলে। আধুনিক সমৰাস্ত্ৰৰে সুসজ্জিত শত্ৰুক প্ৰকাশ্য পৰাজয় কৰা অসম্ভৱ দেখি তেওঁলোকে "গৰিলা যুদ্ধৰ সহায় লয়"।

এতিয়া অলপ গৰিলা যুদ্ধৰ বিষয়ে কওঁ। গৰিলা যুদ্ধৰ প্ৰৱৰ্ত্তক মাও-চে-টুং। বৰ্ত্তমান লোকচীনৰ চেয়াৰমেন। ১৮৯৩ চনত তেওঁ হিউনান প্ৰদেশত জন্ম গ্ৰহণ কৰে আৰু ১৯১৭ চনত বিশ্ববিদ্যালয়ৰ স্নাতক হয়। ১৯২৬ চনত তেওঁ সক্ৰিয় কমিউনিষ্ট হিচাবে পৰিচিত হয়

জাপানী আৰু চিয়াং কাইচেকৰপৰা তেওঁ চীনক মুক্ত কৰে।

মাও-চে-টুঙৰ "লং মাৰ্চ" পৃথিবীৰ যুদ্ধৰ ইতিহাসত এক আন্যতম বিস্ময়। গৰিলা যুদ্ধৰ বিষয়ে মাও-চে-টুঙৰ বহুত কিতাপ আছে; তাৰ ভিতৰত " Yu chi chan" খনেই বিখ্যাত। গৰিলা যুদ্ধৰ বিষয়ে মাত্তৰ বহুঞ উক্তি আছে —

(1) "All gurrilla units Starts from nothing and graw"

(11) "Man is the greatest factor in the universe and can do everything."

(I11) "When engaging a strong enemy ... Withdraw when advances; haras him when he stops; Strike him when he is weary; pursue him when he withdraws ; ··· The enemy must be harrassed, attacked, dispersed, exhausted, and annihilated"

মাত্ত-চে-টুঙৰ মতে এটা গৰিলাবাহিনীৰ সংগঠন তলত দিয়া ধৰণে হব লাগে —

এটা "Company" ১২২ জন লোক থাকিব লাগে আৰু ৩টা পিস্তল আৰু ৯৮টা ৰাইফল থাকিব লাগে। এটা বেটেলিয়নত ৪৪১ জন লোক, ৪৩টা পিস্তল আৰু ৩০৬টা ৰাইফল, এটা ৰেজিমেণ্টত ১৪৬০ জন লোক আৰু ১৮৯টা পিস্তল আৰু ৯৫৪টা ৰাইফল থাকিব লাগে।

গৰিলা যুদ্ধৰ আন এজন অন্যতম বিশাৰদ হল আৰ্নেষ্টে-চে-গুৱাভেৰা—লেটিন আমেৰিকাৰ বিখ্যাত বিপ্লৱী বীৰ। আমেৰিকাৰ চকুৰ কুটা—"Fox of all trouble."

চে গুৱাভেৰাৰ জন্ম হয় আৰ্জেন্‌টিনাত। আৰ্জেন্‌টিনাৰ ৰাজপথত অত্যাচাৰী শাসনত অতীষ্ঠ হৈ যিজনে দেখিছিল— এখন সাম্য, শোষণমুক্ত পৃথিবীৰ ছবি। ১৯৫৩ চনত তেওঁ মেডিচিনৰ স্নাতক হয় আৰু কিউবাৰ বিপ্লৱৰ এজন অন্যতম গঢ় দিওঁতা। গুৱাভেৰা মাওৰ শিষ্য। "Che Guevara's manuel 1960" তেওঁৰ বিখ্যাত পুথি। এইজনা বিশ্ববিখ্যাত বিপ্লৱীৰ অলপ দিনৰ আগতে বলিভিয়াৰ অৰণ্যাঞ্চলত সুদূৰত অৱস্থাত "বলিভিয়ান ৰেঞ্জাৰ্চৰ" হাতত মৃত্যু ঘটে। ই এক বিবদমান বিষয়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে তেওঁৰ Diary অলপতে কিউবাৰ পৰা প্ৰকাশ হৈছে। কিতাপখনৰ নাম "E'even months in the life of "Che."

মূল কথাৰপৰা বহুত আঁতৰি অহিলো। ন্গুগুৱেন গিয়াপৰ আৰু হো-চি-মিনৰ নেতৃত্বত ঐতিহাসিক "ডিয়েন বিয়েন ফুৰ" যুদ্ধত ফৰাচী বাহিনীৰ বিষমৰূপে খটুৱায়। এই যুদ্ধৰ প্ৰধান সেনানায়ক আছিল ন্গুগুৱেন গিয়াক। এই যুদ্ধই প্ৰমাণ কৰে যে মানুহৰ মুক্তিৰ অদম্য স্পৃহাক পৃথিৱীৰ কোনো শক্তিয়ে ৰোধ কৰিব নোৱাৰে। এতিয়া অলপ কওঁ ভিয়েটনামৰ দুজন প্ৰধান মুক্তিযোদ্ধা গিয়াপ আৰু হো-চি-মিনৰ বিষয়ে। আজিঁকৰ ওপৰত আলোচনা নকৰিল যেনেকৈ কৱিতাৰ ওপৰত কৰা আলোচনা সম্পূৰ্ণ নহয় সেইদৰে এই দুজনৰ কথা নকলে ভিয়েটনামৰ ওপৰত কৰা আলোচনাও অসম্পূৰ্ণ হৈয়েই ৰব।

অবিস্মৰণীয় মুক্তি যুদ্ধা এই জেনেৰেল গিয়াপ। বৰ্ত্তমান উত্তৰ ভিয়েটনামৰ প্ৰতিৰক্ষা মন্ত্ৰী ! পশ্চিমৰ মহা মহা ৰণকৌশল বিদৰ অনিদ্ৰাৰ কাৰণ। লিন পিয়াও, চে-গুৱাভেৰাৰ দৰে এওঁও ইয়েনানত মাও-চে-টুঙৰ ঘৰত গৰিলা যুদ্ধৰ শিক্ষা লাভ কৰে। প্ৰথমতে এওঁ ইতিহাসৰ ছাত্ৰ আছিল। গৰিলা যুদ্ধৰ ওপৰত লিখা এওঁৰ কেইবাখনো কিতাপ আছে। তাৰ ভিতৰত (i) "Pecple's war, People's Army;(ii)A heroic peoples : Memories from the Revolution আদিয়েই প্ৰধান। গৰিলা যুদ্ধৰ ওপৰত এওঁৰ কেইটামান অমৰ উক্তি তলত দিয়া হৈছে।

(i) Gurrilla warfare is the means whereby the people of a weak badly equipped can stand up against an aggressive army possessing better equipment and technique.

ডিয়েন বিয়েন মুৰু যুদ্ধৰ বিষয়ে গিয়াপে এইদৰে কৈছে—

"Dien Bien phu moved the people's Resistance war from a series of local counter offensives to a great counter offensive, from strategic initiative only on the northern front to initiative on all fronts.

ভিয়েটনামৰ আনজন বীৰ মুক্তি যুদ্ধা হ'ল হো-চি-মিন। বৃদ্ধ এই জননায়ক বৰ্ত্তমান উত্তৰ ভিয়েটনামৰ ৰাষ্ট্ৰপতি। একেধাৰে কবি, শিল্পি আৰু স্বাধীনতাৰ মহান যুজাৰু। ৰহস্যময় এটা চৰিত্ৰ। সমগ্ৰ দেশবাসীৰ শ্ৰদ্ধাৰ "Uncle'Ho."

ভিয়েন বিয়েন ফুৰ যুদ্ধৰ পাচত যুদ্ধবিৰতিৰ বাবে ১৯৫৪ চনৰ ২০ জানুৱাৰীত জেনেভাত শান্তি সন্মিলন বহিল। অনেক যুক্তিতৰ্কৰ পাচত ইংলণ্ডৰ প্ৰধান মন্ত্ৰী ইডেনৰ প্ৰস্তাৱ গৃহীত হ'ল। ষষ্ঠ অধ্যায় আৰু ৩৪ অনুচ্ছেদত বিভক্ত শান্তি চুক্তি গৃহীত হ'ল। ভৌগলিক ১৭ অক্ষাংশত ভিয়েটনাম বিভক্তিত হল। বিশেষ মন কৰিব লগা কথা এইয়ে যে সেই সন্মিলনত আমেৰিকাই যোগদান কৰা নাছিল। শান্তিচুক্তিৰ পাচত উত্তৰ ভিয়েটনামত হো-চি-মিনৰ নেতৃত্বত চৰকাৰ প্ৰতিষ্ঠা হল আৰু দক্ষিণ ভিয়েটনামত বাওদাইৰ নেতৃত্বত চৰকাৰ গঠন হল। এই সময়তে ভিয়েতনামৰ ৰঙ্গমঞ্চত আমেৰিকাৰ প্ৰবেশ ঘটে। আমেৰিকাৰ প্ৰৰোচনাত বাওদাই চৰকাৰ ভঙ্গ হয় আৰু নগো-দিন দিয়েমৰ চৰকাৰ গঠিত হয়। কমিউনিষ্টৰ গৰাহৰপৰা মুক্ত বিশ্বক ৰক্ষা কৰাৰ অজুহাতত ভিয়েটনামত আমেৰিকাৰ প্ৰবেশ হয়। কেথলিক নগো দিন ডিয়েমৰ অত্যাচাৰত সংখ্যাগৰিষ্ঠ সকল অতিষ্ট হয় আৰু দেশত প্ৰবল অৰাজকতা চলে। ডিয়েমৰ ভাই বোৱাৰিয়েক মাডাম নু ভিয়েটনামৰ ৰাস্থ পুটিন হৈ পৰিল। কেথলিক ডিয়েমৰ অত্যাচাৰৰ প্ৰতিবাদকল্পে বহুত বৌদ্ধ সন্ন্যাসী আত্মজাহ গল। দেশৰ এই চৰম অৰাজকতাৰ সময়ত ইমানদিনে সুপ্ত হৈ থকা দেশপ্ৰেমীক সংস্থাবোৰ মূৰ ডাঙি উঠিল। ১৯৬০ চনৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখে জাতীয় মুক্তি মৰ্চ্চা বা NLF গঠন হয়। ই এটা ৰাজনৈতিক সংস্থা আৰু এই সংস্থা গঠন হোৱাৰ দুবছৰৰ আগলৈকে ভিয়েটনামত কোনো গৰিলা যুদ্ধ হোৱা নাছিল।

Doctrine বা General uprising doctrine গ্রহণ কৰে। আৰু ইয়াৰ সভাপতি হিচাবে নুগু-ৱেন-হু-থু-নিৰ্ব্বাচিত হয় আৰু তেওঁলোকে "Ten-point Manifesto" গ্রহণ কৰে। সেই কেইটা হল —

(1) Establish a coalition Government.
(11) Prmote democracy
(11I) Develop the Economy
(iv) Institute land reform
(v) Promote Education
(vi) Develop the Armed force
(vii) Protection of minority rights
(viii) Pursue a nonaligment forign policy
(ix) Work of Reunification
(x) Condemnation of war.

এইদৰে জাতীয় মুক্তিমৰ্চ্চা গঢ়ি উঠে। ইয়াৰ কাৰ্য্যকৰী কমিটি ১৪ জান সভ্যৰে গঠিত হয় আৰু তাৰ ভিতৰত ৩ গৰাকী মহিলা। তলত দিয়া "টেবুলৰ" পৰা জাতীয় মুক্তি মৰ্চ্চাৰ কাৰ্য্যকলাপ আমি ভালদৰে জানিব পাৰো :—

মতে লাওচৰ সীমান্তত গভীৰ অৰণ্যাঞ্চলত এওঁলোকৰ প্ৰধান ঘাটি অৱস্থিত। এই সংগ্ৰামত মহিলা সকলেও সমানে অংশ গ্ৰহণ কৰে। জাতীয় মুক্তিমৰ্চ্চাৰ বিজ্ঞপ্তিত পুৰুষ আৰু নাৰীৰ সম-অধিকাৰৰ কথা বাৰে বাৰে কোৱা হৈছে। আৰু জাতিয় মুক্তি মৰ্চ্চাৰ সৈন্য বাহিনীৰ উপ সেনাধিনায়ক এগৰাকী মহিলা নুগুৱেন-থি-ডিন।

দক্ষিণ ভিয়েটনামৰ "পুতলা চৰকাৰৰ" অৱস্থা শোচনীয় দেখি ১৯৫৪ চনৰ অক্টোবৰ মাহত সেই সময়ৰ মাৰ্কিন প্ৰেচিডেণ্ট ডুৱেট আইচেন-হাৱাৰে দক্ষিণ ভিটেনামৰ প্ৰেচিডেণ্ট ডিয়েমক জনায় যে তেওঁলোকে এখন "Strong, viab'e state capab'e of resisting a'l attempted subversion or agression through military means" কামনা কৰে আৰু ভিয়েট-কঙ গৰিলাৰ কাৰ্য্যকলাপ লক্ষ্য কৰিবলৈ ২০০ পৰামৰ্শদাতা প্ৰেৰণ কৰে। ইয়াৰ পাচত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মানাত ডিয়েমৰ প্ৰয়োজন শেষ হৈ আহে আৰু এক গৃহযুদ্ধত প্ৰেচিডেণ্ট নগো-দিন-দিয়েম নিহত হয়। এই হত্যাকাণ্ডত যুক্তৰাষ্ট্ৰৰ হাত আছিল নে সি এক বিবাদমান

| বছৰ | দুৰ্ঘটনাৰ সংখ্যা | সামৰিক আক্ৰমণ | অপহৰণ | হত্যাকান্ত |
|---|---|---|---|---|
| ১৯৬১ | ৫০০ | সামান্য | সামান্য | ১,৩০০ |
| ১৯৬২ | ১৯,০০০ | ১৩,০০০ | ৯,০০০ | ১,৭০০ |
| ১৯৬৩ | ১৯,৫০০ | ১৫,০০০ | ৭,২০০ | ২,০০০ |
| ১৯৬৪ | ২৫,৫০০ | ১৫,৫০০ | ১,৫০০ | ৫০০ |
| ১৯৬৫ | ২৬,৫০০ | ১৫,৫০০ | ১,৭০০ | ৩০০ |

জাতীয় মুক্তি মৰ্চ্চাৰ এই সংগ্ৰামত আবাল বৃদ্ধ বণিতা সকলোৱে অংশ গ্ৰহণ কৰে। এইদৰে যুদ্ধ চলি থাকে। পশ্চিমীয়া সমৰ বিশেষজ্ঞ সকলৰ

বিষয়। মৃত্যুৰ সময়ত প্ৰেচিডেণ্ট ডিয়েম অসহায় হৈ পৰিছিল। সেই সময়ৰ মাৰ্কিন প্ৰেচিডেণ্ট কেনেডিয়েও হয়তো ভাৱিব পৰা নাছিল যে

নিয়তিয়ে তেওঁৰ ফালে চাই ক্ৰূৰ হাহি মাৰিছে। কিয়নো বৰ্ণবৈষম্যৰ বাবে কুখ্যাত দক্ষিণাঞ্চলৰ ডালাছত প্ৰেচিডেণ্ট কেনেডি আততায়ীৰ হাতত নিহত হয়।

প্ৰেচিডেণ্ট কেনেডিৰ পাছত জনছন যুক্ত-ৰাষ্ট্ৰৰ প্ৰেচিডেণ্ট হয় আৰু এজাক "হক" আৰু "ডভৰ" প্ৰৰোচনাত ভিয়েটনামত মাৰ্কিন সমৰসজ্জা বৃদ্ধি পায়। ডানাং, বিয়েন হোৱা, কামৰাণ উপসাগৰত অত্যাধুনিক সমৰাস্ত্ৰৰে মাৰ্কিন সামৰিক ঘাটি গঢ়ি উঠে। পেণ্টাগন আৰু মাৰ্কিন সামৰিক দপ্তৰ সক্ৰিয় হৈ উঠে। প্ৰতিৰক্ষা সচিব মেকনামাৰাৰ ঘনে ঘনে ভিয়েট-নামলৈ আগমন হয়। এই সময়তে দক্ষিণ ভিয়েটনামত ক্ষমতাৰ কন্দল আৰম্ভ হয়। অৱশেষত জেট বিমান চালক নুগুয়েন কাওকী দক্ষিণ ভিয়েটনামৰ প্ৰধান মন্ত্ৰী হয়। জলে, স্থলে, আকাশে ভিয়েটকং গৰিলাৰ ওপৰত আক্ৰমণ বৃদ্ধি পায়। গুৱাম, এটেপো. অকিনাৱা আদিৰ ভিয়েটনামৰ বাহিৰৰ ঘাটি সমূহৰ পৰাও আঠোটা ইঞ্জিন যুক্ত B–52 বিমানৰ আক্ৰমণ চলে।

সমৰ বিশেষজ্ঞ ডক্টৰ ষ্ট্ৰেলীৰ তত্বাৱধানত ভিয়েটনামবাসীক ভিয়েটকঙৰ পৰা বিচ্ছিন্ন কৰিবলৈ "White Zone" বা "stretegic vil'age" গঢ়ি উঠে। কিন্তু ইমানবোৰ আক্ৰ-মণতো ভিয়েটকং গৰিলা অনমনীয়। এজন এজনকৈ আমেৰিকাৰ ৰাষ্ট্ৰদূত সলনি হয়। প্ৰথমতে আহে নলটিং ক্ৰমে কেবটলজ. মেক্স-ওৱেল টেইলৰ, এলছৱৰ্থ বাঙ্কাৰ ৰাষ্ট্ৰদূত হয়। আমেৰিকাৰ দুইলাখতকৈ অধিক সৈন্যবাহিনীৰ সৰ্ববাধিনায়ক স্বৰূপে আহে জেনেৰেল ওৱেষ্ট-মোৰলেণ্ড, সামৰিক শক্তিৰে বলীয়ান আমে-ৰিকাই আন্তৰাষ্ট্ৰীয়ভাৱে নিষিদ্ধ নাপামবোমা আৰু গেচ ব্যৱহাৰ কৰে। এই গেচৰ ভিতৰত "omega chloroacetophenon, phenar-sazin-chloride আদিয়েই প্ৰধান। এই গেচ-যুদ্ধৰ সপক্ষে যুক্তি দেখুৱাই যে গেচ ব্যৱহাৰ কৰা হয় "temporary means to paralize the enemy force".

এটাৰ পিচত এটা "অপাৰেশন" বা ৰণবেহু পৰিচালনা কৰিও ভিয়েটকং গৰিলাৰ আক্ৰমণৰ তীব্ৰতা হ্ৰাস কৰিব পৰা নাযায়। ইফালে ভিয়েটনামলৈ নামি আহে মনচুন। আৰু ইয়াৰ ফলত দুৰ্গম অঞ্চলত ভীয়েটকংঙৰ তৎপৰতা বৃদ্ধি পায়। যুদ্ধই দক্ষিণ ভিয়েটনামৰ অৰ্থ-নীতিত প্ৰভাৱ বিস্তাৰ কৰে। অত্যধিক মাৰ্কিন সৈন্যৰ আগমনত দেশত খাদ্য অনাটন ঘটে। মানুহৰ নৈতিকতাবোধৰ পতন ঘটে। প্লেগ মহামাৰীয়ে দেখা দিয়ে। এই দৰে যুদ্ধ চলি থাকে।

১৯৬৪ চনৰ আগষ্ট মাহত সমস্যাৰ দ্ৰুত পৰিবৰ্ত্তন ঘটে। আনবিক শক্তিৰে চালিত ক্ষেপণাস্ত্ৰৰে সজ্জিত মাৰ্কিন সপ্তম নৌবাহিনীৰ দুখন যুদ্ধজাহাজ "টিকেণ্ডাৰোগা" আৰু "মেডক্সৰ" ওপৰত টংকিন উপসাগৰত উত্তৰ ভিয়েটনামী তহলদাৰী নাৱৰ আক্ৰমণ হোৱা বুলি আৰু তথাকথিত উত্তৰ ভিয়েটনাম, লাওচ আৰু দক্ষিণ ভিয়েটনামৰ সীমান্তত অৱস্থিত তথাকথিত "হো-চি-মিন টেইলেদি" উত্তৰ ভিয়েটনামী সৈন্যৰ অনুপ্ৰৱেশ আৰু যুদ্ধ-সৰঞ্জাম অহা বুলি অভিযোগ তুলি আমেৰিকাই উত্তৰ ভিয়েটনামৰ ওপৰত অবিৰাম বোমাবৰ্ষণ কৰিবলৈ লয়। এই নাৰকীয়

কাৰ্য্যত বিশ্বৰ সকলো প্ৰগতীবাদী দেশে প্ৰতিবাদ জনায় যদিও মদমত্ত আমেৰিকা অচল অটল হৈ থাকে । আমেৰিকাই জনায় .যে তেওঁলোকে সামৰিক গুৰুত্বপুৰ্ণ অঞ্চলতহে বোমাবৰ্ষণ কৰিছে জনবসতিপুৰ্ণ অঞ্চলত .আক্ৰমণ চলোৱা নাই। কিন্তু আমেৰিকাৰ এই কথা মিছা বুলি প্ৰমাণিত হয় কাৰণ "New York Times"ৰ এজন বিশিষ্ট সংবাদদাতা হেৰিচন চালিচবাৰীয়ে উত্তৰ ভিায়টনামৰ ক্ষতিগ্ৰস্থ অঞ্চল ভ্ৰমণ কৰি যি বিবৃতি দিছে তাৰ লগত আমেৰিকাৰ কথাৰ একেবাৰে মিল নাই ।

বৰ্ত্তমান ভিয়েটনামত আমেৰিকা আৰু মিত্ৰ পক্ষ ( দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া, থাইলণ্ডে ইত্যাদি ) তিনি লাখতকৈয়ো অধিক। জাতীয় মুক্তি মৰ্চ্চাৰ সৈন্য সংখ্যা অলপতে আমেৰিকাৰ পৰৰাষ্ট্ৰ সচিব ডীনৰাস্কৰ বিবৃতিমতে ১৭০,০০০ জন। সৰ্ব্বাধুনিক মাৰণাস্ত্ৰৰে সুসজ্জিত আমেৰিকাই কিয় এই মানুহজাকক বশ কৰিব পৰা নাই সি বিশ্বৰ বাবে এক বিস্ময় স্বৰূপ । কি সেই মহান শক্তি ! এবাৰ হেনো ফ্ৰেডেৰিক ডিগ্ৰেটে ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে প্ৰশ্ন কৰোতে তেওঁৰ লুথাৰিয়ান ধৰ্ম্মযাজকে দুটি শব্দৰে উত্তৰ দিছিল "the jews" সেই দৰে ভিয়েটকঙৰ শক্তিৰ উৎস হল "the people" জনসাধাৰণৰ অকুণ্ঠ সমৰ্থনেই ভিয়েটকঙৰ প্ৰধান সম্বল। আনকি সৰু সৰু লৰাবোৰেও এই যুদ্ধত অংশ গ্ৰহণ কৰিছে। এবাৰ ডানাং বিমান ঘাটিৰ ওপৰত আক্ৰমণ চলোৱা ভিয়েটকংবোৰৰ বেচি ভাগেই আছিল কিশোৰ।

বিশ্বৰ ৯ খন দেশত ভিয়েটকং সকলৰ ৰাজনৈতিক দূত আছে। যদিও যুদ্ধক্ষেত্ৰত ভিয়েটকং—সকল নিষ্ঠুৰ তথাপি বন্দি সকলক এওঁলোকে কৰা ভদ্ৰ ব্যৱহাৰৰ কথা ফৰাচী নাৰ্চ মিচগালাৰ, জাপানী সাংবাদিক নাকামুৰা অৰু ফৰাচী ফ্ৰিলেন্স জাৰ্নেলিষ্ট মিচ মাইকেল ৰেই অকুণ্ঠচিত্তে স্বীকাৰ কৰিছে। ভিয়েটকং সকলৰ প্ৰচাৰৰ কাৰণে নিজস্ব বেতাৰ কেন্দ্ৰ, সংবাদ পত্ৰ আছে । ইয়াৰ ওপৰিও তেওঁলোকে বহুতো কথাছবিও নিৰ্মাণ কৰিছে । তাৰ ভিতৰত "Blooming seasm" "Heroic south" আদিয়েই প্ৰধান ।

ভিয়েটনামৰ যুদ্ধৰ শেষতীয়া বাতৰি হল দক্ষিণ ভিয়েটনামৰ প্ৰায়ে আটাইকেইখন ডাঙৰ নগৰ আৰু প্ৰায়ে আটাইকেইটা সামৰিক ঘাটিত ভিয়েটকঙৰ আক্ৰমণ । যিটো Augest offensive নামে জনাজাত । ভিয়েটকংসকলে এই আক্ৰমণত বুদ্ধিজীৱী সকলৰ স্নায়ুকেন্দ্ৰ আৰু বিশ্ববিদ্যালয় চহৰ নামে জনাজাত হুৱেক দুসপ্তাহৰ বাবে অৱৰোধ কৰিবলৈ সমৰ্থ হৈছিল। উল্লেখযোগ্য যে ওৱেষ্টমোৰ লেণ্ডৰ কাৰ্য্যকাল শেষ হৈছে আৰু তেওঁৰ পৰিবৰ্ত্তে সোনাধিনায়ক হৈছে আব্ৰাহাম । প্ৰতিৰক্ষা সচিব মেকনামাৰাৰো কাৰ্য্যকাল শেষ হৈছে। দুৰ্গম খে-চান মাটিত ডিয়েন ভিয়েন ফুৰ পুনৰাবৃত্তি হব খোজা দেখি আমেৰিকাই নিজৰ মৰ্য্যদা ৰক্ষাৰ কাৰণে সেই মাটিৰ পৰা সৈন্য অপসাৰণৰ সিদ্ধান্ত লয় । ১৯৬৮ চনৰ এক এপ্ৰিলত প্ৰেচিডেণ্ট জনছনে দিয়া এটা ভাষণত তেওঁ উত্তৰ ভিয়েটনামৰ ওপৰত বোমা বৰ্ষণ হ্ৰাস কৰাৰ সিদ্ধান্তৰ কথা জনায় । জনচনৰ এই সিদ্ধান্তত বিশ্ববাসীয়ে এক আশাৰ ৰেঙনী দেখা পাইছে । এই সিদ্ধান্তৰ ফলস্বৰূপে পেৰিচত

উত্তৰ ভিয়েটনামী আৰু আমেৰিকা শান্তি আলোচনা বহে। আমেৰিকা দলৰ নেতৃত্ব দিয়ে এভাৰেল হেৰিমেনে আৰু উত্তৰ ভিয়েটনামক নেতৃত্ব কৰে জুৱান থূইয়ে! যদিও এইশান্তি আলোচনা বিশেষ আগবঢ়া নাই তথাপি বিশ্ববাসীয়ে ইয়াৰ ফলাফললৈ আগ্ৰহেৰে বাট চাইছে।

আমেৰিকাই কিয় এই যুদ্ধত অংশ গ্ৰহণ কৰিলে সি এক বিবদামান বিষয়। সামৰিক গুৰুত্বপূৰ্ণ দক্ষিণ পূব এচিয়াক কমিউনিষ্ট তথা চীনৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ আমেৰিকাই এই "পবিত্ৰ" দায়িত্ব গ্ৰহণ কৰিলে বুলি বহুতে কয়। বহুতে ইয়াক মৰ্য্যাদাৰ যুদ্ধ বুলিও কয়। কিয়নো মাও-চে-টুঙৰ "গৰিলা যুদ্ধৰ" ভিয়েটনাম আজি অগ্নি পৰিক্ষাস্থল হৈ পৰিছে। এই ক্ষেত্ৰত প্ৰেচিডেণ্ট কেনেডিৰ এটা উক্তি বিশেষ উল্লেখযোগ্য—

"Vietnam" represent the cornerstone of the free wor!d in South East Asia, the keystone to the aich, the finger in the dyke. Inside Burma, Thai'and, Phi'lipine, Laous, Combodia would be threatened if the fundamental tenets of this nation foreign policy, in short, depend considerab'e measure upon a strong and free vietnam."

তথাকথিত মুক্ত বিশ্বৰ ৰক্ষাৰ নামত গৃহকন্দল জৰ্জ্জৰিত (নিগ্ৰো সমস্যা) অমেৰিকাৰ এই দাবী এটা প্ৰহসন মাত্ৰ। যত মানুহৰ সমান অধিকাৰ দাবী কৰোতে। মাৰ্টিন লুথাৰ কিঙৰ দৰে মহান অহিংসাবাদী নেতাৰ মৃত্যু হয়।

সমগ্ৰবিশ্বতে এই যুদ্ধৰ প্ৰতিবাদ হৈছে। পশ্চিমীয়া গোষ্ঠিৰ অন্যতম অংশীদাৰ ফ্ৰান্সেও মুক্ত ভাবে আমেৰিকাক সমালোচনা কৰিছে। পৃথিবীৰ সকলোতে এই যুদ্ধৰ প্ৰতিবাদ কল্পে সভা শোভাযাত্ৰা, আত্মাহুতি আৰম্ভ হৈছে। বিশ্ববিখ্যাত গণিতজ্ঞ আৰু দাৰ্শনিক ৰাছেলে আমেৰিকাক যুদ্ধঅপৰাধী বুলি ঘোষণা কৰিছে। এই যুগৰ আন এজন মহানলেখক অস্তিত্ববাদি জ্যাপল-চাৰ্ট্ৰেও এই যুদ্ধৰ বাবে অমেৰিকাক দোষী কৰিছে। বিশ্বৰ প্ৰগতিবাদী লিখক সকলে অমেৰিকাৰ এই কাৰ্য্যক গৰিহনা দিছে। বিখ্যাত আমেৰিকান নাট্যকাৰ আৰ্থাৰ মিলাৰ, যৌবনৰ গান কৰি ইভটচেঙ্কো আদিয়ে এই যুদ্ধৰ প্ৰতিবাদ কৰিছে।

আন্তৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ আয়োগৰ সদস্য ভাৰতে অবিলম্বে উত্তৰ ভিয়েটনামত বিনাচৰ্ত্তে বোমা বৰ্ষণ বন্ধ হোৱাটো বিচাৰে। ৰাষ্ট্ৰসঙ্ঘৰ সচিব প্ৰধান উ-থাণ্টৰ মতে ভিয়েটনামৰ শান্তি আলোচনাৰ প্ৰথম কথা হল উত্তৰ ভিয়েটনামৰ ওপৰত বোমাবৰ্ষণ বিনাচৰ্ত্তে বন্ধ কৰা। সমগ্ৰ পৃথিবীৰ শান্তিকামী জনতাৰ লগতে আমিও সেই দুৰ্ভগীয়া দেশলৈ শান্তি নামি অহাৰ শুভ দিনলৈ বাট চাইছো। আমি আশা কৰো এটা সন্মানিত চুক্তিত আমেৰিকাই ভিয়েটনামৰ পৰ সৈন্য অপসাৰণ হোৱাটো বিচাৰো। নহলে অনিৰ্দিষ্ট কাললৈকে ভিয়েটনামত মাটি ৰক্ত ৰঞ্জিত হব। কিয়নো ভিয়েটকঙবোৰ মুক্তিৰ বাবে শেষলৈকে যুজিবলৈ প্ৰস্তুত। "ভয়েটনামৰ মাটিত যেতিয়ালৈকে ঘাঁহ জন্মিব, বাৰুদৰ গোন্ধলৈ মাতৃ উদৰৰ পৰা ৰক্ত বীজৰ দৰে মুক্তিসেনা জন্ম হব। তেওঁলোকৰ চকুত ভাহিব মুক্তিৰ অনাগত মুহূৰ্ত্তৰ কথা। আৰু তাৰ পাছত—

"তাৰ পাচত এনে এটা দিন আহিব আ কাঢ়ি নক্ষত্ৰৰ দৰে উজ্বল আকাশৰ শ্বেতকৰবীক ভালপোৱা, ভালপোৱা আৰু ভালপোৱাৰে মঞ্জুৰিত কৰি তুলিম।"

( ক্ৰমবিকাশৰ চমু ইতিহাস )

# হিন্দী সাহিত্যৰ ৰূপৰেখা

পানীন্দ্ৰ কুমাৰ বৰ্ম্মণ
( ২য় বাৰ্ষিক বিজ্ঞান )

"প্ৰত্যেক জাতিৰেই নিজস্ব ভাষা আছে, আৰু সেই সেই ভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠে। ভাষা বৃক্ষৰ সাহিত্য সৌৰভম পুষ্পস্বৰূপ। জাতীয় সাহিত্য জাতিৰ আশা-আকাংখা, আনন্দ-বেদনা আৰু ভাৱ-কল্পনাৰ প্ৰকাশৰ থল। সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্য্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত বৰ্ত্তমানৰ পৰিচয় আৰু ভবিষ্যত জীৱনৰ সম্ভাৱনাৰ ইঙ্গিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংকৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য্য। ১" ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ অন্তৰালত সদায় এখন বিশাল পৰম্পৰা পৰিলক্ষিত হয়। সমূহীয়া পৰিপ্ৰেক্ষিতত ভাষাৰ জন্ম আৰু বিকাশ সাধিবলৈ বহু সময়ৰ প্ৰয়োজন। স্থান-কাল-পাত্ৰ ভেদে এটা ভাষাই বিভিন্ন ৰূপ ধাৰণ কৰিব পাৰে। সংস্কৃত বা প্ৰাকৃত পূৰ্ববতে এটা ভাষাই আছিল। আধুনিক অসমীয়া, বঙলা, হিন্দী, মাৰাঠী, গুজৰাটী, ৰাজস্থানী, পাঞ্জাবী আদি ভাষাৰ উৎস এক আৰু এই প্ৰাকৃত বা সংস্কৃতৰ বিভিন্ন দৃষ্টিকোণৰ পৰিমাৰ্জ্জিত ভাষাই স্থান ভেদে বিভিন্ন ৰূপ লোৱাৰ ফলতেই একোটাহঁত ভাষাৰ সৃষ্টি। প্ৰত্যেক স্থানীয় ভাষাকে কথিত আ লিখিত—এই দুই ৰূপত বিভক্ত কৰিব পাৰি। কথিত ভাষা জনসাধাৰণৰ পৰম্পৰ বুজা বুজিৰ মাধ্যম আৰু এনে মাধ্যমতে সাহিত্য ন্যস্ত কৰিলে সাহিত্যিক ভাষা পাব পাৰি। ভাষাত সাহিত্যৰ নতুন ৰূপ দি ক্ৰমবিকাশৰ পথত আগুৱাবলৈ দিলে, ই মুখ্যতঃ পৰিমাৰ্জ্জিত হয়। ফলস্বৰূপে ক্ৰমশঃ ভাষাৰ অনুক্ৰমত পৰিস্কৃত ভাষাৰ বিকাশ সাধন হয়। এনে অনুক্ৰমতেই হিন্দী ভাষা সংস্কৃতৰ অন্য অথবা পৰিমাৰ্জ্জিত ৰূপ বুলি কৰা তথ্যমূলক আলোচনা হিন্দী সাহিত্যৰ ইতিবৃত্তত বিদ্যমান। হিন্দী ভাষা সাহিত্যৰ ক্ৰমানুসৰি নিম্নোক্ত পূৰ্ব্ব পৰম্পৰা নিতান্ত প্ৰয়োজন আৰু আলোচনা সন্মত।

(১) বৈদিক সংস্কৃত :—বৈদিক সংস্কৃতৰ প্ৰাচীনতম ৰূপ কেৱল ঋগ বেদতহে পোৱা যায়।

(২) সংস্কৃত :— বৈদিক ভাষাক পৰিমাৰ্জ্জন আৰু সংস্কাৰৰ দ্বাৰা ব্যাকৰণৰ সূত্ৰানুযায়ী উপস্থাপন কৰি সংস্কৃত ভাষাৰ সৃষ্ট কৰা হল। পূৰ্ব্বতে বৈদিক ভাষা তৎকালীন জনসমাজৰ মাজত প্ৰচলিত (কথিত) ভাষাৰ লগত অধিক সামঞ্জস্য আছিল। পৰবৰ্ত্তী কালত পাণিনি

১। অসমীয়া সাহিত্যৰ ইতিবৃত্ত : ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মা

ব্যাকৰণৰ আধাৰত সংস্কৃতক বৈদিক ভাষাৰ সান্নিধ্যৰ পৰা আঁতৰ কৰিলে।

(৩) প্ৰথম প্ৰাকৃত বা পালী :- ব্যাকৰণৰ সূত্ৰৰ আধাৰত প্ৰতিষ্ঠিত ভাষা লাহে লাহে জনসমাজত অপ্ৰচলিত হৈ আহিবলৈ ধৰিলে। আনহাতে কথিত ভাষা জনসমাজত অগাধ প্ৰচলন হল। তৎকালীন বৌদ্ধ সমাজত কথিত ভাষাই এক বিৰাট পৰিসৰ লাভ কৰিল। গৌতম বুদ্ধই নিজৰ উপদেশ সমূহ জনসাধাৰণৰ বোধগম্য হোৱাত ইয়াক সেঁাহাত স্বৰূপে ললে। বৌদ্ধ সমাজে এই ভাষাক মূল বা মাগধী ভাষা বুলি কৈছিল। পৰবৰ্ত্তী কালত ইয়াকেই পালী ভাষা বুলি অভিহিত কৰা হল। সমুদায় প্ৰাচীন বৌদ্ধ গ্ৰন্থ আৰু অশোকৰ শিলালিপি এই পালীভাষাত বৰ্নিত হৈছে। বহুতো পণ্ডিতৰ মতে প্ৰথম প্ৰাকৃত বা পালীভাষা সংস্কৃতৰ পৰা উদ্ভৱ হৈছে যদিও প্ৰধানতঃ তৎকালীন কথিত ভাষাৰ ব্যাপক প্ৰচলন আৰু ব্যাকৰণৰ দ্বাৰা প্ৰভাবন্বিত হোৱাৰ ফলত কথিত ভাষাৰ মৰ্য্যদা বাঢ়ি অহাৰ লগে লগে সংস্কৃতৰ সান্নিধ্যলৈ আহিছিল। ফলস্বৰূপে সংস্কৃত বা পালীভাষাৰ পাৰ্থক্যৰ সীমাস্বৰূপ নাছিল।

(৪) দ্বিতীয় প্ৰাকৃত :- দ্বিতীয় প্ৰাকৃতক সাহিত্যিক প্ৰাকৃত বোলা হয়। প্ৰথম প্ৰাকৃতত সাহিত্য সৃষ্টি হোৱাৰ লগে লগে ই গুনীসকলৰ ভাষা স্বৰূপে প্ৰচলন হল, আনহাতে কথিত ভাষাৰ অবিচ্ছিন্নতাক সময়ত অপভ্ৰংশ অবিহিত কৰা হল। স্থানভেদে এই সাহিত্যিক-পাকৃতৰ চাৰিৰূপ পৰিলক্ষিত হয়—মহাৰাষ্ট্ৰী. শৌৰসেনী, মাগধী আৰু অৰ্দ্ধ মাগধী। ইয়াৰ ভিতৰ মহাৰাষ্ট্ৰীয়েই মুখ্য আছিল। সমগ্ৰ দেশতে ইয়াৰ প্ৰচলন হৈছিল। শৌৰসেনী দেশৰ মধ্য ভাগত প্ৰচলন আছিল। গুনীসকলৰ মতে শৌৰসেনী তৎকালীন সমাজৰ মুখ্য ভাষা বিবেচিত হৈছিল। মগধত (বিহাৰ) মাগধী আৰু কোশলত (অবধ) অৰ্দ্ধ মাগধীৰ প্ৰচলন আছিল। চাৰি প্ৰাকৃতৰ উপৰিও তৎকালীন কাশ্মীৰী জনসমাজত পৈশাচী নামৰ পঞ্চম প্ৰাকৃত চলিছিল।

(৫) অপভ্ৰংশ :- কথিত বা থলুৱা ভাষাৰ ৰূপেই অপভ্ৰংশ। সাহিত্যিক প্ৰাকৃতৰ দৰেই ইয়াকো নিম্নোক্ত ধৰণে বিভক্ত কৰিব পাৰি :- (ক) নাগৰ ই গুজৰাট আৰু ৰাজ-পুতনাত প্ৰচলিত আছিল। ইয়াৰ ওপৰত শৌৰসেনীৰ অধিক প্ৰভাব পৰিলক্ষিত হয়। (খ) ব্ৰাচড় সিন্ধুৰ প্ৰচলিত ভাষা। কেউজন গুণীৰ মতে ব্ৰজভাষাৰ উৎপত্তি স্থলেই শৌৰসেনী। ইয়াৰোপৰি বিদ্বান সকলে প্ৰাচীন হিন্দীৰ এটা ৰূপ দেখুৱাইছে। অপভ্ৰংশ আৰু আধুনিক হিন্দীৰ মধ্যতে ইয়াৰ অৱস্থান নিৰ্ণয় কৰা হৈছে। সাহিত্যিক সকলৰ ভাষাত ইয়াক "অবহট্ট" বোলা হয়। প্ৰাচীন হিন্দীৰ বিকশিতৰূপেই আধুনিক হিন্দী।

সাহিত্যবিদ সকলৰ মতে ইং ১০০০ চনত হিন্দী ভাষাৰ প্ৰাৰম্ভিক সময় ধাৰ্য্য কৰা হৈছে যদিও ইয়াৰ পূৰ্ব্বে দুই-এজন কবি-সাহিত্যিকৰ লিখনিত হিন্দী ভাষা লিপিবদ্ধ হোৱা দেখা গৈছে। হিন্দী ভাষাৰ বিকাশ অনুযায়ী নিম্নোক্ত কাল বিভাজন যোগ্য—

(ক) প্ৰাচীনকাল (ইং১০০০ৰ পৰা ইং১৫০০ লৈকে)
(খ) মধ্যকাল (ইং ১৫০০ৰ পৰা ইং ১৮০০ লৈকে)
(গ) আধুনিক কাল (ইং১৮০০ৰ পৰা বৰ্ত্তমান লৈকে)

প্ৰাচীন কাল :— হিন্দী ভাষাৰ প্ৰাৰম্ভনি যদিও ইং ১০০০ চনৰ পৰা ধৰা হয়, কোনো

কোনো পণ্ডিতৰ মতে ইং ১০৫০ চনহে ধাৰ্য্য কৰা হৈছে। তথাকথিত ইং ১০০০ চনৰ পূৰ্বেও যিহেতু হিন্দী ভাষাৰ ৰেঙনি কবি পুষ্পৰ (ইং ৭১৫) অলঙ্কাৰ শাস্ত্ৰ, আব্দুল এৰাকীৰ ( ইং ৮৭০ ) কোৰাণৰ হিন্দী অনুবাদ আদিৰ পৰা পৰিস্ফুট হয়, মুখ্যতঃ চন ইং ১০০০ কেই প্ৰামাণিত লোৱা যুগুত। হিন্দী ভাষাৰ আৰম্ভনি কালছোৱাত ভাৰতবৰ্ষত মুছলমানী আক্ৰমণ সংঘটিত হৈছিল। ফলস্বৰূপে প্ৰাকৃত আৰু অপ-ফলস্বৰূপে প্ৰাকৃত আৰু অপভ্ৰংশৰ উপৰিও আৰবী, ফাৰ্চী আৰু তুৰ্কী ভাষাৰ স্থাপনীয় সংমিশ্ৰণ আৰু প্ৰভাবৰ ফলত হিন্দী ভাষা অগতিমুখী হৈছিল। এই পৰিপ্ৰেক্ষিতত হিন্দী ভাষাৰ সৃষ্টিশীল গতিক্ৰিয়া বহুমুখী হোৱাত ভাষা আৰু শব্দ গঠনত স্বকীয়তা লোপ পাইছিল।

"১০০০ খ্ৰীষ্টাব্দ মানত নব্য-ভাৰতীয় আৰ্য্য ভাষা সমূহৰ যুগ আৰম্ভ হয়, প্ৰাকৃত সমূহ স্থানীয় অপ্ৰভ্ৰংশ বোৰৰ যোগেদি আধুনিক ভাৰতীয় ভাষাত পৰিণত হয়। মুঠভাবে ক'বলৈ গলে দশমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰতে এই ভাষাবোৰৰ জন্ম। অপ্ৰভ্ৰংশৰ পৰা আধুনিক ভাষা হঠাতে ওলোৱা নাছিল। ত্ৰয়োদশ শতিকাৰ চন্দ বৰ্দাইৰ "প্ৰিথ্বীৰাজ ৰাসৌ' কাব্যত অৰ্ব্বাচীন অপভ্ৰংশ আৰু পত্ন পশ্চিমা হিন্দীৰ মিশ্ৰণ এটা দেখা পোৱা যায়।" ২ বিদ্যাপতিৰ পদাৱলীত প্ৰধানতঃ মৈথিলী ভাষাৰ অধিক প্ৰভাৱ আছিল। কবীৰৰ ভাষাৰ মূলৰূপ হিন্দী হয় নে নহয় তাক সঠিক কৈ কব নোৱাৰি। এই সময়ত কেৱল অমীৰ খুসৰোৰ লিখনিতহে হিন্দী ভাষাৰ সাহিত্যিক ৰূপ পোৱা যায় বুলি পণ্ডিতসকলে কয়। খুসৰোৱে মুছমান জনসমাজত হিন্দীৰ প্ৰচাৰ কৰিছিল। এইদৰে চাৰি দিশৰ সংমিশ্ৰত আৰবী, ফাৰ্চী আৰু তুৰ্কী আদিৰ শব্দই হিন্দী ভাষাৰ পৰিসৰ বৃদ্ধি কৰাইছিল।

মধ্যকাল :— এই কালছোৱাত হিন্দী ভাষাৰ তিনিটা বিশেষৰূপ-কথিত ভাষা, ব্ৰজভাষা, অবধীৰ ভিতৰত ব্ৰজ আৰু অবধীৰ বিকাশ হৈছিল। কথিত বা থলুৱা ভাষাত এধানমান সাহিত্যহে পোৱা যায়। ব্ৰজ আৰু অবধী ভাষা তৎকালীন ধৰ্মীয় আন্দোলনৰ মধ্যমৰূপে ব্যৱহৃত হোৱাত বিকাশৰ এটি উৎস পাইছিল ; আনহাতে কথিত বা থলুৱা ভাষাৰ তেনে কোনো সুবিধা নহৈছিল। মোগল শাসক সকলে জনসাধাৰণৰ মাজত সম্বন্ধ স্থাপন কৰিবৰ কাৰণে হিন্দী ভাষাকেই ভাব বিনিময়ৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰিছিল। সাধু কবীৰৰ লিখনিত অবধী ভাষা পোৱা যায়। ইয়াৰোপৰি জায়সী, তুলসীদাস আদিয়ে তেওঁলোকৰ কাব্য-সাহিত্যত অবধীৰ প্ৰচলন কৰাইছিল। তুলসী দাসৰ পাচৰ পৰাই কৃষ্ণ ভক্তিৰ উৎকৰ্ষতা বাঢ়ি অহাৰ লগে লগে ব্ৰজ ভাষাই অবধীৰ ঠাই অধিকাৰ কৰিলে আৰু কালক্ৰমে সমগ্ৰ উত্তৰ ভাৰতত ব্ৰজ ভাষাই বিৰাত পৰিসৰ লাভ কৰিলে। কবি সুৰদাসে ব্ৰজভাষাৰ প্ৰথম সাহিত্যিক ৰূপ দিছিল। সুৰদাসৰ পাচত নন্দদাস, কুম্ভনদাস হিতহৰিবংশ, পৰমানন্দ, ব্যাস আদিয়ে ব্ৰজ ভাষাক নতুন ৰূপ দান কৰিছিল। মুছলমান কবি ৰসখান, আলম আদিয়েও ব্ৰজভাষাক আকোঁৱালি লৈছেল। ৰীতিকালতো বিহাৰী, দেব, পদ্মাকৰ আদিৰ পৃষ্ঠপোষকতাত ব্ৰজ ভাষাই পূৰ্ণতা লাভ কৰিছিল। ব্ৰজ ভাষাৰ

২। অসমীয়া সাহিত্যৰ ৰূপৰেখাঃ শ্ৰীমহেশ্বৰ নেওগ।

এই প্ৰগতিৰ অন্তৰালতে উত্তৰ ভাৰতত কথিত বা থলুৱা ভাষাৰ প্ৰচাৰৰ অন্তৰায় দেখা দিছিল। অমীৰ খুসৰোৰ সময়লৈকেহে থলুৱা ভাষাত সুন্দৰ কাব্য ৰচিত হৈছিল। কাল-ক্ৰমত ই দক্ষিণ ভাৰতত প্ৰসাৰতা লাভ কৰি 'দক্ষিণী হিন্দী' নামেৰে পৰিচিত হল আৰু লাহে লাহে দক্ষিন ভাৰতৰ অনেক কবিৰ পৃষ্ঠপোষকতা লাভ কৰিলে। ই যি কি নহওক, আধুনিক কালত ব্ৰজ আৰু অবধীভাষাক হেঁচা দি থলুৱা ভাষায়েই প্ৰধানতঃ সাহিত্যিক ভাষা হিচাবে ব্যবহৃত হল।

আধুনিক কালঃ— আধুনিক কালতেই হিন্দীয়ে পূৰ্ণতা লাভ কৰিলে বুলি কলেও ভুল কৰা নহয়। মধ্য যুগত ধৰ্ম্ম সম্বন্ধীয় আলাপ-আলোচনাৰ মূলতে ব্ৰজ-ভাষাই বিস্তৃতি লাভ কৰিছিল যদিও আধুনিক কালত ৰাজ-নৈতিক দিশলৈ থলুৱা ভাষাই প্ৰসাৰতা লাভ কৰিলে। আধুনিক কালত সাহিত্যৰ পৰিসৰ বাঢ়ি অহাৰ লগে লগে গদ্য সৃষ্টিৰ মূলভাষা হল থলুৱা ভাষা। সাহিত্যিক ক্ষেত্ৰত ভাৰতেন্দু হৰিশ্চন্দ্ৰ আৰু ধৰ্ম্মীয় ক্ষেত্ৰত দয়ানন্দৰ বৰঙণিয়ে থলুৱা ভাষাক এক নতুন ৰূপ দান কৰি থৈ গল। গদ্য নিৰ্ম্মাতা হৰিশ্চন্দ্ৰ, বিশাল হিন্দী ভাষা-সাহিত্যৰ মাইলৰ খুটি স্বৰূপ। ১৯শ শতিকাৰ শেষলৈকে কাব্যৰ ভাষা আছিল ব্ৰজভাষা আৰু গদ্য-ভাষাৰ ঠাই অধিকাৰ কৰিছিল থলুৱা ভাষাই। এই পৰিপ্ৰেক্ষিতত হিন্দী-ভাষা-সাহিত্যৰ অন্যতম সাহিত্যবিদ মহাবীৰ প্ৰসাদ দ্বিবেদীয়ে (হৰিশ্চন্দ্ৰৰ সম-সাময়িক) দুয়োটা ভাষাৰ ভেদ ভাঙি থলুৱা ভাষাকেই গদ্য আৰু পদ্য উভয়তে প্ৰয়োগ কৰিলে। ফলস্বৰূপে ব্ৰজভাষাৰ প্ৰচাৰ হ্ৰাস পাই আহিল। স্থান-কাল-পাত্ৰ ভেদে ব্ৰজভাষা অৱহেলিত হোৱাত বিংশ শতিকাত থলুৱা ভাষাতেই হিন্দী ভাষা-সাহিত্যৰ বিকাশ সাধন হবলৈ ধৰিলে।

হিন্দী সাহিত্যৰ কাল বিভাজনঃ—

আচাৰ্য ৰামচন্দ্ৰ শুক্লদেৱে নিম্নোক্ত ধৰণে হিন্দী সাহিত্যৰ কাল বিভাজন কৰিছেঃ—

(১) আদিকাল (বীৰচৰ্য্যক কাল, সম্ভবতঃ ইং ১০৫০ৰ পৰা ইং ১৬৭৫ লৈকে)


(২) পূৰ্ব মধ্যকাল (ভক্তিকাল, সম্ভবতঃ ইং ১৬৭৫ৰ পৰা ইং ১৭০০ লৈকে)

(৩) উত্তৰ মধ্যকাল (ৰীতিকাল, সম্ভৱতঃ ইং ১৭০০ৰ পৰা ইং ১৯০০ লৈকে)

(৪) আধুনিক কাল (গদ্য কাল, সম্ভবতঃ ইং ১৯০০ৰ পৰা বৰ্ত্তমান লৈকে)

হিন্দী সাহিত্যৰ কাল বিভাজনত বিশেষ মন কৰিবলগীয়া যে উপযুক্ত কালত সমকালীন পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱে সাহিত্যত এটা চাপ পেলা-ইছিল। ফলস্বৰূপে পাৰিপাৰ্শ্বিকতাৰ আঁতধৰি সাহিত্যিক বিভাজনৰ একোটাহঁত কালক গাই-গুটীয়াকৈ নামকৰণ কৰা হৈছে। আদি (প্ৰাচীন) কালছোৱাত বীৰ ৰস আৰু পূৰ্ব্ব মধ্যকালত ভক্তি-ৰস-প্ৰধান সাহিত্য সৃষ্টি হেতুকে ক্ৰমান্বয়ে বীৰচৰ্যক আৰু ভক্তি কাল অভিহিত কৰা হৈছে। উল্লেখযোগ্য যে আদিকালত কেৱল বীৰ ৰসেই সাহিত্যত আছিল এনে নহয়; আনহাতে শৃঙ্গাৰ, ভক্তি আদি ৰস মিশ্ৰিত কাব্যত সৃষ্টি হৈছিল। সেইদৰে ৰীতিকালতো ভক্তি কাব্য উপেক্ষিত নহৈছিল।

বিস্তৃত অধ্যয়নৰে দৃষ্টিপাত কৰি পণ্ডিতসকলে উপযুক্ত কালসমূহক ক্ষেত্ৰ ভেদে বিভক্ত কৰিছে। ভক্তি কাল ছোৱাক দুই ভাগত ভগোৱা হৈছে— নিগুৰ্নমাৰ্গী আৰু সগুনমাৰ্গী। নিগুৰ্নমাৰ্গী শাখাৰ দুই ভাগ, জ্ঞানমাৰ্গী আৰু প্ৰেমমাৰ্গী শাখাৰ প্ৰধান পৃষ্ঠপোষক আছিল ক্ৰমান্বয়ে সন্ত কবীৰ আৰু জায়সী। ইহঁতক জ্ঞানাশ্ৰয়ী আৰু প্ৰেমাশ্ৰয়ী শাখা বুলিও কোৱা হয়। সগুনমাৰ্গীকো সেইদৰে দুই শাখাত ভুক্ত কৰা হৈছে— ৰামোপাসক আৰু কৃষ্ণোপাসক শাখা। ৰামোপাসক শাখাত তুলসীদাস আৰু কৃষ্ণোপাসক শাখাত সুৰদাস লেখতলবগীয়া। এইদৰে আধুনিক কালকো, অধ্যয়নৰ সুবিধাৰ বাবে, দুটা ভাগ কৰা হৈছে— গদ্য আৰু পদ্য খণ্ড।



আদিকালঃ— হিন্দী সাহিত্যৰ আদি-কাল এতিয়াও বিবাদমান হৈ আছে। আচাৰ্য ৰামচন্দ্ৰ শুক্লই আদি কালক দুই ভাগত বিভক্ত কৰিছেঃ— অপভ্ৰংশ কাল আৰু বীৰচৰ্যক কাল। শুক্ল দেৱে অপভ্ৰংশ কালটো হিন্দী সাহিত্যৰ অন্তৰ্গত নাৰাখি হিন্দীৰ পূৰ্ব্বৰূপ বুলি উল্লেখ কৰিছে। তদুপৰি অপভ্ৰংশ কালত সৃষ্টি হোৱা সাম্প্ৰদায়িক সাহিত্য সিদ্ধ সাহিত্য, নাথ সাহিত্য আদিত ধৰ্ম্মৰ প্ৰতিপন্ন থকাত সাহিত্যিক ৰচনা হিচাবে নলৈ ধৰ্ম্মীয় ৰচনাক সাহিত্যৰ পৰিসৰৰ পৰা আঁতৰ কৰি থৈছে। আনহাতেদি পণ্ডিত ৰাহুল আদিয়ে অপভ্ৰংশ কালত সৃষ্টি হোৱা কিছুমান পুথিৰ অনুসন্ধান দি অভিমত দিছে যদিও এই সাহিত্য সাম্প্ৰদায়িক ভক্তিৰে ৰচিত মূলতঃ ইয়াত সাহিত্যিক স্বাদ পোৱা যায়। গতিকে অপভ্ৰংশ কালক সাহিত্যৰ পৰিসৰত ৰখাটো তেওঁ পক্ষপাতী।

(ক) অপভ্ৰংশ কাল— পূৰ্ব্বতে হিন্দী জনসমাজৰ মাজত মৌখিক পৰম্পৰা হিচাবে চলি আহিছিল যদিপ দুই-এক সম্প্ৰদায়ে ইয়াক স্বগত ভাবে অপভ্ৰংশ কালত লিপিবদ্ধ কৰিছিল। সম্ভবতঃ ইং ১০০০চনৰ পূৰ্ব্বে এনে সাহিত্যৰ সৃষ্টি হৈছিল। সপ্তম শতাব্দীৰ তান্ত্ৰিক আৰু যোগমাৰ্গী বৌদ্ধ সকলৰ সাম্প্ৰদায়িক গ্ৰন্থত হিন্দীৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। বৌদ্ধ আৰু জৈনসকলৰ ধৰ্ম্ম-সাহিত্য প্ৰচাৰৰ মাধ্যম আছিল লোক ভাষা আৰু তেতিয়াৰ (অপ্ৰভ্ৰংশ) পৰা হিন্দীৰ উদ্ভব বুলি কোৱা হয়। অপভ্ৰংশ কালীন সাহিত্যই পৰবৰ্ত্তী কালত কবীৰ আদিক বিশেষ ভাবে প্ৰভাৱন্বিত কৰিছিল। তৎকালীন সাহিত্য নিম্নোক্ত সাম্প্ৰদায়িক সাহিত্যৰে পৰিপুষ্ট আছিল—

(১) সিদ্ধ-সাহিত্য—সিদ্ধ-সম্প্ৰদায়ৰ সন্ত সকলে স্বধৰ্ম্ম প্ৰচাৰৰ কাৰণে সৃষ্টি কৰা সাহিত্যকেই সিদ্ধ-সাহিত্য বোলা হয়। অষ্টম শতাব্দীলৈকে (মহাযান বৌদ্ধ লৈকে) বৌদ্ধ ধৰ্ম্ম অবিছিন্নতাৰে অগ্ৰসৰ হওঁতে লাহে লাহে বিকৃত ৰূপ ধাৰণ কৰিবলৈ ললে। এই সময়ত বৌদ্ধ ধৰ্ম্মত তন্ত্ৰ মন্ত্ৰ আৰু যোগসাধনাই প্ৰাধান্য লাভ কৰিছিল। বৌদ্ধ ধৰ্ম্মৰ এই বিকৃত ৰূপক পৰবৰ্ত্তী কালত ব্ৰজযান' সংজ্ঞা দিয়া হল। সিদ্ধ সাহিত্য এই ব্ৰজযানী সাহিত্যৰ এটা অন্য ৰূপ। সিদ্ধি লাভ কৰাই আছিল সিদ্ধি সম্প্ৰদায়ৰ ঘাই উদ্দেশ্য। সিদ্ধি সম্প্ৰদায়ৰ লোক সকলে, তেওঁলোকে মন্ত্ৰৰ বলেৰে সিদ্ধি প্ৰাপ্তি হোৱাৰ যুক্তি জনসমাজত প্ৰচাৰ কৰিছিল। তৎকালীন সমাজত ৮৪ জন সিদ্ধি সন্ত আছিল। তেওঁলোকে মানিক, মদিৰা,, মাছ, মাংস আৰু মেথুন উপাসনা কৰিছিল। জনসমাজৰ জ্ঞাতাৰ্থে সিদ্ধ সন্ত সকলে জনভাষাত কাব্য ৰচিছিল; কিন্তু নিজৰ সাধান - পদ্ধতি গোপনে ৰাখিবৰ কাৰণে 'সান্ধ্য-ভাষা' নামেৰে এক বিশেষ ভাষা প্ৰয়োগ কৰছিল। সৰহপা, শৱৰপা, লুইয়া, দাৰিকপা, ঘণ্টাপা, জালধাৰাপা, কহ্নপা, আদি প্ৰধান সিদ্ধ আছিল। সৰহপা ৰচিত ৩২ খন পুথিৰ ভিতৰত 'দোহা-কোষ' অন্যতম আছিল।

(২) নাথ সাহিত্যঃ- ব্ৰজযানী সিদ্ধ সকলৰ বামাচাৰ আৰু অশ্লীলতাৰ বিৰোধিতা কৰি নবম আৰু দশম শতিকাত নেপালৰ তৰাই অঞ্চলত এটা বিশেষ জাতি মূৰ দাঙি উঠিছিল। তেওঁলোকেই নাথ সম্প্ৰদায়ৰ লোক বুলি কোৱা হয়। তেওঁলোক শিবৰ উপাসক আছিল

আৰু শিবকেই আদি নাথ বুলি পৰিচয় দিছিল। মৎস্যেন্দ্রনাথ, জালান্ধৰ নাথ আৰু গোৰখনাথ প্ৰধান প্ৰবৰ্ত্তক আছিল। গোৰখনাথী পন্থী সমগ্র ভাৰতবৰ্ষতেই পোৱা যায়। নাথ-সম্প্ৰদায় সকলে জীবাত্মা আৰু পৰমাত্মাত বিশ্বাস ৰাখিছিল। তেওঁলোক অদ্বৈতবাদী আৰু হঠযোগী আছিল। হঠযোগৰ দ্বাৰা তেওঁলোকে শৰীৰটোক অনেক কষ্ট দি শুদ্ধ কৰাৰ প্ৰথা আছিল। সিদ্ধ-সন্ত সকলৰ মাজত প্ৰচলিত বামমাৰ্গৰ মাংস, মদিৰা আৰু নাৰীসাধনাৰ প্ৰথা খণ্ডন কৰি তেওঁলোকে জীৱনৰ সাত্ত্বিকতাৰ পিনে ঢাল লৈছিল। সিদ্ধ সম্প্ৰদায়ত প্ৰচলিত অটাই-বিলাক অশ্লীল প্ৰথা নাথ সম্প্ৰদায়ৰ প্ৰথাৰ বাহিৰত আছিল। গোৰখনাথে তেওঁৰ সাধনাত নাৰীক সম্পূৰ্ণ বহিষ্কাৰ কৰি অখণ্ড ব্ৰহ্মচৰ্য পালনত অধিক গুৰুত্ব আৰোপ কৰিছিল। গোৰখনাথ ৰচিত মুঠ ৪০ খন পুথিৰ ভিতৰত সবদী পদ, শিষ্যা দৰ্শণ, প্ৰাণ, সকলী; নৈশ বোধ, মছীন্দ্ৰগোৰখ বোধ আদি অন্যতম। পূজা-পাঠ, বেদ-ব্ৰাহ্মণ, মাছ-মাংস, নাৰী, বৰ্ণ ব্যবস্থা আদিৰ বিৰোধিতা কৰি ব্ৰহ্মচৰ্য্য, বাক সংযম, আত্ম সংযম, শাৰীৰিক, মানসিক আৰু আন্তৰিক শুদ্ধি, জ্ঞানৰ প্ৰতি নিষ্ঠা আদিৰ প্ৰচাৰ কৰাই আছিল গোৰখনাথী পন্থৰ ঘাই উদ্দেশ্য।

(৩) জৈন সাহিত্য—জৈন সাহিত্য জৈন ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে কৰা সাহিত্যৰ ফল। এই অপভ্ৰংশত হিন্দীৰ পূৰ্ব্বৰূপ পৰিলক্ষিত হয়। বিখ্যাত জৈনাচাৰ্য্য হেমচন্দ্ৰই এই ভাষাত "সিদ্ধ হেমচন্দ্ৰ শব্দানুশাসন" নামক এখন ব্যাকৰণ ৰচনা কৰিছিল। স্বয়ম্ভুদেব এজন অন্যতম জৈনাচাৰ্য্য আৰু হিন্দী সাহিত্যৰ প্ৰথম কবি আছিল। স্বয়ম্ভুদেব ৰচিত জৈন ৰামায়ণ হিন্দী সাহিত্যৰ এক অমূল্য গ্ৰন্থ। তৎকালীন বিদ্বানসকলৰ ভিতৰত দশম শতিকাৰ আচাৰ্য দেবসেন, একাদশ শতিকাৰ মহাকবি পুষ্পদন্ত, ধনপাল, মুনি, ৰামসিংহ, শ্ৰী অভয়দেব সূৰি, শ্ৰী চন্দ্ৰমুনি আদিয়েই প্ৰধান আছিল। ১৩ শ শতিকাৰ জৈনাচাৰ্য সোমপ্ৰভূ সূৰিয়ে গদ্য-পদ্য ময় সংস্কৃত-প্ৰাকৃত–কাব্য আৰু ১৪ শ শতিকাৰ আচাৰ্য্য মেৰুতুঙ্গই 'প্ৰবন্ধ চিন্তামণি' নামৰ বিখ্যাত গ্ৰন্থ সংস্কৃতত লিখে। অপভ্ৰংশৰ কাব্যত বীৰ ৰস প্ৰধান 'হম্মীৰ ৰাসো' কাব্যৰ লিখক আছিল শাৰঙ্গধৰ। হিন্দী সাহিত্যত জৈন সকলৰ অবদান কোনেও নুই কৰিব নোৱাৰে।

(খ) বীৰচৰ্য্যক কালঃ– প্ৰাচীন কালত উত্তৰ ভাৰতত মুছলমানৰ আক্ৰমণ সংঘটিত হোৱাত ভাৰতীয় সাহিত্যত বিভ্ৰাট ঘটিছিল। তৎকালীন ৰজাসম্ৰাটে ৰাজদৰবাৰত লোক-সাহিত্য সুৰক্ষিত কৰি ৰাখিছিল। কিন্তু আক্ৰমনী পৰি প্ৰেক্ষিতত তেনে কোনো ব্যৱস্থা নথকাত কেৱল মাত্ৰ মৌখিক পৰম্পৰাৰহে সাহিত্যক সুৰক্ষিত কৰাৰ হেতুকে বহুতো সহিত্য নষ্ট হল। ইয়ৰোপৰি সম্ৰাট হৰ্ষবৰ্দ্ধনৰ মৃত্যুৰ লগে লগে কেন্দ্ৰীয় শক্তি লোপ পাই আহিল। ঠায়ে ঠায়ে গৃহকন্দলে মূৰ দাঙি উঠিল। এনে বাতাবৰন আৰু পৰিস্থিতিত বীৰ-ৰস-প্ৰধান কাব্যৰ সৃষ্টি হবলৈ ধৰিলে। ফলস্বৰূপে এই কালত অন্য সাহিত্যৰ দিশত সৰ্ব্বতোমুখী উন্নতি হোৱাত অন্তৰায়ে দেখা দিলে। এই কাল ছোৱাত বীৰ ৰস কাব্য ঘনীভূত হোৱাত বীৰচৰ্য্যক কাল বোলা হয়।

বীৰচৰ্য্যক কালৰ ৰচনাক দুই ভাগত ভগাব পাৰি—বীৰগীতি কাব্য আৰু প্ৰবন্ধ কাব্য। বীৰ কাব্যত বীসলদেব ৰাসো, আহ্লা আৰু প্ৰবন্ধ কাব্যত খূমান ৰাসো, পৃথিৰাজ ৰাসো, জয়চন্দ্ৰ প্ৰকাশ, জয়মযঙ্ক-জস-চন্দ্ৰিকা আদি গ্ৰন্থ উল্লেখযোগ্য। সাহিত্যবিদ সকলে বীৰচৰ্যক কালত দুই প্ৰকাৰ সাহিত্যিক পুথি পোৱা যায় বুলি কব খোজে—

অপভ্ৰংশ কাব্য :— (ক) বিজয় পাল ৰাসো [খ] হম্মীৰ ৰাসো [গ] কীৰ্তিলতা [ঘ] কীৰ্তি পতাকা

দেশভাষা কাব্য [ক] খূমান ৰাসো (খ) বীসল ৰাসো [গ] পৃথীৰাজ ৰাসো [ঘ] জয়চন্দ্ৰ প্ৰকাশ [ঙ] জয়মযঙ্ক–জস–চন্দ্ৰিকা [চ] পৰমাল ৰাসো [ছ] বিদ্যাপতি পদাৱলী [জ] খূসৰো কী পহেলিয়া আদি।

প্ৰধান বৈশিষ্ট্য :— সাহিত্যিক ৰাজনাথ শৰ্ম্মাদেৱে বীৰচৰ্য্যক কালৰ চাৰিটা বৈশিষ্ট্য নিম্নোক্ত ধৰণেদৃষ্টি পাত কৰিছে—

(১) বীৰচৰ্য্যক কালত আশ্ৰয়দাতা ৰজাসম্ৰাট সকলৰ প্ৰশংসা কাব্যত ৰূপায়ত হৈছিল আৰু ফলস্বৰূপে ৰাষ্ট্ৰিয়তাৰ অভাব হৈছিল। তৎকালীন কবি সকলৰ ৰজাৰ প্ৰতি এই অনুগ্ৰহৰ কাৰণে ঠেক গণ্ডীত থাকিবলৈ হোৱাত দেশৰ ভবিষ্যত সম্পৰ্কে কবিতাত লেখমাত্ৰ অৱকাশ নাছিল।

(২) কবিতা সমূহত যুদ্ধৰ সুন্দৰ আৰু সজীৱ বৰ্ণনা পোৱা যায়। এই কালত হিন্দী কাব্য-সাহিত্যত পোৱা বীৰ ৰসৰ প্ৰচুৰতা পৰবৰ্ত্তী কালত পোৱা হোৱা নাই।

(৩) বীৰ ৰসৰ আঁতে আঁতে অলপ-অচৰপ শৃঙ্গাৰ ৰসৰ সোৱাদ পোৱা যায়। তৎকালীন যুদ্ধ সমূহ কোনো এজনী ৰমনীক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হেতুকে যুদ্ধ-বিৰতিৰ সময়ত বীৰসকলৰ আমোদ-প্ৰমোদৰ কৰণে কাব্য সমূহত শৃঙ্গাৰ ৰসৰ সুন্দৰ চিত্ৰণ হোৱাটো স্বাভাবিক।

(৪) কবিতাসমূহত মূল ঐতিহাসিকতাৰ বিকৃত ৰূপ ঘটিছিল। অসঙ্গত বিষয়ৰে সুন্দৰ সাহিত্য সৃষ্টি কৰাই আছিল কবিসকলৰ উদ্দেশ্য, সেই গতিকেই কাব্য কলাৰ দৃষ্টিকোণৰ পৰা কবিতাবিলাক সমাদৃত হৈছিল।

## পূৰ্ব্ব মধ্যকাল ( ভক্তি কাল )

ভাৰতীয় আধ্যাত্মিক কবিতাৰ ধাৰা যদিও কাৰণবশতঃ বীৰচৰ্য্যক কালত লুপ্ত হবলগীয়া হৈছিল ভক্তি কালত তাৰ প্ৰচুৰতা লাহে লাহে বৃদ্ধি পাবলৈ ধৰিলে। আদি কালত মুছলমানী আক্ৰমণে তৎকালীন হিন্দু ৰজাসম্ৰাটৰ শাসনাধিকাৰ হস্তগত কৰাত কবি সকলৰ স্থান ৰাজদৰবাৰৰ পৰিবৰ্ত্তে জৰাজীৰ্ণ পজাঁলৈ হস্তান্তৰিত হল। কবিসকলৰ আশ্ৰয়দাতা সম্ৰাটৰ এনে পৰিস্থিতিত তেওঁলোকৰ অনুগ্ৰহাৰ্থে বীৰ-ৰস-কাব্য সৃষ্টিৰ প্ৰয়োজন নোহোৱাত, স্বৰ্থৰক্ষাৰ পথ হিচাবে ভগবানকেই আৰাধনা কৰাত ভক্তি ৰস কাব্যৰ সৃষ্টি হল। অন্য ঠাইত কবলৈ হলে বীৰচৰ্যক কালত সৃষ্টি হোৱা সামাজিক আৰু ৰাজনৈতিক অশান্তিৰ পৰিস্থিতি শাম কটাৰ লগে লগে শান্ত বাতাবৰণ পোৱাত কবিসকলে ভক্তি কাব্য ৰচনা কৰিবলৈ সকাঁহ পালে। উল্লেখযোগ্য যে সেই কালত দক্ষিণ ভাৰতত বৈষ্ণৱ ভক্তিৰ অগাধ প্ৰচলন আছিল। মধ্যকালত সামাজিক জীৱনত হিন্দু-মুছলমান পৰস্পাৰৰ অযথা সংঘৰ্ষ আৰু ঘৃণা-ভাবৰ সৃষ্টি হৈছিল। এনে পৰিপ্ৰেক্ষিতত কেইজনমান মুষ্টিমেয় হিন্দুৰ নিজৰ সামাজিক

জীৱনৰ পৰা মুছলমানক আঁতৰ কৰি ৰাখিবৰ বাবে সমাজত কঠিন আধ্যাত্মিক ভাবৰ সঞ্চাৰ কৰিবলৈ ধৰিলে। তেওঁলোকে শুদ্ধ ধৰ্ম্মৰদ্বাৰা একক হিন্দু সমাজ গঢ়ি তোলাৰ চেষ্টা কৰিছিল। কিন্তু মুষ্টিমেয় হিন্দুৰ এই সঙ্কীৰ্ণতাবাদ বিৰোধিতা কৰি কেইজনমান সন্ত আৰু চুফী একগোট হৈ হিন্দু মুছলমানৰ ধাৰ্ম্মিক আৰু সংস্কৃতিক ঐক্য স্থাপনত গুৰুত্ব আৰোপ কৰিলে। কবীৰ আৰু জায়সীৰ কাব্যই ইয়াৰ জলন্ত উদাহৰণ। এই নতুন প্ৰচেষ্টাত হিন্দু মুছলমানৰ বিচাৰধাৰাৰ সমন্বয়ত নিৰ্গুণয়ত অৰ্থাৎ নিৰাকাৰ উপাসনাৰ স্থষ্টি হল। আনহাতেদি আদিকালত নাথ আৰু সিদ্ধ সম্প্ৰদায়ে সমাজত অধিক প্ৰভাব পেলাইছিল। এই দুই সম্প্ৰদায়তে নিৰ্গুণ মাৰ্গী উপাসনাৰ কাৰ্য্যকলাপ সাঙোৰ খাই আছিল। নাথ আৰু সিদ্ধ সম্প্ৰদায়ত কেইজনমান মুষ্ঠিমেয় মুছলীম পন্থীৰ লোক আছিল। এই পন্থত বেদ, ব্ৰাহ্মণ, কৰ্ম্মকাণ্ড, তীৰ্থ আদিক ঠাই নিদি নিৰাকাৰ উপাসনাত বিশ্বাসৰ প্ৰথা আছিল। এনে নিৰসতাৰ ফলত চুফী কবি সকলে এই পন্থ অবগত কৰিবলৈ ব্যাঘাত পাইছিল। ফলস্বৰূপে মহাৰাষ্ট্ৰৰ প্ৰখ্যাত সন্ত নামদেবে এই পন্থক ৰাগাত্মক উপাসনা সম্ভব কৰাত চুফী কবি সকলে প্ৰেমবাদ স্থাপন কৰি অধিকতৰ সৰস কৰি পেলালে। এইদৰে নাথ সকলৰ আংশিক হঠযোগ, বৈষ্ণৱীসকলৰ সৰসতা, চুফী সকলৰ প্ৰেমবাদ আদিৰ মিশ্ৰিত উপাদানেৰে কবীৰে নিৰ্গুণ পন্থাৰ প্ৰচলন কৰিলে।

দক্ষিণভাৰতৰ তৎকালীন সমাজত ভক্তি ভাবনাই অধিক প্ৰভাৱ পেলাইছিল। সুস্থ পাৰি পাৰ্শ্বিকতাত দাৰ্শনিক বিদ্বান সকলে আধ্যাত্মিক তত্ত্বৰ অধ্যয়নত ব'ত হৈছিল। এওলোকৰ ভিতৰত শঙ্কৰাচাৰ্য্য লেখতলবলগীয়া। "ষোড়শ শতাব্দীৰ আদি ভাগত বল্লভাচাৰ্য্যই শুদ্ধাদ্বৈত দাৰ্শনিক সিদ্ধান্ত আৰু ভক্তি ধৰ্ম্মৰ পুষ্টিমাৰ্গ মথুৰা-বৃন্দাবন অঞ্চলত আৰু পিছত গুজৰাট আদি অঞ্চলত প্ৰচাৰ কৰে। এই সময়তে অসমত শ্ৰীশঙ্কৰদেব আৰু বঙ্গদেশত চৈতন্যদেবে ভক্তি আন্দোলনৰ গুৰিবঠা ধৰি সমাজত বৈপ্লবিক পৰিবৰ্ত্তন সূচনা কৰে।"[৩] ৰামানুজাচাৰ্য্যই উত্তৰ ভাৰততো ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তুলসীদাসে শিষ্য ৰামানন্দৰ সহযোগত ৰামভক্তিৰ প্ৰচাৰত প্ৰসাৰতা বঢ়াইছিল। দক্ষিণ ভাৰতৰ এই দুই ধাৰাই উত্তৰ ভাৰতত সফলতাৰে সগুণ ভক্তিৰ পথ নিৰ্ম্মাণ কৰিছিল।

(ক) নিৰ্গুন ভক্তিধাৰা

(১) জ্ঞানাশ্ৰয়ী শাখা :— সিদ্ধ আৰু নাথ পন্থীৰ অগতিৰ লগে লগে বিভিন্ন মতত কবীৰে জ্ঞানাশ্ৰয়ী শাখাৰ স্থষ্টি কৰিলে। সন্ত দাদু, সুন্দৰদাস ৰৈদাস, মলুকদাস, পলটুচাহেব, নানক আদিয়ে ইয়াক সুদৃঢ় কৰাত সহায় কৰিছিল। এওঁলোকে স্বকাব্যৰে একেশ্বৰবাদৰ প্ৰচাৰ কৰিছিল। হিন্দু-মুছলমানৰ মাজত থকা অপব্যবহাৰ সংস্কাৰ কৰি তাত উপদেশ আৰু সদ্‌গুণৰ প্ৰচাৰ কৰিছিল। ফলস্বৰূপে সন্ত সাহিত্য ধৰ্ম্ম আৰু উপদেশৰে পৰিপূৰ্ণ হোৱাত নীৰস হৈছিল। এওলোকৰ মাজত জাতিভেদ নাছিল। তীৰ্থভ্ৰমণ আৰু মূৰ্ত্তি পূজা তেওঁলোকৰ ধৰ্ম্ম-বিৰোধী আছিল। সন্ত কাব্যত গীতে প্ৰাধান্য লাভ কৰিছিল বৰঞ্চ শাস্ত্ৰীয় জ্ঞানৰ অভাব হৈছিল। সমস্ত সন্ত কাব্যই

৩। অসমীয়া সাহিত্যৰ ইতিবৃত্ত : শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্ম্মা।

অবধী, কথিত, ৰাজস্থানী আদিৰ মিশ্ৰিত ভাষাই আছিল সন্তসকলৰ ভাষা। সন্তসকলে নিজৰ ধৰ্ম্ম প্ৰচাৰাৰ্থে খণ্ডনাত্মক প্ৰণালী কাৰ্য্যকৰী কৰা হেতুকে বহুতো উচ্চবৰ্গীয় লোকে ইয়াক গ্ৰহণ নকৰিছিল। আনহাতে নিৰ্গুণ দৰ্শনে সৰ্ব্বসাধাৰণ ৰাইজৰ অন্তৰ স্পৰ্শ নকৰাত উচ্চ হিন্দুত অভিমানতাৰ সৃষ্টি কৰিলে। বৈদিক আৰু ব্ৰাহ্মণ ধৰ্ম্মৰ প্ৰতি অবিশ্বাস, সাহিত্যিক ভাব আৰু আধুনিক ৰহস্যবাদে সন্তসকলৰ সমাজত গা কৰিব পাৰিছিল।

(২) প্ৰেমাশ্ৰয়ী শাখা ঃ— চুফী সম্প্ৰাদায়ৰ মুছলমান সকলে ভাৰতীত সাহিত্যত প্ৰেমমাৰ্গী সাহিত্য সৃষ্টি কৰিলে। মালিক মহম্মদ জায়সী এই সাহিত্যৰ সৰ্ব্বশ্ৰেষ্ঠ লোক আছিল বুলি কব পাৰি। 'চুফ' শব্দৰ পৰা চুফী শব্দ উৎপন্ন হৈছে। 'চুফ' শব্দৰ অৰ্থ বগা উণ। 'চুফী' সকলে বগা উনৰ কাপোৰ পিন্ধা কাৰণে তেওঁলোকক চুফী বোলা হয়। চুফী শব্দৰ অন্য অৰ্থ হৈছে জ্ঞান।

চুফী সকলে তৎকালীন ভাৰতীয় হিন্দুলোক সাহিত্যত লোক ভাষাৰ মাধ্যমেৰে প্ৰেমভিত্তিত সুন্দৰ সাহিত্য নিৰ্ম্মাণ কৰিলে। প্ৰেমবৰ্ণিত এই লেখনি চৰাকে হিন্দী সাহিত্যত প্ৰেমাশ্ৰয়ী শাখা বুলি কোৱা হয়। জায়সীৰ 'পদ্মাৱত' প্ৰেমাশ্ৰয়ী শাখাৰ কালজয়ী সাহিত্য বুলি কব পাৰি। ইয়াত বাজেও কুতবনৰ মৃগাবতী, মনৰূণৰ মনোহৰ আৰু মধুমালতী আদিয়ে বিশেষ অৰিহনা যোগাইছে।

পণ্ডিত ৰাজনাথ শৰ্ম্মাৰ মতানুসৰি প্ৰেমাশ্ৰয়ী শাখাত ঘাইকৈ কাব্যৰ তিনিটা দিশ (ক-গ) আৰু নিম্নোক্ত বৈশিষ্ট্যতা (১-৬) পৰিলক্ষিত হয়। (ক) প্ৰেমকাহিনীৰ অন্তৰালত আধ্যাত্মিক প্ৰচাৰৰ ভাব (খ) বিশুদ্ধ লৌকিক প্ৰেমকথা (গ) অৰ্দ্ধ ঐতিহাসিক প্ৰেমকথা

(১) প্ৰেমাশ্ৰয়ী শাখাত ভাৰতীয় সাহিত্য শৈলীৰ পৰিবৰ্ত্তে ফাৰ্চী সাহিত্য-শৈলীয়ে ঠাই লৈছিল। এই পদ্ধতিত ঈশ্বৰ-বন্দনা, মহমদ চাহেবৰ স্তুতি আৰু সমকালীন বাদশাহৰ গুনানুকীৰ্ত্তন চলিছিল।

(২) চুফীবাদী সাহিত্যত হিন্দু ধৰ্ম্মী আচাৰ-বিচাৰ, ৰহন-সহন আদিৰ অলৌকিকতাই ঠাই পাইছিল।

(৩) চুফীৰ সকলৰ কাব্য স্থান আছিল অবধ। সেইকাৰণে অবধী ভাষা কাব্যৰ মাধ্যম স্বৰূপে পৰিলক্ষিত হৈছে।

(৪) চুফীবাদী সাহিত্যত অধিকতৰ প্ৰবন্ধ-কাব্যই ঠাই পাইছে।

(৫) লৌকিক কথাৰ অবলম্বনত চুফীসকলে অলৌকিক ব্যঞ্জনাৰ ঠাই দিছিল। তেওঁলোকৰ ভাব ব্যঞ্জনাৰ এটি স্বকীয় সম্পত্তি। মানবদেহৰ সুক্ষ্ম তিসুক্ষ্ম চৰিত্ৰ বৰ্ণনা কৰাই আছিল চুফীবাদী সাহিত্যৰ অন্যতম বৈশিষ্ট্য।

(৬) সাহিত্যিক আৰু ঐতিহাসিক দৃষ্টিকোণৰ পৰা হিন্দু-মুছলমানক সান্নিধ্যলৈ অনা প্ৰচেষ্টা আটাতকৈ মনোৰম বুলি কব পাৰি।

## (খ) সগুণ ভক্তি ধাৰা

(১) ৰাম ভক্তি শাখা ঃ— ৰামভক্তি শাখাই হিন্দী সাহিত্যত ভক্তি সাধনাৰ এক নতুন স্বৰূপ সৃষ্টি কবিছিল। বৈষ্ণৱ ধৰ্ম্মৰ আদৰ্শেৰে বিষ্ণুৰ দুটা ৰূপৰাম আৰু কৃষ্ণক উপাসনা কৰিছিল। ৰাময়ন, ৰঘুবংশ, ৰামচৰি আদি শ্ৰেষ্ঠ সাহিত্য গ্ৰন্থ ৰাজিত এই যুগৰ

ৰামভক্তি শাখাৰ প্ৰবৰ্ত্তক আছিল, ৰামানন্দকহে সফল সাধক বোলা হয়। ৰামানুজাচাৰ্যৰ শ্ৰীসম্প্ৰদায়ে ৰামক নাৰায়ণ আৰু বিষ্ণুৰূপে আৰ্চ্চনা কৰিছিল। অদ্বৈতমত প্ৰচাৰ কৰাই আছিল ৰামানুজাচাৰ্যৰ মূলমন্ত্ৰ। বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো সৃষ্টিয়েই ব্ৰহ্মাৰ একাংশ বুলি ৰামানুজাচাৰ্য পন্থী সকলে বিশ্বাস কৰে। ৰামানন্দৰ ৰামভক্তিৰ প্ৰচাৰ কাৰ্য্যত সমকালীন দুজনা মহাৰাষ্টীয় সন্ত-সাহিত্যক, নামদেব আৰু ত্ৰিলোচনৰ নাম উল্লেখযোগ্য। ৰামানন্দৰ সাহিত্যত ৰামৰ লৌকিক সাৰত্ব আৰু পুৰুষোত্তম আদৰ্শৰ গুণতেই ই সৰ্ববসাধাৰণতে জনপ্ৰিয় লাভ কৰিছিল। এইটো নিঃসন্দেহ যে কৃষ্ণ চৰিত্ৰৰ অতি মান– বীয়তাৰ অন্তৰালত বিশালতা প্ৰচাৰ কৰাত ৰামচৰিতে অধিক প্ৰভাব বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। কবীৰ আদি সন্ত প্ৰমুখ্যে কেইবাজনেও ৰামক নিৰাকাৰ ৰূপে ভক্তি কৰিছিল। তুলসীদাস এই পন্থৰ আগৰনুৱা হিচাবে হিন্দী ধৰ্ম্মীয় সাহিত্যত খ্যাতি থৈ গৈছে। তুলসীদাস ৰচিত ৩৭ খন গ্ৰন্থই হিন্দী সাহিত্যৰ বহুখিনি অভাব পূৰণ কৰিছে, ইয়াক নিশ্চয়কৈ কব পাৰি। ৰামচৰিত্ৰ মানস, বৈৰাগ্য সন্দীপনী ৰামলালা নহচ্ছু, বৰবৈ ৰামায়ণ, পাৰ্ব্বতী মঙ্গল, জানকী মঙ্গল, ৰামাজ্ঞা প্ৰশ্ন, দেহাৱলী, কবিতা– বলী, গীতাৱলী, কৃষ্ণ গীতাৱলী, বিনয় পত্ৰিকা আদি তুলসী দাগৰ লেখতলবলগীয়া পুথিকেইখনে আমাৰ শঙ্কৰদেব আৰু মাধবদেব কৃত ৰামায়ণ, নামঘোষা, বৰগীতৰ দৰে সৰ্ব্ব ভাৰতীয় সাহিত্যত উচ্চ স্থান দাবী কৰিব পাৰে। নাভাদাস, প্ৰাণচন্দ্ৰ চৌহান, হৃদয়ৰাম আদিয়ে ক্ৰমাণ্বয়ে ভক্তমাল, ৰামায়ণ, হনুমন্নাটক আৰু নাভাদাসৰ গুৰু অগ্ৰদাসে হিতোপদেশ, উপৰবাণী-ৰবণী, ধ্যানমঞ্জৰী, ৰামধ্যানমঞ্জৰী আদি গ্ৰন্থ ৰচি এই কালৰ সাহিত্যৰ সৌষ্ঠব বঢ়াইছিল। ইয়াৰো পৰি লালদাস, প্ৰিয়াদাস, কলনিধি, মহাৰাজ বিশ্বনাথ, মহাৰাজ ৰঘুৰাজ সিংহ আদি ৰাম-কাব্যৰ অন্যতম কবি-সাহিত্যিক আছিল। আধুনিক যুগত পণ্ডিত মৈথিলীচৰণ গুপ্তই সাকেত, পঞ্চবতী আদি ৰচি ৰামকাব্যৰ পৰম্পৰা অক্ষুন্ন ৰাখিছে।

(২) কৃষ্ণ ভক্তি শাখা :— ভাৰতীয় সাহিত্যত কৃষ্ণ ভক্তিৰ পৰম্পৰা পুৰণি কালৰে পৰা চলি আহিছে। এই পৰম্পৰাৰ মূল স্ৰোত হল 'ভাগবত'। মহাভাৰতত বিষ্ণু বুলি উল্লেখ কৰা কৃষ্ণক ভাগবতত পূৰ্ণ ব্ৰহ্ম হিচাবে প্ৰতিষ্ঠিত কৰা হৈছে। মধ্যভাৰতত কৃষ্ণ লোকৰক্ষক আৰু লোকৰঞ্জন হিচাবে আবিৰ্ভূত হৈছিল কিন্তু পৰবৰ্ত্তী কালত কৃষ্ণ ভক্তি শাখাত প্ৰেমৰ নিদৰ্শণ স্বৰূপে আবিৰ্ভূত হৈছে। 'গোপালতাপনী উপনিষদ্, নামৰ গ্ৰন্থতে সৰ্ব্বপ্ৰথমে কৃষ্ণ ভক্তি ধাৰাৰ প্ৰেমকাব্যৰ উৎস কৃষ্ণৰ প্ৰেয়সী ৰাধাৰ নাম উল্লেখ কৰা হৈছে। বিষ্ণু স্বামী নিৰ্ম্বাকাচাৰ্যৰ নাম এই সন্দৰ্ভত উল্লেখ নকৰাকৈ থাকিব নোৱাৰি। নিৰ্ম্বাকাপন্থী জয়দেবে ৰাধা-কৃষ্ণৰ প্ৰেমৰ ভিত্তিত ৰসপূৰ্ণ 'গীতগোবিন্দ' কাব্য ৰচনা কৰিছে। মূলতঃ চৈতন্য আৰু বল্লভাচাৰ্যৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত সমগ্ৰ উত্তৰ ভাৰতত ইয়াৰ ব্যাপক প্ৰচলন হৈছিল। বল্লভা-চাৰ্যৰ মৃত্যুৰ পাচত তেওঁৰ সুযোগ্য পুত্ৰ গোস্বামী বিট্ঠল নাথে কৃষ্ণ ভক্তিৰ অবিছিন্নতাক সুদৃঢ় কৰি ৰাখিছিল। বিট্ঠল নাথ উল্লেখিত কৃষ্ণ ভক্তি শাখাৰ অষ্টমৰত্ন — সুৰদাস, কুম্ভ-

নদাস, পৰমানন্দ দাস, কৃষ্ণদাস, ছীতস্বামী, গোগিন্দস্বামী, চতুর্ভূজদাস, নন্দদাস,—প্ৰথম চাৰিজন বল্লভাচাৰ্যৰ শিষ্য আৰু পাছৰ চাৰিজন বিট্ঠল স্বামীৰ শিষ্য আছিল। ভক্তিৰ আধাৰত সুৰদাসে অন্যতম সাহিত্য প্ৰতিষ্ঠা কৰি থৈ গৈছে। কাশী নাগৰী প্ৰচাৰিনীৰ জাননী দাখিলানুসৰি সুৰকৃত ষোল্লখন পুথিৰ ভিতৰত সূৰসাগৰ, সূৰসাৰাৱলী, সাহিত্য-লহৰী, নল-দময়ন্তী, ব্যাহলো আদি পুথিয়েই প্ৰধান বুলি কব পাৰি। উক্ত উল্লেখিত শেষৰ পুথি দুখন আজিকোপতি উদ্ধাৰ কৰা হোৱা নাই বৰং কোনো কোনো পণ্ডিতৰ মতে পুথি দুখন সুৰদাস কৃত হয়নে নহয়, সেই কথা সন্দিহান। সূৰসাগৰ সুৰকৃত প্ৰসিদ্ধ গ্ৰন্থ। প্ৰবাদ আছে, সুৰদাসে এই গ্ৰন্থত প্ৰায়ে ডেৰলাখৰ ওচৰা-ওচৰি পদ ৰচনা কৰিছিল, কিন্তু বৰ্ত্তমানলৈকে দহ হাজাৰতকৈ অধিক পদ পোৱা হোৱা নাই। এই পদ সমূহত কৃষ্ণলীলাৰ বিস্তৃত বিধৰণ দিয়া হৈছে। মীৰাবাঈ ৰচিত পাচখন গ্ৰন্থ—গীত-গোবিন্দ কী টিকা, নৰসী কী মায়ৰা, য়ুটকৰ পদ, ৰাগ মোৰঠ পদ সংগ্ৰহ; ৰাগ গোবিন্দ আদি কৃষ্ণ কাব্যৰ লেখতলবলগীয়া সাহিত্য ৰাজিয়ে ভাৰতীয় মহিলা কবিসাহিত্যিক মীৰাবাঈৰ স্বকীয়া আসন মুকলি কৰি থৈছে।

তলত সাহিত্যিক ৰাজনাথ শৰ্ম্মাদেৱে কৰা ৰামকাব্য আৰু কৃষ্ণকাব্য শাখাৰ তুলনাত্মক অধ্যয়ণৰ সাৰাংশ দিয়া হৈছে —

### ৰামকাব্য

(১) মুখ্য প্ৰবৰ্ত্তক ৰামানুজাচাৰ্য; পাচত ৰামানন্দ
(২) দাস্য ভাবত উপসনা
(৩) ভগবানকেই লোকৰক্ষক আৰু লোকৰঞ্জনৰ মূল উৎস।
(৪) সাধনাত গুৰুত্ব
(৫) উৎসস্থল-ৰামায়ণ; ৰঘূবংশ, উত্তৰৰাম চৰিত
(৬) শাস্ত্ৰীয়-মৰ্য্যদা প্ৰধান।
(৭) কাব্যত গাম্ভীৰ্যতা-হাস্যৰসৰ অভাব।
(৮) ব্ৰজ আৰু অবধী ভাষা প্ৰয়োজিত
(৯) কাব্যশৈলীৰ অনেক দিশ সঙ্গীতৰ সমাবেশ
(১০) লোকস্বাৰ্থ সমান্তৰিত

### কৃষ্ণকাব্য

(১) মুখ্য প্ৰবৰ্ত্তক বল্লভাচাৰ্য
(২) সুন্দৰ উপাসনা
(৩) কেৱল লোকৰক্ষক, লোক ৰঞ্জক হ্ৰাস
(৪) সিদ্ধাবস্থা প্ৰচলন
(৫) উৎসস্থল-মূল স্ৰোত ভাগৱত
(৬) স্বতন্ত্ৰ-প্ৰেম প্ৰধান
(৭) ব্যঙ্গাত্মক কাব্য
(৮) কেৱল ব্ৰজভাষা
(৯) অধিকতৰ পদ-শৈলী য়োগ-সঙ্গীতৰ প্ৰাধান্য
(১০) লোকস্বাৰ্থ ঠাই বিশেষত অল্প প্ৰধান্যতা

## উত্তৰ মধ্য কাল
### (ৰীতি কাল, শৃঙ্গাৰ কাল)

হিন্দী সাহিত্যৰ ইতিবৃত্তত তৃতীয় কালটোক ৰীতি কাল বুলি অভিহিত কৰা হৈছে। এই কালত শৃঙ্গাৰ ৰসৰ প্ৰধান্য হেতু কানে কোনোৱে ইয়াক শৃঙ্গাৰ কাল বুলিয়ে কয়। ৰীতিকালতে সাহিত্যৰ সকলো প্ৰধান প্ৰধান উপাদান আৰু বিশেষকৈ অলঙ্কাৰ আৰু

কলাকৃষ্টিত শ্ৰীবৃদ্ধি সাধন হয়। "সাধাৰণ ভাষাত ৰীতিৰ অৰ্থ—প্ৰকাৰ আৰু ভাষানুসাৰে ৰীতি-কাব্যৰ অৰ্থ কাব্য ৰচনাৰ প্ৰণালী বা আধাৰ। কিন্তু হিন্দীত ইয়াক ব্যাপক অৰ্থত প্ৰয়োগ কৰা হৈছে। কাব্য-ৰচনা সম্পৰ্কিত ৰীতি-নীতি বৰ্ণনা কৰাক ৰীতি-গ্ৰন্থ আৰু যেতিয়া এই নিয়মানুসৰি কোনো কাব্য ৰচনা কৰা হয় তাক ৰীতি-কাব্য সংজ্ঞা দিয়া হয়। ৪" বিস্তৃত অধ্যয়নেৰে হিন্দী পণ্ডিতসকলে এই যুগৰ সাহিত্যক দুই ভাগত ভাগ কৰিছে— ৰীতি-বদ্ধ আৰু ৰীতি-মুক্ত। ৰীতিবদ্ধ শাখাক আকৌ দুই প্ৰশাখাত শ্ৰেণীবদ্ধ কৰা হৈছে— লক্ষণবদ্ধ আৰু লক্ষ্য মাত্ৰ।

ৰীতিকালৰ তৎকালীন ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিয়ে শৃঙ্গাৰ কাব্যৰ উন্নতিত যথেষ্ট সহাঁৰি দিছিল। মোগল সাম্ৰাজ্যত এক ছত্ৰ শান্তি প্ৰতিষ্ঠা হোৱাৰ পাচত ঔৰঙ্গজেবৰ ৰাজত্বকালত পুনৰ হিন্দু-মুছলমানৰ মাজত বিভ্ৰাট ঘটাত কবি-সাহিতিক সকলে আত্মৰক্ষাৰ হকে আশ্ৰয়দাতা প্ৰাৰ্থী সকলৰ বিলাসিতাৰ কাৰণে শৃঙ্গাৰ ৰস মিশ্ৰিত কাব্যৰ সৃষ্টি কৰিলে। এচাম মুষ্টিমেয় কবি-সাহিত্যিকে কৃষ্ণ-কাব্যৰ ভেটি লৰচৰ কৰি ৰাধাকৃষ্ণৰ প্ৰেমবৰ্ণনাত অতি নগ্ন কলমৰ পাতনি মেলিলে। অসাধাৰণ অলঙ্কাৰেৰে সাজ পিন্ধাই কাব্যত নতুনত্বঅনাই যাই উদ্দেশ্য হৈ পৰিল কবিসাহিত্যিক সকলৰ। ফলস্বৰূপে শৃঙ্গাৰ কাব্য জনসমাজত প্ৰচলন হোৱাত লোক-সাহিত্যৰ ওপৰত ই গভীৰ প্ৰভাব পেলাবলৈ ধৰিলে। এইদৰে লোকসাহিত্যৰ গাম্ভীৰ্য্যতা হ্ৰাস কৰি ৰাজকীয় সাহিত্যই তৎকালীন হিন্দী সাহিত্যত এক নতুন পৰম্পৰাৰ সোৱাদ বোৱালে। ৰাধা-কৃষ্ণক লৌকিক নায়ক নায়িকা স্বৰূপে লৈ 'ৰাম-লীলা' অথবা 'ৰাস লীলা' ৰ দৰে ধৰ্ম্মীয় অনুষ্ঠানৰ আলম লৈ শৃঙ্গাৰ-কাব্য প্ৰচাৰ আৰু প্ৰসাৰ কৰাত কবি সাহিত্যিক সকলক ব'ত হোৱা দেখা গৈছিল। ৰীতি কালত কাব্যত গুৰুত্ব-আৰোপ, কাব্যত মূলৰূপ, কাব্যত সৌন্দৰ্য্য অলঙ্কৃত, পৰিমাৰ্জ্জন ভাষা আৰু চমকপ্ৰদ চৰিত্ৰৰ অভিব্যঞ্জনায়ো বিশেষ ঠাই পাইছিল।

সাহিত্যবিদ ৰাজনাথ শৰ্ম্মাদেৱে হিন্দী ৰীতি-কালৰ প্ৰধান প্ৰধান সাতোটা প্ৰবিত্তি তলত দিয়া দৰে উল্লেখ কৰিছে। (১) লক্ষণ গ্ৰন্থৰ সৃষ্টি (২) লৌকিক শৃঙ্গাৰৰ ব্যঞ্জনা (৩) ক'লাত প্ৰাধান্যতা (৪) প্ৰকৃতি-অস্থিৰতাৰ চিত্ৰণ (৫) মুক্তক কাব্য ৰচনা (৬) বিৰক্তি ভাৱ (৭) বীৰ ৰস। (১) লক্ষণ-গ্ৰন্থৰ সৃষ্টিঃ—ডামহ, উদ্‌ভট, মম্মটৰ 'কাব্য প্ৰকাশ, জয়দেবৰ 'চন্দ্ৰালোক,' বিশ্বনাথৰ 'সাহিত্য দৰ্পণ' আদি সংস্কৃত সাহিত্য শাস্ত্ৰই হিন্দী সাহিত্যৰ লক্ষণ গ্ৰন্থৰ মূল ভেটি স্থাপন কৰিছে। আচাৰ্য কেশবদাসে সৰ্ব্বপ্ৰথমে শাস্ত্ৰীয় পদ্ধতিত ৰস আৰু অলঙ্কাৰ ৰূপায়িত কৰিছিল। (২) লৌকিক শৃঙ্গাৰৰ ব্যাঞ্জনা ঃ— ৰাধাকৃষ্ণক লৌকিক শৃঙ্গাৰৰ নায়ক-নায়িকা হিচাবে লোৱাত লোক-কাব্যত শৃঙ্গাৰ ৰসৰ প্ৰাধান্য বাঢ়ি আহিবলৈ ধৰিলে। ইয়াৰোপৰি সংস্কৃত স্তোত্ৰ সাহিত্যত জয়দেৱ, বিদ্যাপতি, সুৰআদি শৃঙ্গাৰাত্মক ভক্তিৰ প্ৰভাৱ, কাম শাস্ত্ৰৰ প্ৰভাব আদি মূলাধাৰে লৌকিক শৃঙ্গাৰৰ প্ৰসাৰ কৰিছিল। (৩) ক'লাত প্ৰাধান্যতা ঃ— ৰীতি-কালতে সৌন্দৰ্য্যানুভূতি, সত্যতা আৰু কল্পনাৰ

কটন কলেজ

মৌলিকতাই সাহিত্য-ক'লাক বিশেষ ইন্ধন যোগাইছিল। চিত্রকাব্য-ৰচনা এই যুগৰ সাহিত্য- কলাৰ এক নতুন বৈশিষ্ট্য।

(৪) প্ৰকৃতি-অস্থিৰতাৰ চিত্ৰণ :— নায়ক-নায়িকাৰ মিলন আৰু বিচ্ছেদৰ তালে তালে প্ৰকৃতিৰ উন্মাদ-কামনা আৰু বেদনাদায়ক-যেন-মনোভাব এই কালৰ কাব্যৰ অন্যতম প্ৰবৃত্তি-স্বৰূপ। (৫) মুক্তক কাব্য ৰচনা :— এই কালৰ সমূহ কাব্য প্ৰধানতঃ মুক্তক কাব্যৰ অনুগামী। চমকপ্ৰদ দোহা সাহিত্যৰ বাহুল্য মুক্তক কাব্য ৰচনাৰে ফলস্বৰূপ। (৬) বিৰক্তি ভাব :— তৎকালীন আমোদ-প্ৰিয় মোগলবিলাকৰ অত্যাচাৰত বিৰক্ত হৈ কবি-সাহিত্যিক সকলে স্বৰচিত কাব্যত বিৰক্তি ভাব মূলক কথাৰ ঠাই দিছিল ফলস্বৰূপে ভক্তি কাব্যত তেওঁলোকে বিশেষ মন দিছিল। (৭) বীৰ কাব্য :— মুছলমানী শাসনৰ বিৰুদ্ধে মাৰাঠী, শিখ আদিয়ে বিদ্ৰোহৰ অগ্নি জ্বলাই তোলাত হিন্দু ৰাষ্ট্ৰ এখন গঢ়াৰ মানসেৰে সাহিত্যিক সকলে বীৰকাব্য ৰচি জনসাধাৰণক উৎসাহিত কৰিছিল। ইয়েই বীৰকাব্য ৰচনাৰ উৎসস্থল আছিল।

হিন্দী ৰীতি-কাব্যৰ বিকাশ যদিও ভক্তি কালতেই সাধন হৈছিল, মূলতঃ ১৭০০ চনতহে পূৰ্ণতা লাভ কৰিছিল। আনুমানিক ইং ১৫৯৮-চনত ৰচিত 'হিতত ৰঙ্গিনী'ৰ ৰচক কৃপাৰাম হিন্দী-সাহিত্যৰ প্ৰথম ৰস নিৰূপক কবি হিচাপে পৰিগণিত হৈছে। সমকালীন সাহিত্যত মোহনলাল মিশ্ৰৰ 'শৃঙ্গাৰ-সাগৰ' আৰু পৰৱৰ্ত্তী কালত কৰুনেশৰ 'শ্ৰুতিভূষণ'; ভেপ ভূষণ' আদি অলঙ্কাৰ সম্বন্ধী গ্ৰন্থই সাহিত্যৰ সম্ভাৰ বঢ়াইছিল। ইতিপূৰ্বে সুৰদাসৰ 'সাহিত্য-লহৰী' আৰু নন্দদাসৰ 'ৰসমঞ্জৰী'ত ৰীতি গ্ৰন্থৰ লক্ষণ উপস্থাপিত হৈছিল যদিও, পূৰ্ণ পৰ্য্যায়ত ইয়াক ৰীতি-গ্ৰন্থৰ অন্তৰ্ভূক্ত কৰা হোৱা নাই। কেশৱ-দাসকেই হিন্দী সাহিত্যত সৰ্বপ্ৰথম ৰীতি-গ্ৰন্থৰ প্ৰবৰ্ত্তক বুলিব পাৰি। ভক্তি কালৰ শেষ আৰু ৰীতি কালৰ প্ৰাৰম্ভনি ছোৱাতে কেশবদাসে নানা কাব্য-ৰচনাৰে হিন্দী সাহিত্যৰ ভেটি সুদৃঢ় কৰাত যথেষ্ট ইন্ধন যোগাইছিল। তেওঁৰ 'ৰামচন্দ্ৰিকা'ত ৰাম চৰিত্ৰ বৰ্ণনা কৰাৰ উপৰিও এক প্ৰকাৰ অলঙ্কাৰ আৰু ছন্দৰ সুন্দৰ সমাদৃত হৈছিল। বিজ্ঞান-গীতা, ৰতনাবাৱনী, জাহাঙ্গীৰ - জস-চন্দ্ৰিকা, বীৰ সিংহ দেব চৰিত্ৰ, ৰসিক-প্ৰিয়া, কবি প্ৰিয়া ৰাম চন্দ্ৰিকা আদি কেশৱ দাস ৰচিত গ্ৰন্থাৱলী। কেশবদাসৰ পাচত চিন্তামণি ত্ৰিপাঠী, মতিৰাম, ভিখাৰীদাস, বিহাৰীদেব, ভূষণ, সেনাপতি, ঘনানন্দ আদিৰ নাম উল্লেখ কৰিব পাৰি। এই কবিসকলৰ অন্যতম প্ৰচেষ্টাৰ ফলতেই হিন্দীৰ ৰীতিকাল এটি স্বৰ্ণময়ী যুগলৈ অলঙ্কৃত হৈছে।

## ॥ আধুনিক কাল ॥

ভাৰতত ইংৰাজ আগমনৰ লগে লগে হিন্দী ৰীতি-কালীন সাহিত্যৰ সোঁতে পাশ্চাত্য প্ৰভাৱৰ সাজোন-কাছোনত নতুন ৰূপ ধাৰণ কৰিলে। হিন্দী সাহিত্যৰ বিষয় বস্তু আৰু ৰচনা-ৰীতিৰ ক্ৰমবিকাশত ইংৰাজী সাহিত্যৰ আকৰ মূলাধাৰ স্বৰূপে ব্যবহৃত হল। হিন্দী ভক্তি কালীন সাহিত্য জনসাধাৰণ আৰু ৰীতি কালীন সাহিত্য দৰবাৰৰ মাজতহে আবদ্ধ থকা দেখা গৈছিল। কিন্তু আধুনিক কালৰ নব্য চিন্তাধাৰা আৰু চিত্তাকৰ্ষক ৰচনা শৈলীয়ে সাহিত্যক সমাজৰ বহল গণ্ডীত সোমাই দিবলৈ সমৰ্থ হল।

ভাৰতীয় সাহিত্যত গদ্য ৰচনাৰ নতুন

উপাদানঃ- উপন্যাস, চুটিগল্প আদি পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফল। আধুনিক হিন্দী সাহিত্যত খৃষ্টান সকলৰো বৰঙণি কোনেও নুই কৰিব নোৱাৰে। তেওলোকে ছপাকল স্থাপন কৰি খৃষ্টান ধৰ্ম্ম গ্ৰন্থ সমূহ হিন্দীলৈ অনুলাদ কৰিছিল। ইংৰাজ সকলৰ অনুপ্ৰেৰণাৰ ফলতেই তেতিয়াৰ হিন্দী ভাষাত কেবাখনো বাতৰিকাকতৰো জন্ম হৈছিল। আনহাতে ইং ১৮৮৫চনত 'ইণ্ডিয়ান নেছনেল কংগ্ৰেছ' স্থাপিত হোৱাৰ লগে লগে ভাৰতীয় বিচাৰধাৰাই সমাজত অধিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সুবিধা পালে। সমাজবাদ আৰু ধাৰ্ম্মিকতাবাদ প্ৰচাৰত ৰ'ত হৈ উক্ত মহাসভাই সমাজৰ মাজত ৰাজনৈতিক চেতনা আৰু আন্দোলন গাঢ় কৰি তুলিবলৈ আহ্বান জনালে। ফলস্বৰূপে বিংশ শতাব্দীৰ আগভাগত সাহিত্যিক ভাব বিচাৰেৰে সামাজিক চেতনা জগাই তোলাত হিন্দী ভাষা সোঁহাত স্বৰূপ হল। এই পাৰিপ্ৰেক্ষিতত এইটো স্পষ্ট-হৈ উঠে যে তৎকালীন হিন্দী সাহিত্যত ৰাষ্ট্ৰিয়ভাবে প্ৰধান্য লাভ কৰিছিল। হিন্দী গদ্য বিকাশত ব্ৰজভাষা গদ্য আৰু দেশভাষা গদ্যই (থলুৱা-ভাষা) ঠাই দখল কৰিছে। আধুনিক কালত দেশ-ভাষা গদ্যৰ আবিৰ্ভাব হিন্দী সাহিত্যৰ উন্নতিৰ এক বলিষ্ঠ পদক্ষেপ। ইয়াৰ আগলৈকে হিন্দীৰ প্ৰায়বিলাক ৰচনা কাব্যৰ মধ্যে সম্পাদিত হৈছিল।

ব্ৰজভাষ গদ্যঃ—চৌদ্ধ শতিকাৰ ওচৰে পাজৰে দুই এঠাইত ব্ৰজভাষা গদ্যৰ আচোঁৰ পৰিলক্ষিত হয়। তদুপৰি কৃষ্ণ ভক্ত সকলে দুই এক গদ্যমুখী ৰচনাৰ সৃষ্টি কৰিছিল। গোস্বামী বিটঠল নাথৰ (কোনো কোনোৰ মতে বল্লভাচাৰ্য) 'শৃঙ্গাৰ-ৰস-মণ্ডন' এই সন্দৰ্ভত বিশেষ উল্লেখযোগ্য। 'চৌৰাশী বৈষ্ণৱন কী বাৰ্ত্তা' নামক আন এখন এই শ্ৰেণীৰ গ্ৰন্থও পোৱা গৈছে। এই দুই গ্ৰন্থত গদ্য সাহিত্যৰ সুবিকাশ স্পষ্ট হোৱা নাই যদিও তৎকালীন কাব্যসাহিত্যত ই সম্যক স্থান অধিকাৰ কৰিব পাৰিছিল। "ইয়াৰ পৰবৰ্ত্তী কালত ব্ৰজভাষা গদ্যত সাধাৰণতে দুই প্ৰকাৰ গ্ৰন্থ লিখা হৈছিল—সাহিত্যিক গ্ৰন্থৰ টিকা সমূহ আৰু স্বতন্ত্ৰ গ্ৰন্থসমূহ টিকা সমূহৰ ভিতৰত হৰিচৰণ দাসৰ বিহাৰী সপ্ত-শতীৰ টিকা, কবিপ্ৰিয়াৰ টিকা, মহন্ত প্ৰভূ ৰামচৰণৰ ৰামচৰিত মানসৰ টিকা, প্ৰতাপসিংহৰ মতিৰাম ৰসৰাজৰ টিকা আদিয়েই প্ৰসিদ্ধ আছিল। স্বতন্ত্ৰ গ্ৰন্থ সমূহৰ ভিতৰত প্ৰিয়াদাসৰ সেৱক চন্দ্ৰিকা, হীৰালালৰ আইন ই-আকবৰীৰ ভাষা বচনিকা, লল্লুলাল অনূদিত হিতোপদেশ আদি গ্ৰন্থৰ সৃষ্টি হৈছিল।"৫ এই কালছোৱাতে এজন অজ্ঞাতনামা লিখকৰ 'নাসিকেতো-পখ্যান' শীৰ্ষক পুথি এখন উদ্ধাৰ হৈছে। কোনো কোনোৱে সূৰতি মিশ্ৰৰ 'বেতাল পঞ্চাধিংশতি'কো এই কালৰ সাহিত্যৰ এক উচ্চ পৰ্য্যায়ৰ চানেকি বুলিও কয়।

দেশভাষা গদ্যঃ—হিন্দী গাহিত্যত দেশ ভাষা গদ্যই ১৮শ শতিকাত জন্ম পাইছিল যদিও ১৯শ শতিকাতহে ই বিকাশৰ মূল উৎস পাইছিল। দেশ ভাষা গদ্যৰ বিকাশৰ মূলাধাৰ হৈছিল ইংৰাজ সকলৰ পৃষ্ঠপোষকতা তৎকালীন জনসমাজত শাসনকাৰ্য্য সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ ইংৰাজ সকলে জনসাধাৰণৰ থলুৱা ভাষাৰ আৱশ্যকতা অনুভৱ কৰাৰ মূলতে

ইয়াৰ বিকাশ সম্ভৱ হৈ উঠিছিল। তদুপৰি চলিত ব্ৰজ; ফাৰ্চী, উৰ্দু আদিৰ জটিলতাই দেশ ভাষা গদ্যৰ ভেটি সুদৃঢ় কৰাত সমল যোগাইছিল। সেই সময়তে দক্ষিণত কেইজনমান মুছলমান লিখকে দেশ ভাষা গদ্যত ( তেওঁলোক 'হিন্দুৱী' বুলি কয়) পৃষ্ঠপোষকতা আগবঢ়াইছিল।

দেশ ভাষা গদ্যৰ সাহিত্যিক সকলৰ অন্যতম চাৰিজন প্ৰাৰম্ভিক লেখক মুন্সী সদাসুখ লাল, ঈংশাঅল্লখাঁ লল্লুদ লাল, পণ্ডিত সদল মিশ্ৰ আদিয়ে গদ্য সাহিত্যত উত্থান আনিছিল। এই সন্দৰ্ভত 'পঞ্চাংগ দৰ্শণ'ৰ লিখক পণ্ডিতে মথুৰানাথ শুক্লৰ নামো উল্লেখ নকৰি নোৱাৰি। সদাসুখলাল ৰচিত সুখসাগৰ, ঈংশাঅল্লাখাঁৰ ৰাণী কেতেকীৰ কাহিনী, লল্লুলালৰ প্ৰেমসাগৰ, মাধবানল, ৰাজনীতি; ব্ৰজভাষা-ব্যাকৰণ, সভা-বিলাস; লাল চন্দ্ৰিকা আৰু মিশ্ৰ ডাঙৰীয়াৰ চন্দ্ৰাৱতী আদিয়ে কম বেচি পৰিমানে দেশ ভাষা গদ্যৰ দৈহিক আৰু ৰসিক পৰম্পৰা বজাই ৰাখিছে। পৰবৰ্ত্তী কালত এই পৰম্পৰাৰ আঁতিগুৰি ধৰোতাসকল চমুকৈ হল—প্ৰতাপ নাৰায়ণ মিশ্ৰ বাল্যকৃষ্ণ ভট্ট, বদ্ৰীনাৰায়ণ চৌধুৰী, ৰাধাচৰণ গোস্বামী, বালমুকুন্দ গুপ্ত প্ৰভৃতি।

**কাব্য খণ্ডঃ**—আধুনিক গদ্য-সাহিত্যৰ দৰেই পদ্য সাহিত্যতো ব্ৰজভাষা কাব্য আৰু দেশভাষা কাব্যই ঠাই পাইছিল। হিন্দী গদ্য সাহিত্যৰ বিকাশে নতুনতাৰ আবৰণ পিন্ধাৰ দৰে কবি সাহিত্যিক ভাৰতেন্দু হৰিশ্চন্দ্ৰই পদ্য সাহিত্যত নতুনতাৰ ৰহন দিয়া নাছিল। যদিও উপযুক্ত বিচাৰধাৰাৰে কাব্য-সাহিত্যত এটা লয়লাসৰ সৃষ্টি কৰিছিল। ভাৰতেন্দু অনুগামী প্ৰতাপ নাৰায়ণ মিশ্ৰ, প্ৰেমধন, ঠাকুৰ জগমোহন সিংহ, অম্বিকাদত্ত ব্যাস, বাবু ৰামকৃষ্ণ বৰ্ম্মা এই সন্দৰ্ভত উল্লেখযোগ্য। হৰিশ্চন্দ্ৰই দেশভাষাত ৰচিত কাব্যত স্বীকৃতি নিদছিল। প্ৰতাপ নাৰায়ণ মিশ্ৰই পুৰণি ভাগৰ শৃঙ্গাৰী কবিতাত বিশেষ আন্দোলন তুলিব পৰিছিল। ঠাকুৰ জগমোহন সিংহে 'মেঘদুত'ৰ সৰল অনুবাদ কৰি তৎকালীন কাব্য-সাহিত্যৰ শোভা বঢ়াইছিল। আধুনিক কালত ব্ৰজভাষা কবি সকলৰ ভিতৰত জগন্নাথ দাস 'ৰত্নাকৰ'ক এখন সুকীয়া আসন দিয়া হয়। ব্ৰজভাষাৰ প্ৰতিনিধি কবি হিচাবে তেওঁ খ্যাতি এৰি থৈ গৈছে। ৰত্নাকৰৰ পাচত সত্যনাৰায়ণ 'কবিৰত্ন'ই বিশেষ স্থান অধিকাৰ কৰিছে। সৰস ব্ৰজ ভাষাৰ ৰচনাৰ কাৰণে তেওঁক 'ব্ৰজ-কোকিল' উপাধিৰে বিভূষিত কৰা হৈছে। কবিৰত্ন ৰচিত কবিতাসমূহ একত্ৰিত কৰি 'হৃদয়-তৰঙ্গ' নামক কবিতা পুথিৰ জন্ম দিয়া হৈছে। কবিৰত্নৰ পাচত দেবীপ্ৰসাদ, বিয়োগী হৰি, পণ্ডিত ৰামনাথ জ্যোতিষী, নাথুৰাম শঙ্কৰ শৰ্ম্মা, লালা ভগবান দীন, শ্ৰীনাথুৰাম মাহৌৰ, কিশোৰীদাস বাজপেয়ী, গয়াপ্ৰসাদ শুক্ল, ৰায় কৃষ্ণ দাস, উমাশঙ্কৰ বাজপেয়ীৰ নাম চমুকৈ কৈ থব পাৰি। ৰায়-কৃষ্ণ দাস আৰু উমাশঙ্কৰ বাজপেয়ী কৃত ক্ৰমে 'ব্ৰজৰাজ' আৰু 'ব্ৰজভাৰতী'য়ে ব্ৰজভাষাক নতুন ৰূপ দান কৰিছিল।

আনহাতে ৰীতি কালীন কাব্য পৰম্পৰাক আওহেলা কৰি ভাৰতেন্দু যুগৰ শেষছোৱাত দেশ-ভাষা-কাব্যই মূৰ ডাঙি উঠিছল। ভাৰতেন্দু আৰু তেওঁৰ সমকালীন কবিসকলে দেশভাষাৰ কাব্যত সমাজ-সংস্কাৰ, ৰাষ্ট্ৰীয় ভাব, স্বতন্ত্ৰতা আদি সুন্দৰ ভাব-বিচাৰৰ ব্যাপক আন্দোলন

তুলিছিল। মহাবীৰ প্রসাদ দ্বিবেদীয়ে দেশ-ভাষাকেই গদ্য-পদ্য উভয়ৰে মাধ্যম কৰাৰ পোষকতা কৰিছিল আৰু পাৰ্য্যমানে সেই কাৰ্য্যত সফল হবলৈ সক্ষম হৈছিল। ফলস্বৰূপে ব্ৰজভাষাৰ অনেক কবিয়ে দেশভাষাত কাব্য ৰচনা কৰিবলৈ ধৰিলে। এই সকলৰ ভিতৰত শ্ৰীধৰ পাঠক, ৰায় দেবী প্ৰসাদ পূৰ্ণ, পণ্ডিত নাথুৰাম শঙ্কৰ আদিয়েই প্ৰধান আছিল। 'একান্তৱাসী যোগী'ৰ ৰচক শ্ৰীধৰ পাঠকক দেশভাষা কাব্যৰ জনক বুলি কোৱা হয়। হৰিঔধ, মহাবীৰ প্ৰসাদ দ্বিবেদী, মৈথিলী চৰণ গুপ্ত দেশভাষা কাব্যৰ অন্যতম কবি হিচাবে খ্যাতি লভিছে। ভাৰতেন্দু যুগৰ পৰাই দেশভাষা কাব্যই আৰু পৰবৰ্ত্তী কালত দ্বিবেদীৰ প্ৰচেষ্টাৰ গুণতেই গদ্য-পদ্য উভয়তে থলুৱা ভাষাৰ প্ৰচলন হবলৈ ধৰিলে। আজিৰ হিন্দী সাহিত্য আৰু ভাব-বিনিময়ৰ আদান প্ৰদানৰ মূলতো থলুৱা-ভাষাই নিৰ্ভৰশীল হৈ আহিছে। সহজ সৰল ভাষাৰ মাধ্যমৰে সমগ্ৰ দেশতেই হিন্দী ভাষা-সাহিত্যৰ প্ৰসাৰৰ ফলতেই আধুনিকতাৰ আলমত ছায়াবাদী-ৰহস্যবাদী যুগৰ নবীনতম কাব্য-ধাৰাই বিশেষ উন্নতি লাভ কৰিলে। নবীনতম হিন্দী সাহিত্যৰ দুই ডেউকাৰ লালন-পালনত ৰদ বৰযুণক আওহেলা কৰি বৰ্ত্তমান হিন্দী ভাষাই বিভিন্ন পৰম্পপৰাৰ গইনা লৈ ক্ৰমবিকাশৰে কালজয়ী সাহিত্যৰ সৌধ নিৰ্ম্মান কৰাৰ চেষ্টা সফল হৈছে।

---

সাহায্য গ্ৰন্থ পঞ্জী—

(১) হিন্দী সাহিত্য কা ইতিহাস: ৰামচন্দ্ৰ শুক্ল

(২) হিন্দী সাহিত্য কা আধুনিক ইতিহাস: আচাৰ্য ৰাজকিশোৰ ত্ৰিপাঠী

(৩) হিন্দী সাহিত্য কা সৰল ইতিহাস: ৰাজ নাথ শৰ্ম্মা

(৪) সংক্ষিপ্ত হিন্দী সাহিত্য আউৰ সাহিত্যকাৰ: সুধাকৰ পাণ্ডে।

লাৱণ্য বৰুৱা
২য় বাৰ্ষিক, কলা

# জ্যোতিপ্ৰসাদ ঃ সুন্দৰৰ পূজাৰী

সুন্দৰৰ সাধনাই হৈছে কৃষ্টি বা সংস্কৃতি ; সংস্কৃতিৰ পূৰ্ণ বিকাশতেই মানুহৰ জীৱনৰ পৰম আনন্দ। মানুহে সভ্যতাৰে, সংস্কৃতিৰে, সুন্দৰকেই-' মানুহৰ জীৱনলৈ নমাই আনিবলৈ বিয়াকুল। সেয়ে অসমৰ কৃতি সন্তান সৌন্দৰ্য্য সাধক জ্যোতিপ্ৰসাদ আগৰৱালাই কেৱলমাত্ৰ কল্পনাৰ অনুভূতিৰে নহলেও বাস্তৱৰ বিভিন্ন সংঘাটৰ মাজেদি ৰাজনীতি, সমাজনীতি শিল্প সংস্কৃতি সকলোৰে বিপ্লৱ আনিবলৈ আগবাঢ়ি আহিল। বিপ্লৱ আছিল যাৰ জীৱনৰ আদৰ্শ, প্ৰগতিৰ চিন্তা আছিল যাৰ কৰ্ম্ম প্ৰেৰণা, সেই জ্যোতিপ্ৰসাদেই দেখুৱাই থৈ গল— শিল্প সংস্কৃতিৰ পথ, কাইটীয়া—আদৰ্শবাদ প্ৰতিস্থাৰ বাটত শাসন, সমাজ, বন্ধন সকলোৰে হেঙাৰ আছে।

সাহিত্য সংস্কৃতিৰ পৰিসৰত শঙ্কৰদেৱ, মাধৱদেৱৰ উত্তৰাধিকাৰী আৰু শ্ৰেষ্ঠ যুগনায়ক জ্যোতিপ্ৰসাদ আগৰৱালাও এটা যুগান্তকাৰী ঘটনা। প্ৰথম যুদ্ধোত্তৰ অসমত যেতিয়া ঔপনিবেশিকতাৰ হেচাঁত এই নবজাগৃতিৰ যুগ, ধনতান্ত্ৰিক বিকাশৰ বন্ধ্যা বালিচৰত অপৈনত ক্ষীনস্ৰোতা সেই সন্ধিক্ষণতেই অসমৰ সংস্কৃতি জগতৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ আগমন হৈছিল। অসমত নৱনাট্যৰ প্ৰতিস্থাতা আধুনিক সঙ্গীতৰ জনক, অসমৰ প্ৰথম বোলছবি স্ৰষ্টা স্বাধীনতা সংগ্ৰামৰ নিৰ্ভীক নায়ক, কবি, সাংবাদিক আৰু বিপ্লৱী চিন্তাবিদ আৰু নতুন অসমৰ ৰূপকাৰ হল জ্যোতিপ্ৰসাদ আগৰৱালা। প্ৰথম যুদ্ধোত্তৰ ভাৰতৰ সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনৰ সংঘাটত জ্যোতিপ্ৰসাদৰ কিশোৰ প্ৰতিভা দাবানলৰ দৰে জ্বলি উঠিল। আজীৱন শিল্পৰ সৈতে যুঁজি জ্যোতিপ্ৰসাদে কেৱল সপোন দেখাই নাছিল, নিজে এখন কল্পনাৰাজ্যৰ স্থাপনৰ অৰ্থেও লাগিছিল আৰু এসময়ত তেওঁৰ ইচ্ছাপূৰ্ণ হৈছিল। নিজ কল্পনাৰাজ্যৰ নায়ক হৈ জ্যোতিপ্ৰসাদে এক অসাধাৰণ ব্যক্তিত্বৰ পৰিচয় দিব পাৰিছিল য'ত প্ৰকাশ পাইছিল তেওঁৰ ধীমতা, বুদ্ধি আৰু স্বতন্ত্ৰতা। সেয়েহে তেওঁ নিৰ্ভীকভাৱে কৈ উঠিছিল—"দুষ্কৃতি আমাৰ শত্ৰু হৈও আমাৰ বন্ধু, সিহঁতৰ মতে আমাৰ সংঘাট অনিবাৰ্য্য বা চিৰন্তন হ'লেও সেই সংঘাটতেই সাংস্কৃতিক জীৱনৰ বিকাশ আৰু প্ৰকাশৰ সৌন্দৰ্য্য পৰিস্ফুট-হৈ উঠে।"

বহুমুখী প্ৰতিভাৰ এক অভিনৱ সমন্বয় আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। কিন্তু

এই সমন্বয় মাথোন এজন স্বৃষ্টিশীল শিল্পীয়ে যেনেদৰে কৰে তেনেদৰে কৰিয়েই জ্যোতিপ্ৰসাদ ক্ষান্ত নাছিল, নতুন উদ্ভাৱনী শক্তিৰে আৰু নিজৰ প্ৰতিভাৰ চাক্ষুস পৰিচয়ৰে তাক উদ্ভাষিত কৰি গৈছিল। অসমীয়া কবিতা গদ্য, নাটক বোলছবি, সঙ্গীত সকলোতে জ্যোতিপ্ৰসাদ অভাৱনীয় স্থৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ চিহ্নিত হোৱা দেখা যায়। বন্ধ প্ৰভাৱমুক্ত অসমীয়া গীতমাতত তেওঁ প্ৰথম বাৰৰ বাবে নিভাঁজ অসমীয়া সুৰ প্ৰয়োগৰ দ্বাৰা অভিনৱত্ব আনিছিল। এই সকলোবোৰ শিল্প, সাধনাতে ডুব গৈ আছে জ্যোতিপ্ৰসাদৰ আপোচহীন দুৰ্ব্বাৰ গতিবেগ-সম্পন্ন দুঃসাহসী কৃষ্টিশৈলী শিল্পী মনটো। শিল্পী. সংস্কাৰক, বিপ্লৱী লেখক জ্যোতিপ্ৰসাদৰ চাৰিত্ৰিক আন এটি বৈশিষ্ট্য হৈছে তেওঁৰ দ্ৰুত পৰিবৰ্ত্তন-শীল পৃথিবীৰ পৰিপ্ৰেক্ষিতত সদা সমাজ সচেতন মনটো; অথচ জ্যোতিপ্ৰসাদ কোনো দিন নিৰাশাবাদী নাছিল। সত্য-শিৱ সুন্দৰৰ স্বপ্নত তেওঁ নিজকে উটুৱাই দিছিল। সমগ্ৰ জীৱন ব্যাপক কৰ্মত আৰু চিৰদিনে সুন্দৰে ভবিষ্যতৰ পৰিকল্পনাত বিমুগ্ধ হৈ লক্ষ্যক স্থিৰ আৰু দৃষ্টিক উদাৰতাৰে বিশাল কৰি।

নিজেই এক জীৱন্ত শক্তিৰ প্ৰতীক আছিল জ্যোতিপ্ৰসাদ। ধ্যান সৌন্দৰ্য্য, আৰু সুন্দৰৰ পূজাৰী, জ্যোতিয়ে মাথোন বিছাৰিছিল সুন্দৰৰ আন ৰাজ্য স্থাপনৰ কথা। অসমৰ একালৰ অবিস্মৰণীয় সন্তান প্ৰথমেশ বৰুৱাই যি সময়ত কলিকতাত বঙলা চলচিত্ৰৰ প্ৰান প্ৰতিষ্ঠা কৰি আছিল, সেই সময়তে জ্যোতি-প্ৰসাদে তেজপুৰত প্ৰথম অসমীয়া বোলছবিৰ উদ্যোগপৰ্বত আত্মনিয়োগ কৰি অসমীয়া চলচিত্ৰৰ ভাস্কৰৰূপে চিনাকী দিয়ে। বিদেশত গৈ বোল-ছবি মাধ্যমৰূপে অঙ্কিত হোৱা বস্তুখিনিকে লৈ বহি নাথাকিল। "জয়মতী" "ইন্দ্ৰমালতী" ছবি উপহাৰ দি গ'ল। যুদ্ধই পৰিবৰ্ত্তন সাধি কলাৰ লাগি গল। যুদ্ধ মানে বহুমুখী প্ৰতিভা চয়নেবে মানুহৰ অভাৱ স্বাধীনতাৰ আগচোৱাতে ভাৰতীয় সবাক চিত্ৰ ( প্ৰথম আলম আৰা )ৰ মতে ফেৰ মাৰি তুলনামূলকভাৱে "জয়মতী"ৰ চিত্ৰৰূপ দিয়াৰ সাহস দেখি সকলো আচৰিত হৈছিল

বিশ্ববিখ্যাত মনিষাৰ গোপন ভাবৰশিৰ কথা কৰ্মৰ দ্বাৰাহে বুজিব পৰা যায় আৰু এই সকলোবিলাক মনিষাৰ অধ্যয়ন আছিল গনতান্ত্ৰিকতা। যিদৰে শঙ্কৰদেৱ — সেইদৰে জ্যোতি প্ৰসাদ, ৰবীঠাকুৰ গান্ধী, লুথাৰ আৰু লিঙ্কণ আদি সকলোৱে গনতন্ত্ৰৰ একানপতীয়া শিল্পী। জনতাই তেওঁলোকৰ ঘৰ, জনতাই গণতন্ত্ৰ। জনতাৰ শক্তিয়ে একক বিস্তাৰ লভে। সেইদৰে শঙ্কৰদেৱৰ 'আহে সামাজিক লোক .... "ৰবীঠাকুৰৰ ... মানবেৰ মাঝে আমি বাচিবাৰ চাই... গান্ধীৰ ... ... Mankind Development, লিঙ্কণৰ by the people for the? people ... .. to the people ... ... আৰু আমাৰ জ্যোতিপ্ৰসাদৰ .. "জনতা তোৰ প্ৰাণৰো প্ৰাণৰ, মনৰো মনৰ, শিল্পী যে মই লুকাই লুকাই আছো"। আধুনিক কালজীবিৰ চাৰিত্ৰিক বৈশিষ্টত এই মনিষাৰ অন্তৰত লুকাই আছে, সৰল অন্তকৰণ।

শিল্প সাহিত্যৰ বুদ্ধি লাগে, লাগে সাহস

কানৈ কলেজ

আৰু অনুভূতি। জ্যোতিপ্ৰসাদৰ ক্ষীণ অনুভূতিৰ কথা আমি তেওঁৰ বোলছবিৰ যোগেদি পাব পাৰো। চিৰনমস্য, চিৰপূজ্য জ্যোতিপ্ৰসাদে জানিছিল। এখন সুন্দৰৰ কলাৰ জগতক বোলছবি, গীত সুৰ আৰু বক্তৃতাৰ মাধ্যমেদি সুন্দৰৰ এখন পৃথিবী কামনা কৰিছিল আৰু সেই কামনাক প্ৰকাশিছিল নিজৰ স্বকীয় ভাষাৰে। জয়মতী ছবিখন কৰিবলৈ গৈ জ্যোতিপ্ৰসাদ সৰ্বস্বান্ত হল, কিন্তু যি অপাৰিমেয় ঐশ্বৰ্য্যৰে অসমৰ সংস্কৃতি ভাণ্ডাৰ তেখেতে পূৰ্ণ কৰি গল তাক সুৰঁৰি অসমৰ ঘৰে ঘৰে লৰা ছোৱালীয়ে এতিয়া গুণগুনায় সেই অশ্ৰুসজল গানটি— লুইতৰে পানী যাবি অ বই অসমীয়া কবিতা গদ্য নাটক বোলছবি আৰু সঙ্গীত সকলোতে জ্যোতিপ্ৰসাদৰ অভাৱনীয় প্ৰতিভাৰ স্বাক্ষৰ চিহ্নিত হোৱা দেখা যায়।

জ্যোতিপ্ৰসাদৰ নাটকে অসমীয়া নাট্যসাহিত্যত যুগান্তৰৰ সৃষ্টি কৰিলে। কেৱল অসমীয়া নাটক 'ৰামনবমী' কানীয়া কীৰ্ত্তন আদি সমাজ সংস্কাৰমূলক নাটকৰ দৃষ্টান্তৰ পম খেদি বেজৱৰুৱাৰ জয়মতীৰদৰে স্বদেশ প্ৰেমোদ্দীপক ঐতিহাসিক আৰু উপাখ্যানমূলক নাটকে যি পৰিনতি লাভ কৰিছিল জ্যোতিপ্ৰসাদে তাৰ ভিতৰতেই "ইবচেনীয়" গভীৰতা আৰু গতিবেগ লৈ আনিছিল। তেওঁৰ প্ৰথম যৌৱনৰ শোণিত কুঁৱৰীক কল্পনাৰ মণিমুক্তাৰে সজাই এখন সাৰ্থক নাটক কৰি তুলিছিল। শোণিত কুঁৱৰী'ৰ কাব্যিক আবেদন লৌকিক সুৰৰ বৈশিষ্ট্যও পৰিস্ফুট হৈ উঠিছে। ৰাজকাৰেঙৰ বন্ধণমুক্তিৰ পিয়াসী উষা আৰু চিত্ৰলেখাৰ শিল্পসত্বা— চিৰন্তন আকুতিত এক লিৰিকেল আবেদনৰ প্ৰভাৱ পৰিলক্ষিত হয়। তেওঁৰ 'কাৰেঙৰ লিগিৰী' নাটকখন কেৱল তেওঁৰ সাৰ্থক ৰচনাই নহয় অসমীয়া নাট্যসাহিত্যত শ্ৰেষ্ঠ সৃষ্টিও বুলিব পাৰি। নাটকীয় উপস্থাপনাৰে "কাৰেঙৰ লিগিৰী" আজিও অসমীয়া নাটকৰ মধ্যমানি হৈ আছে। ভাৰতত আগষ্টৰ বিদ্ৰোহ লৈ লিখা জ্যোতিপ্ৰসাদৰ শেষ বয়সৰ ৰচনা "লভিতা" আংগিক আৰু সৌষ্ঠৱত "কাৰেঙৰ-লিগিৰীৰ" দৰে নিখুত নহলেও আৰু নাটকীয় বিন্যাসত cinematic treatment থাকিলেও মহাযুদ্ধৰ পৰিপ্ৰেক্ষিতত প্ৰজ্বলিত সীমান্ত প্ৰদেশ অসমৰ ঘটনা বৈচিত্ৰ আৰু ব্যাপকতাৰ যি বাস্তৱ চিত্ৰায়ন হৈছে তাৰে নাটখনে epic চৰিত্ৰ অৰ্জ্জন কৰিছে।

মঞ্চ নিৰ্দেশৰ নিখুঁত কৌশলতে নহয় বিষয় বস্তু নিৰ্ব্বাচন চৰিত্ৰসৃষ্টি, কথোপকথন আৰু সংঘাটত দেখুওৱা কৃতিত্বৰ ওপৰিও নাটকৰ অন্তৰ্নিহিত অৰ্থ আৰু সৌন্দৰ্য্যৰে আগৰৱালাদেৱে তেওঁৰ ব্যক্তিত্বৰ পৰিচয় প্ৰতিখন নাটকতে দিছে।

কবি জ্যোতিপ্ৰসাদৰ মাজত আমি বিছাৰি পাওঁ এজন অনুপ্ৰেৰণা সম্পন্ন মানুহ। তেওঁৰ জাতীয় অনুভূতিৰে ভৰপূৰ অন্তৰখন কবিতাত যেন প্ৰতিফলিত হৈ উঠিছিল। তেওঁৰ ৰচিত ন যোৱান ই হিন্দ" "অসমীয়া ছোৱালাৰ উক্তি "আদি কবিতাত শিল্পীৰ সৃষ্টি প্ৰতিভা জাতিয় প্ৰেম. কবিতাৰ আত্মতিমূখী আবেগ এতিয়াও দুনিবৰ্াৰ। তেওঁৰ যৌৱনৰ কবিতাসমুহত সংগ্ৰামী চেতনাৰ সাৰ্থক প্ৰতিধ্বনি হোৱা দেখা যয়। জ্যোতিপ্ৰসাদৰ কবিতাৰ বলিষ্ঠ declamatorysty'e বা সোচ্চাৰ ভঙ্গীয়ে আমাক বিদ্ৰোহী কবি "নজৰুললৈ" সততে মনত

পেলাই দিয়ে। তেওঁৰ কবিতাত মন্ত্ৰ যুগৰ সম্বৰ্ধনা বিৰাজমান। নিজে চাহ বাগিছাৰ মালিক হৈও কবিগত শ্ৰমিকেৰে বিভিন্ন জাতি উপজাতিৰ ভিতৰত সাম্য আৰু সমন্বয় উদ্গাতা ৰূপে থিয় দি জয়গান গাইছিল এইবুলি—

সাম্য মৈত্ৰীৰ ময়েই ৰবুৰা
চাহ বাগিছাৰ ময়েই বনুৱা।

ছন্দৰ সীমাবদ্ধতাৰ ভিতৰত আবদ্ধ নাথাকি লয়লাস গতিত শব্দৰে ছবি আঁকি কবিতা লিখাটো আছিল তেওঁৰ প্ৰধান বৈশিষ্ট।

সংস্কৃতিৰ সাধক হিচাবে জ্যোতিপ্ৰসাদ আছিল জনতাৰ সংস্কৃতিৰ লেখত লবলগীয়া শিল্পী। সাহিত্য সংস্কৃতি সকলোতে তেওঁৰ নিজস্ব স্বকীয়তা ফুটাই তুলিবলৈ যত্ন কৰিছিল। তেওঁৰ বিশ্বাস আছিল যে স্থাপত্যতেই প্ৰতিফলিত হয় এটা জাতিৰ চৰিত্ৰ আৰু অসমীয়া স্থাপত্য এক সহজ সৰল ৰৌপিক পৰিকল্পনাৰ দ্বাৰা সুপ্ৰতিস্থিত হব লাগিব। জ্যোতিপ্ৰসাদৰ বিশ্লেষন পৰিস্কাৰ; বৈজ্ঞানিকত্বৰ পৰিচয় অসমৰ সংস্কৃতিৰ ৰূপান্তৰৰ ক্ষেত্ৰত দেখা যায়। তেওঁ কৈছিল নতুন পোহৰত আমাৰো পুৰনি সংস্কৃতিৰ কিছু এৰিব লাগিব সেইবাবেই আনসকলেও এৰিব লাগিব তেওঁলোকৰ লগত লৈ অহা পুৰনি সংস্কৃতি।

জ্যোতিপ্ৰসাদৰ মতে সংস্কৃতি যদি এটা ত্ৰিভূজ হয় তেনেহলে সি যিমানে উপৰলৈ উঠিব, সিমানে তাৰ গুৰিটো বহলাব লাগিব তেহে সি এটা শক্তিশালী গাথনি ৰূপে টিকিব পাৰিব। "মানব সংস্কৃতিৰ উচ্চতা-বিকাশ হয় মানৱ মনীষা, প্ৰতিভা, কল্পনা মেধা বুদ্ধি থকা মনটোৰ মাজেদি আৰু ব্যাপকতা প্ৰকাশ হয় জনতাৰ মাজত ... ...।"

সাম্ৰাজ্যবাদৰ অৰ্থনৈতিক গাঁঠনিত সংস্কৃতি যে পঙ্গু, দুস্কৃতি হয় সেই কথা জ্যোতিপ্ৰসাদে বুজিব পাৰিছিল কাৰণেই তেওঁৰ বিপ্লৱী ৰচনা বেছি বাস্তৱ, আৰু শক্তিশালী প্ৰেৰনাৰে অভিভূত হৈ জনতাক বেছিকৈ আকোৱালী লবলৈ সক্ষম হব পাৰিছিল। সেয়েহে মৃত্যুৰ আগলৈকে অসমৰ সংস্কৃতিৰ বেদীত জীৱন শিখাৰ শেষ ৰশ্মিৰে জ্যোতিপ্ৰসাদে অনিৰ্ব্বাণ বন্তি এগচ জ্বলাই গল।

সৌন্দৰ্য্যৰ পূজাৰী জ্যোতিপ্ৰসাদে মনে প্ৰানে অসমীয়া সঙ্গীতৰ এটা নতুন ৰূপ আৰু নববিন্যাসৰ কামনা কৰিছিল। গীত ৰচনা, সুৰ সংযোজনা আৰু বিভিন্ন বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ সম্পৰ্কত অসমীয়া সঙ্গীতৰ কেনে ৰূপ হোৱা উচিত সেই সম্পৰ্কে তেওঁ এটি নিটোল ধাৰণা কৰিব পাৰিছিল। তেওঁৰ আপোচহীন সংগ্ৰামী মনৰ কথা তেখেতৰ ৰচিত গীতবোৰৰ মাজেদি প্ৰকাশিত হৈ উঠিছিল।

"বিশ্ববিজয়ী নৱজোৱান,
তই কৰিব লাগিব অগ্নিস্নান" — আদি

গানৰ সহজ অথচ গভীৰ সুৰৰ প্ৰাণ মতলীয়া কৰা আবদন ভৰা অসমীয়া লোকসংগীতৰ প্ৰথম পথ প্ৰদৰ্শক বুলি কব পাৰি। তেওঁ অসমীয়া লোকসংগীত যেনে —আইনাম, বিয়ানাম, বিহুনাম টোকাৰী গীত আদিক নাগৰিক মঞ্চত উপস্থিত কৰি তদানীন্তন শিক্ষিত সমাজত এক নতুন যুগান্তৰ আনি দিছিল।

সেই সময়ৰ শিক্ষিত সমাজত আদিৰ সাত্মক বিহুগীত অশ্লীল বুলি নিষদ্ধ আছিল বাবে জ্যোতিপ্ৰসাদে বহুসময়ত কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল। তথাপি তেওঁ সঙ্কল্পত অচল

অটল আছিল। মৌলিক অসমীয়াৰ বৈশিষ্টৰ বাট নেহেৰুৱাকৈ জ্যোতিপ্ৰসাদে পাশ্চাত্য সুৰ ভাৰতীয় ৰাগ সংগীত আৰু অসমীয়া লোক সংগীতৰ মাজত এক সাৰ্থক সমন্বয় সাধন কৰিছিল। সেয়েহে এই নিজা বিশেষ ভঙ্গীৰ সৃষ্টিৰ গীতবোৰক অসমৰ "জ্যোতি সঙ্গীত" আখ্যা দিয়া হৈছে। তেৱেঁ পোন প্ৰথমে অসমত thematic music ৰ সৃষ্টি কৰিছিল।

জ্যোতিপ্ৰসাদে কেৱলমাত্ৰ পলায়নবাদী সুকুমাৰ কলাশিল্পী হৈ সপোনৰ মায়াজালৰ বুলনি চ'ৰাতেই আবদ্ধ নাথাকিছিল। প্ৰয়োজন হলে- সমাজত ঘটি থকা নানা বেমেজালিৰ কাঁইটীয়া বাটত জপিয়াই পৰিব পাৰিছিল। ইয়াৰ মূলতেই যে-জ্যোতিসাদৰ সমাজ বিশ্লেষণৰ অপূৰ্ব্ব ক্ষমতা আছিল তাক সহজে অনুমান কৰিব পাৰি। জ্যোতিপ্ৰসাদে তেওঁৰ সমসাময়িক জগতখনৰ বুকুত চলিথকা বিভিন্ন দৰ্শন ধাৰাৰ সঙ্গমস্থলৰ মাজত থাকিও পৰীক্ষকৰ দৃষ্টিৰে চিন্তা কৰিব পাৰিছিল — নিঃসংকোচতা আৰু নিৰ্ভিকতাৰে। গান্ধী আৰু মাক্সবাদৰ চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰি জ্যোতিপ্ৰসাদে কৈছিল— "বিপ্লবে যদি আমাৰ মাজত এটা ভয়াবহতাৰ সৃষ্টি কৰি ধ্বংসাত্মক মনোভাব জগাই নানা বিপদ সঙ্ঘটিত কৰে এটা কদাকাৰ দৈত্য ৰূপেৰে, কিন্তু তথাপিও সি মূৰত ভাৰ বৈ আনে এক নৱসংস্কৃতিৰ নতুন সৃষ্টিৰ মনোসম্ভাৰ॥ 'অহিংসাই যে মানব সংস্কৃতিৰ চৰম পৰিনতি তাক অৱশ্যে মনত ৰাখিছে" বুলি তেওঁ ফট্‌ফটীয়াকৈ বুজিছিল। জ্যোতিপ্ৰসাদৰ আচৰিত কৰ্ম্মদক্ষতাৰ ভাৱ পৰিস্ফুট হৈ উঠিছিল ব্যস্ত হৈও বিভিন্ন কামত। সকলো কামতে অদ্ভুদ ৰূপেৰে, ৰুচিৰ পৰিচয় দি বাধ্য বাধকতা নথকাকৈ নিজস্ব ব্যক্তিত্ব ফুটাই তুলিব পাৰিছিল। আৰু সেই লক্ষ্য, সেই দৃষ্টি আছিল—

হে মোৰ, ভাৰতৰ
চিৰসুন্দৰ চিৰশ্যামল
বিশ্বৰূপ জ্যোতি স্বৰূপ সংস্কৃতি!
মই মানুহে মই শিল্পীয়ে
তোমাক নমস্কাৰ কৰো। * * *

---

"ভাগি গল বীনাখনি ছিগি গল তাঁৰ।
ৰই গ'ল অৱশেষ অমিয়া জোকাৰ॥' বেজবৰুৱা

# বিজ্ঞানৰ আগন্তুক সমস্যা

অধ্যাপক—ডিম্বেশ্বৰ চলিহা

আধুনিক বিজ্ঞানৰ গৱেষনাই বোলো বা অনুসন্ধানেই বোলো, সকলোৰে মূলতে আছে এটা প্ৰগতিৰ চিন্তা। ই আধুনিক বিজ্ঞানক কেৱল গতিশীল কৰিয়েই এৰা নাই বিজ্ঞানী-সকলক প্ৰেৰনাও যোগাইছে। গতিহীনতা সৃষ্টিৰ বিৰোধী তদুপৰি ভয়ানকো ডাইনচাউৰৰ দৰে প্ৰাণীবিলাকে গতিশীলতাৰ অভাৱতে-পৃথিৱীৰ পৰা লোপ পাব লগা হল। আমাৰ ভবিষ্যত অনন্ত। এই অনন্ত ভবিষ্যতত আমাৰ উন্নতিৰ কাৰণে যদি আমি চিন্তা আৰু কাম কৰিব নোৱাৰো তেন্তে এতিয়া কৰাব দৰেই কাম এসোপা কৰি থকাটো অৰ্থহীনেই নহয় অমুলকো।

ভবিষ্যত উন্নতিৰ বহুতো দিশ আমাৰ আগত আছে। তাৰে দুই এটা দিশত কাম কৰিবলৈ লাগে যথেষ্ট মগজু আৰু শক্তি। ২য় মহাযুদ্ধৰ আনবিক শক্তি আচনিত খৰছ কৰাৰ দৰে অৰ্থও লাগিব যথেষ্ট। আমাৰ সম্মুখত প্ৰশ্ন আছে বহুত আৰু তাৰ সমাধা-নৰ পথো আমাৰ হাততে। সমাধান কৰিব লগা দুই এটা কঠিন সমস্যাৰ কথাকে এই ক্ষুদ্ৰ প্ৰৱন্ধটিত উল্লেখ কৰা হব।

আমাক সুৰ্য্যৰ শক্তি যথেষ্ট পৰিমানে লাগে। সভ্যতাৰ কাৰণে আমি সূৰ্য্যৰ ওচৰত ধৰুৱা। কয়লা, তেল, প্ৰাকৃতিক গেছ আদি সূৰ্য্যশক্তিৰে বিভিন্ন ৰূপ। আমাৰ বেচিভাগ খাদ্য সূৰ্য্যশক্তিৰেই তৈয়াৰী। আমি ব্যৱহাৰ কৰা কাঠ আৰু জলশক্তিৰো গুৰিতেই এই সূৰ্য্য। সূৰ্য্যৰ অবিহনে এই বিনন্দীয়া পৃথিৱী একেদিনাই মৰিশালীত পৰিনত হব।

সালোক সংশ্লেষন ঃ— সালোক সংশ্লেষনৰ যোগেদি উদ্ভিদে সূৰ্য্যৰ শক্তি আহৰণ কৰে। আমি আহৰণ কৰো উদ্ভিদৰ পৰা। উদ্ভিদৰ সহায় নোলোৱাকৈ পোনে পোনে সূৰ্য্যশক্তি আহৰণ কৰাৰ ক্ষমতা আমাৰ নাই। এই ক্ষমতা আমাৰ হাতলৈ আনিব পৰাতো বোধহয় বিশ্বৰ বুৰঞ্জীত আনবিক শক্তিৰ সৃষ্টিতকৈও বেচি উল্লেখযোগ্য হব।

কৃত্ৰিম সালোক সংশ্লেষন তৈয়াৰ কৰিবৰ কাৰণে বৰ বেচি গৱেষনা এতিয়াও চলা নাই। পৃথিৱীৰ মুঠ বাৰ্টামান

বিজ্ঞানাগাৰতহে ইয়াৰ গবেষনা চলিছে। সেউজীয়া পাতৰ সহায় নলৈ ৰাসায়নিক প্ৰক্ৰিয়াৰে খুব কম খৰচতে সূৰ্য্যশক্তি আহৰণ কৰিব পাৰিলে আমাৰ ভৱিষ্যত উন্নতিৰ বাট উজ্বল হব। সেউজীয়া পাতৰ নিচিনাকৈ সূৰ্য্যশক্তি আহৰণ কৰাৰ কিবা এটা জটিল ৰাসায়নিক পৰিবৰ্ত্তনৰ ব্যৱস্থা কৰিব পৰা হলেও ভাল আছিল। ৰাইজ আৰু ৰজা উভয়ে যদি কৃত্ৰিম সলোক সংশ্লেষনৰ উপকাৰীতা বুজি উঠে ইয়াক তৈয়াৰ কৰিবলৈ আধুনিক বিজ্ঞানীৰ বেচি পৰ নালাগিব।

আনবিক সংযোগঃ—— আনবিক সংযোগৰ (A tomic fusion) পৰা শক্তি তৈয়াৰ কৰাৰ ক্ষমতাও মানুহে নিশ্চয় এদিন পাব। বৰ্ত্তমান আনবিক শক্তিৰ ঘাই বস্তু হৈছে দুবিধ দুৰ্লভ পদাৰ্থ-ইউৰেনিয়াম আৰু থৰিয়াম যোৱা কুৰি বছৰ মানৰ পৰা সন্দেহ কৰি অহা হৈছে যে সূৰ্য্য আৰু নক্ষত্ৰবিলাকত যথেষ্ঠ পৰিমানৰ হাইড্ৰোজেন আপোনা আপুনি জ্বলি আছে। যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়া দুয়োখন ৰাষ্ট্ৰই অগাপিছাকৈ হাইড্ৰোজেন বোমা আবিস্কাৰ কৰিলে। দিউটেৰিয়াম Deutarium) আৰু ট্ৰাইটিয়াম (Tritium) নামৰ হাইড্ৰজেনৰ দুটা ৰূপান্তৰিত অৱস্থা শক্তিলৈ পৰিণত কৰাটোৱেই হব ইয়াৰ মূল পদ্ধতি। এই পাতল পদাৰ্থ দুটিৰ পৰা হাইড্ৰোজেন তৈয়াৰ কৰাৰ ক্ষমতা মানুহে নিশ্চয় এদিন পাব। হাইড্ৰোজেন সংযোগ (Hydrogon fusion) হয়তো মানুহৰ শাসনাধীন হব আৰু ভৰৰ (mass) পৰা তৈয়াৰ কৰাৰ ক্ষমতাত মানুহে পাব এইখিনি কৰিব পাৰিলে আনৱিক শক্তিৰ কাৰণে বৰ্ত্তমানে ব্যৱহাৰ কৰা ইউৰেনিয়াতকৈ শতগুনে খৰচ কৰিব। হয়তো সস্তীয়া হাইড্ৰোজেন বোমা তৈয়াৰ কৰিব পাৰিলে সমাজৰ উন্নতিৰ হকে ঔদ্যোগিক বিকাশতো লগাব পৰা যাব।

আনবিক শক্তি বিলাকো ভালকৈ জনা আমাৰ নিতান্ত প্ৰয়োজন। পৰমানুটিৰ ভিতৰত থকা বিশ্বব্ৰমাণ্ডখন বৰ ভয় লগা আৰু অ-আবিস্কাৰিত। বাহিৰৰ বস্তুবিলাক শাসন কৰা নিয়ম বিলাক পৰমানুৰ ভিতৰত থকা প্ৰটন, নিউট্ৰ'ন আদি পদাৰ্থবিলাকত নাখাটে। নিউক্লিয়াচৰ ভিতৰত নিহিত হৈ থকা শক্তিবিলাকক বুজাতো আৰু কঠিন। এই সমস্যাৰ সমাধান কৰিবলৈ প্ৰয়োজন কশ্মিক (Cosnic) ৰশ্মিৰ। এই ৰশ্মিৰ বিশেষত্ব এয়ে যে ই বিশ্বব্ৰহ্মাণ্ডৰ পৰা আহে। তদুপৰি এনে শক্তি লৈ আহে যে ই পৰমানুভেদ কৰি যাব পাৰে এই সমস্যাৰ গুৰুত্ব বৰ্ত্তমান সকলোৱে উপলব্ধি কৰিছে আৰু সেয়েহে বিৰাট বিৰাট পৰমানু স্মেচাৰ (Atcm smasher,) চাইক্লোটোন, চিনক্লোটন ইত্যাদি আনবিক শক্তি আচনিত তৈয়াৰ কৰা হৈছে পৰমানুটিৰ ভিতৰখনলৈ বিজ্ঞানী সকল এতিয়াও ব্যস্ত আৰু তেওঁলোকৰ আশা যে বহুতো নতুন কথাৰ সম্ভেদ হয়তো তাত আৰু পাব।

অনন্ত কোটী ব্ৰহ্মাণ্ড ঃ— বিশ্ব ব্ৰহ্মাণ্ডৰ আকাৰ সম্বন্ধেও আমাৰ কোনো স্পষ্ট ধাৰণা নাই। কোটী কোটী সৌৰ জগতৰ প্ৰত্যেক খনতেই কোটী কোটী নক্ষত্ৰ। এনে কোটী কোটী নক্ষত্ৰৰে আমাৰ পৃথিৱীখনো সাধাৰণ এটা নক্ষত্ৰ মাত্ৰ। দহ বা কুৰি বছৰৰ আগতে জনাতকৈ এই পৃথিৱীখনৰ বিষয়ে আমি আজ

অলপ বেচি জানিছো আৰু শিকিছো। কাইলৈ হয়তো এইকন জ্ঞান আৰু বাঢ়িব। সৌৰ-জগতৰ ওপৰত হোৱা গবেষনাই আমাৰ জ্ঞানৰ পৰিসৰ বঢ়াই দিছে। বৰ্হিজ গতৰ পৰা পোৱা তাপ আৰু পোহৰৰ পাছত আজি আমি অনা-তাঁৰৰ ঢৌও (Radio weaves) পাইছো। ই আমাক সহস্ৰ বস্তুবাদী সৌৰজগতবোৰৰ ৱস্তুৰ উমান দিছে।

বিশ্বব্ৰহ্মাণ্ড খনৰ বিষয়ে খৰচি মাৰি জনাতো আমাৰ নিতান্ত প্ৰয়োজন। জ্যোতিৰ্বিদ সকলে এই কামত আগবাঢ়ি তথ্যপাতি সমূহ দাৰ্শনিক সকলৰ আগত দাঙি ধৰা উচিত। সঁচা কথা কবলৈ হলে বিশ্বব্ৰহ্মাণ্ডখনৰ অৱস্থা, গঠন প্ৰণালী ইত্যাদি আমাৰ কাৰণে আজিও এটা অবুজ সাঁথৰ হৈয়েই আছে। এই সাঁথৰ ভাঙিবলৈও হয়তো আৰু বহুতো শতিকা লাগিব। কেতিয়াবা আমাৰ নিজৰে প্ৰশ্ন হয়—আমিনো ক'ৰ পৰা আহিলো? কলৈ যাম? বিশ্বব্ৰহ্মাণ্ড খনো কিমান পুৰণি ইত্যাদি ইত্যাদি। সঘনে গঠিত হোৱা তৰা বিলাকৰ পৰা আমি বুজো যে বিশ্বব্ৰহ্মাণ্ডক আন আন কোনতো যথেষ্ঠ পৰিমানৰ আনবিক শক্তি ব্যৱহাৰ হব লাগিছে। পৃথিৱীখনে পোৱালী মেলিব লগা হোৱাতো আকৌ বিজ্ঞানৰ আগন্তুক সমস্যা।

## শব্দতকৈও বেগীঃ--

শব্দৰ বেগতকৈও বেগাই যাব পৰা মিছাইল আৰু বিমানৰ স্থষ্টি হৈছে। পৃথিৱীৰ মধ্যাকৰ্ষনে ঢুকি পোৱা মহাকাশৰ মাজলৈ আমি ৰকেট পঠাবলৈ সমৰ্থবান হৈছো। পৃথিৱীৰ চাৰিওফালে নিজ কক্ষপথত ঘূৰি ফুৰিব পৰা কৃত্ৰিম চন্দ্ৰ আৰু আন আন কৃত্ৰিম উপগ্ৰহৰ স্থষ্টি হৈছে। আমাৰে দুই এজন বৈজ্ঞানিকে প্ৰশিক্ষণ লৈ মহাকাশ বিচৰণ কৰাৰ ক্ষমতা লভিছে। পৃথিৱীৰ এঠাইৰ পৰা আন এঠাইলৈ যাবলৈ যাবলৈ অতি বেগী ৰকেট আৰু জেটবিমানৰ স্থষ্টি হৈছে। এই বিলাকে পৃথিৱীৰ বায়ুমণ্ডল পাৰ হৈ গৈ সৌৰজগতৰ মাজতো ভ্ৰমণ কৰা ক্ষমতা পাইছে।

**মহাকাশজ্ঞান আৰু আমি ঃ—** মহাকাশ-জ্ঞান আৰু আনবিক উন্নতিৰ লগে লগে আমাক বহুতো নতুন পদাৰ্থৰো প্ৰয়োজন হৈছে। টাইটেনিয়াম, জিৰ্কানিয়াম আদিৰ দৰে বহুতো পদাৰ্থৰ আগতে নাম শুনা নাছিলো। কিন্তু এতিয়া সেইবিলাকৰ প্ৰয়োজন হৈ পৰিছে। আগতে পদাৰ্থৰ সংখ্যা আছিল ১০৩ বিধ। কিন্তু এতিয়া কৃত্ৰিম উপায়েৰে নতুন পদাৰ্থৰ স্থষ্টি কৰা হৈছে আৰু পদাৰ্থৰ সংখ্যা বঢ়োৱা হৈছে। বহুতো পদাৰ্থই সিহঁতৰ তেজস্ক্ৰিয়তাৰ ( Radio-activity ) দ্বাৰা সৰু সৰু ভাগলৈ বিভক্ত হৈছে। আনবিক বৈচিত্ৰতা আৰু সৰহ সংখ্যক আইচোটোপ তৈয়াৰ কৰা ইত্যাদিকেই ডাঙৰ ৰসায়নিক কৃত্ৰিত্ব বুলিব লাগিব।

এই শতিকাত আবিষ্কৃত হোৱা ৰঞ্জন-ৰশ্মি আৰু তেজষ্ক্ৰিয়তাৰ আগতেও সৌৰ-ৰশ্মিৰ বিকীৰণৰ সাধাৰণ সোঁত এটা পৃথিৱীয়ে পাইছিল। পাছে এতিয়া নিউক্লিয়াৰ সংঘৰ্ষ (Neclear fission), বিভিন্ন গৱেষণা আৰু উদ্যোগ ইত্যাদিৰ বেচি পৰিমাণে তেজস্ক্ৰিয়া আইচোটোপ ব্যৱহাৰৰ ফলত হোৱা বিকীৰণৰ পৰা সম্মূখত সম্পদকৈ বিপদৰ আশঙ্কাহে বেচি হৈ পৰিছে।

ৰঞ্জন-ৰশ্মিৰ পৰাই বিকীৰণ হওক বা গামা

ৰশ্মিৰ পৰাই হওক জৈৱিক পদাৰ্থৰ ওপৰত ইয়াৰ প্ৰভাৱ যথেষ্ঠ। এই নতুন ধৰণৰ বিকীৰণসমূহ প্ৰাণী জগতৰ কাৰণে নতুন বস্তু। সেয়েহে মানুহৰটো কথাই নাই আন আন প্ৰাণী সমূহেও এই বিকীৰণৰ লগত খাপ খুৱাই জীয়াই থাকিবলৈ লাহে লাহে টান পাই আহিছে। আকৌ এনে অৱস্থাতে যদি পৃথিৱীত কেনেবাকৈ আনৱিক যুদ্ধৰ সূত্ৰপাত হয় তেন্তে এই বিকিৰণৰ যে মাত্ৰা বাঢ়িব ই ধ্ৰুৱপ আৰু তাৰ ফলত হয়তো বহুতো মানুহ আৰু বহুতো প্ৰাণীও মৃত্যুৰ মুখত পৰিব। অকল সেয়ে নহয় বহুতো পুৰুষলৈকে মানুহে ইয়াৰ ফল ভোগ কৰিব লাগিব।

**মানুহৰ সতি সন্ততি ঃ—** জীৱৰ সংজ্ঞা দিয়া তেনেই সহজ নহয়। একোটা জীৱ-কোষেই জীৱৰ প্ৰতীক আমাৰ আগত দাঙি ধৰে। কিন্তু জীৱকোষৰ জ্ঞানো আমাৰ সীমিত। সৌ সিদিনালৈকে কোষৰ ভিতৰত থকা প্ৰটো-প্লাজম আৰু আন আন ৰাসায়নিক পদাৰ্থসমূহৰ বিষয়ে আমাৰ ভাল জ্ঞান নাছিল। প্ৰটো-প্লাজমমে প্ৰটিনৰ বিভিন্ন অনুৰে গঠিত— সেইয়া আমি অলপতেহে জানিছো। এপুৰুষৰ পৰা পাচৰ পুৰুষলৈ বিভিন্ন চৰিত্ৰ কঢ়িয়াই নিয়া দিনবোৰ আৰু সিহঁত নিহিত হৈ থকা ক্ৰম-জোমবোৰ অধ্যয়ন কৰা আৰু জটিল। এই জীৱকোষৰ ভিতৰত ঘটি থকা বিভিন্ন ৰাসায়নিক প্ৰতিক্ৰিয়া অৰু ক্ৰমজোম জিন আদি সম্বন্ধে গৱেষনা আৰু অধ্যয়ন কৰাটো যদিও আমাৰ মানৱজাতিৰ কাৰণেই অত্যন্ত দৰকাৰী, তথাপি খুব কম সংখ্যক বিজ্ঞানীয়েহে এই দিশটোৰ প্ৰতি চকু দিছে।

যদি জীৱবিজ্ঞানৰ ক্ৰমবিকাশৰ সূত্ৰটি সঁচা হয় তেন্ত আমাৰ অজানিতে যে এই পৃথিৱীত কিমান নতুন জীৱৰ সৃষ্টি হৈছে আৰু কিমান জীৱ লোপ পাইছে—তাক কোৱা টান। বৰ্ত্তমান নতুন জীৱসৃষ্টিৰ ক্ষেত্ৰত অৱশ্যে বিজ্ঞানৰো অৱদান কম নহয়। দুজোপা একে জাতীয় অথচ বেলেগ বেলেগ আকৃতি প্ৰকৃতিৰ গছৰ মাজত কৃত্ৰিম প্ৰজননৰ দ্বাৰা নতুন ধৰণৰ গছৰ (Hybrid) সৃষ্টি কৰা হৈছে। এনেকৈ বিভিন্ন শস্যৰ গছৰ মাজত পৰীক্ষা নিৰীক্ষা কৰি কোনজোপা হাইব্ৰিদে আমাক বেচি শস্য দিব তাক উলিওৱা হৈছে। একে ধৰণৰ পৰীক্ষা প্ৰাণীজগততো কৰা হৈছে। বেমাৰে সহজে আক্ৰমণ কৰিব নোৱাৰা আৰু যি কোনো পৰিবেশতে গজিব পৰা উদ্ভিদৰ সৃষ্টি কৰা হৈছে। সূৰ্য্যৰ শক্তি সৰহীয়াকৈ ধৰি ৰাখিবৰ কাৰণে এককোষী এল্‌গি বিলাকৰ খেতি কৰা হৈছে।

বৰ্দ্ধিত জনসংখ্যা আকৌ ভবিষ্যত বিজ্ঞানী সকলৰ আন এটা চিন্তাৰ বিষয়। উদ্ভিদ আৰু প্ৰাণীজগতত ভাল সঁচ তৈয়াৰ কৰাৰ ক্ষমতা বিজ্ঞানী সকলৰ ওপৰত। কিন্তু মানুহৰ ক্ষেত্ৰত কৰে কোনে? ইউজেনিক্স (Eugenics) নামৰ বিজ্ঞানৰ ঠাল এটাত এই বিষয়েও গৱেষনা আদি চলিছে।

আধুনিক দৰৱ পাতি আৰু চাফচিকুনতাৰ ব্যৱস্থাই মানুহৰ মৃত্যুৰ হাৰ বহুতো কমালে। আনহাতে খাদ্যশস্যৰ উৎপাদনো সীমিত। খাদ্য-শস্য আৰু জনসংখ্যাৰ সমন্বয় ৰক্ষা কৰাত ইতিমধ্যে বিজ্ঞানী সকল একপ্ৰকাৰ অকৃতকাৰ্য্যই হৈছে। তথাপি আমি আশা ৰাখিছো বিজ্ঞানী সকলে এই বিষয়ে নতুন গবেষনা চলাব আৰু কিবা এটা ভাল ফল আমাক দিব।

লিঙ্গ সমতা ঃ— মানুহৰ ক্ষেত্রত প্রকৃতিয়ে কিছুপৰিমাণে লিঙ্গ সমতা ৰক্ষা কৰিছে। পৃথিৱীৰ জনসংখ্যাৰ শতকৰা আধাভাগ পুৰুষ আৰু অধাভাগ মহিলা। গতিকে বিজ্ঞানী সকলে এই দিশটোত বৰ্ত্তমানে চকু নিদিলেও হব। কিন্তু উদ্ভিদ আৰু প্রাণীজগতত এই ক্ষমতা ৰক্ষা কৰা হোৱা নাই। লিঙ্গ নির্ণয়ৰ গুৰিতে হল শুক্রকীট আৰু ডিম্বত থকা এডাল ক্রমজোম। এই ক্রমজোম ডালৰ নাম হল লিঙ্গ ক্রমজোম (Sex chromosome)। এই লিঙ্গ ক্রমজোমবোৰৰ ওপৰত অধ্যয়ন কৰি উদ্ভিদ আৰু প্রাণীজগতৰ লিঙ্গ সনতাৰ বিষয়েও বিজ্ঞানীসকলে নিশ্চয় কিবা এটা কৰিব পাৰিব।

আধুনিক চিকিৎসা ঃ— আধুনিক চিকিৎসা বিদ্যাই কিছু সার্থকতা লভিলেও সকলো ৰোগকে শাসনাধীন কৰিব পৰা নাই। চিকিৎসাবিদ সকলৰ কাৰণে কেন্সাৰ এতিয়াও এটি সাঁথৰ হৈয়ে আছে। তদুপৰি কলিজা আৰু তেজ চলাচল প্রথাৰ বিভিন্ন বেমাৰ বাঁত বেমাৰ, মগজুৰ বেমাৰ, ইত্যাদিত চিকিৎসা বিদ্যাই বিশেষ অৰিহনা যোগাব পৰা নাই। চিকিৎসাবিদ সকল এতিয়াও গবেষনা ৰত। আমি আশা কৰিছো এই দুৰাৰোগ্য ৰোগ সমূহৰ প্রতিকাৰৰ কিবা ব্যৱস্থা নিশ্চয় ওলাব।

প্রকৃতিৰ অৱদান ঃ— প্রকৃতিয়ে আমালৈ আগবঢ়োৱা সম্পদৰাজি যদি এবাৰ চাও তেতিয়া দেখিম যে তেল, কয়লা, লোহা, সীহ, টিন, তাম ইত্যাদি প্রকৃতিৰে অৱদান। ভূগৰ্ভৰ বিভিন্ন স্তৰত হাজাৰ হাজাৰ বছৰ ধৰি সঞ্চিত হোৱা এই পদার্থসমূহ আমি কৌশলেৰে উলিয়াই আনিছো আৰু বিভিন্ন কামত খটুৱাইছো। কিন্তু এই পদার্থসমূহৰো যে এটা সীমা আছে। নিশ্চয় এনে এটা দিন আহিব যেতিয়া এই পদার্থসমূহ ভূগৰ্ভত শেষ হৈ যাব। গতিকে তাৰ কাৰণেও আমি সাজু হবৰ হল। ইতিমধ্যে বিভিন্ন ৰাসায়নিক প্রক্রিয়াৰ দ্বাৰা কৃত্রিম উপায়েৰে খনিজ পদার্থসমূহৰ দৰে কিছুমান পদার্থৰ সৃষ্টি কৰা হৈছে। ভূগৰ্ভৰ খনিজ পদার্থসমূহ শেষ হৈ যোৱাৰ আগে আগে বিজ্ঞানীসকলে ভালকৈ চিন্তা আৰু গবেষণা কৰি কিবা উপায় নুলিয়ালে মানৱ সমাজ পঙ্গু হৈ পৰিব।

পৃথিৱীত আকৌ এনে কিছুমান পদার্থ আছে— যাৰ আয়ুস বহুত দীঘল। যেনে পানী, বতাহ, বালি, মাটি ইত্যাদি। এই বিলাকৰ পৰা আমি বৰ্ত্তমানে যি পৰিমাণৰ উপাদান ব্যৱহাৰ কৰিছো— বৈজ্ঞানিক উপায়েৰে তাৰ মাত্রা বঢ়াব লাগিব। সাগৰৰ লুনীয়া পানীৰ পৰা সৰহীয়াকৈ নিমখ তৈয়াৰ কৰা; বতাহৰ বিভিন্ন উপাদান হ্‌ইড্রোজেন, নাইট্রোজেন, অক্সিজেন আদি পৃথক কৰি কামত খটুৱা— পালিব পৰা চিলিকণ (silicon) বাহিৰ কৰা; গেদীয় বোকাৰ (clay) পৰা এলুমিনিয়াম তৈয়াৰ কৰা; সৌৰ শক্তি সৰহীয়াকৈ ধৰি ৰাখি বিভিন্ন কামত খটুওৱা— ভৱিষ্যত বিজ্ঞানী সকলৰ কাৰণে নিশ্চয় একো টান নহব।

নতুন নতুন ধৰণৰ জীৱ সৃষ্টি কৰণৰ দায়িত্ব যেনেকৈ জীৱবিদ্ সকলৰ ওপৰত তেনেকৈ বেলেগ বেলেগ পদার্থৰ ৰসায়নিক ক্রিয়া ঘটাই নতুন নতুন পদার্থৰ সন্ধেদ দিয়াৰ দায়িত্ব ৰসায়নবিদ্ সকলৰ ওপৰত। পদার্থবিদ্ সকলে আকৌ এনে যন্ত্রপাতিৰ ব্যৱস্থা কৰিছে— য'ত

দহ জনৰ কাম একেজনেই কৰিব পাৰে। তদুপৰি এনে যন্ত্ৰও ওলাইছে— যি স্ব-চালিত।

আমাৰ পূৰ্ব্বপুৰুষ সকলে বহুতো নেদেখা নুশুনা কথা—আমি দেখিছো আৰু শুনিছো। এতিয়া বিদ্যুৎ চালিত বিভিন্ন ৰন্ধা বঢ়া যন্ত্র পাতিৰ দিনত চুঙাত পানী বা চাউল সিজোৱাৰ কথা ভাবিলে সাধু সাধু লাগে। ইমান দিনে গৰম ঠাণ্ডাৰ প্ৰতিকাৰ হিচাবে ব্যৱহাৰ কৰি আহিছিলো গৰম কাপোৰ, বিচনী ইত্যাদি। বিজুলী পাখা, বিদ্যুৎ চালিত হিটাৰ আজি ওলোওৱাও বহুদিন হোৱা নাই। এতিয়া আকৌ কোঠাবিলাককে তাপ নিয়ন্ত্ৰিত কৰণৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন যান্ত্ৰিক যানবাহনে পৃথিৱীৰ ইমূৰ সিমূৰ এবেলাৰ বাট কৰি তুলিছে। ইমান দিনে দেৱতা বুলি ভাবি থকা মঙ্গল, চন্দ্ৰ আদি গ্ৰহ উপগ্ৰহত বিজ্ঞানী সকলে বহুৱা বাবলৈ সমৰ্থবান হৈছে। দৈনন্দিন জীৱনত লগা সকলো কামৰে যান্ত্ৰিক পদ্ধতি ওলাইছে। এই বিলাক আমাৰ পূৰ্বপুৰুষ সকলে নেদেখা আৰু আমি দেখা কথা। আমাৰ মৃত্যুৰ পাছত ভৱিষ্যত বংশধৰ সকলে কি দেখিবলৈ পাব— সেইয়াই হৈছে বিজ্ঞানী সকলৰ আগন্তুক চিন্তা আৰু সমস্যা।

---

শ্ৰীআশীষ কুমাৰ সৰকাৰ
২য় বাৰ্ষিক কলা

# নৃত্য, নৃত্য-নাট্য আৰু ৰবীন্দ্ৰনাথ

শিল্পকলাৰ তিনটা শাখা— কণ্ঠসংগীত, যন্ত্ৰসংগীত আৰু নৃত্যকলা। ইয়াৰ ভিতৰত নৃত্যকলাই হল আদিমতম প্ৰকৃতিৰ বিচিত্ৰৰ নিয়মত, সভ্যতাৰ প্ৰাক্ উষালগ্নত যেতিয়া ভাষা সুষমাত প্ৰকাশ বন্দিত হোৱা নাই, সংগীত যেতিয়া বাণীহীন, তেতিয়া মানুহৰ দেহ লতাৰ নিচিনা, বৃক্ষৰ নিচিনা, অদৃশ্য বতাহৰ নিচিনা, চঞ্চল মৃগৰ নিচিনা, নৃত্যৰতা শিখীৰ নিচিনা, চলমান নিৰ্ঝৰৰ নিচিনা বিচিত্ৰ ইংগিত আৰু ভংগীত অনুভৱ সঞ্চাৰৰ যি মাধ্যমৰ সন্ধেদ পালে, তাকেই সৃষ্টিৰ আদিমতম নৃত্যৰূপে আখ্যা দিব পাৰা যায়।

মানুহৰ আদিমতম শিল্পবাসনা নৃত্যৰ মাজেদি প্ৰথম আত্মপ্ৰকাশ কৰিছে। প্ৰাচীন ভাৰতবৰ্ষত ধৰ্ম্মৰ মাজত, পূজাৰ মাজত, প্ৰকৃতি বন্দনাৰ মাজত নৃত্যকলাক অতি উচ্চ স্থান দিছিল। মন্দিৰ, দল আদি ভাৰতবৰ্ষৰ প্ৰাচীন ঐতিহ্যবাহী দেৱস্থান বিলাকৰ স্থাপত্য আৰু ভাস্কৰ্য্য চিত্ৰত আমি এই আনন্দ আৰু সশ্ৰদ্ধ স্বীকৃতিৰ অজস্ৰ উদাহৰণ পাওঁ। ভাস্কৰ্য্য চিত্ৰত দেবদাসীৰ নৃত্য কেৱল লাস্যব্যঞ্জক নহয়, দেৱদাসীৰ অন্তৰৰ আকুতি, ভক্তি আৰু যুক্তিৰ বাসনা নৃত্যৰ মাজেদি পূৰ্ণতা পাবলৈয়ো বিচাৰিছে। সামাজিক জীৱনত গ্ৰাম্য সংস্কাৰত নৃত্যৰ স্থান অতি উচ্চ আছিল, কিন্তু পৰবৰ্ত্তী কালত ৰাজসভাৰ বিলাস কোলাহলৰ মাজত পৰি নৃত্য শিল্পৰ মাহাত্ম্য, গাম্ভীৰ্য্য আৰু তপস্যা নষ্ট হৈ গৈছে। ৰজা আৰু ধনী সম্প্ৰদায়ৰ 'মজলিছত' বাৰবণিতাৰ আসৰত ভাৰতৰ প্ৰাচীনতম শিল্প অভিশাপগ্ৰস্থ হৈ পৰিছিল।

অভিশাপগ্ৰস্থ এই নৃত্যকলাক যুক্তি দি সমাজৰ শ্ৰদ্ধা আৰু সন্মানৰ আসনত সাৰ্থক শিল্প বস্তু হিচাবে প্ৰতিষ্ঠা কৰিবলৈ যি আগবাঢ়ি আহিছিল সেই মনিষীজনাই হল ৰবীন্দ্ৰ নাথ ঠাকুৰ। আলোচ্য প্ৰবন্ধত মই ৰবীন্দ্ৰনাথৰ নৃত্য-নাট্যৰ বিষয়ে আলোচনা কৰিবলৈ আগবাঢ়িছো।

যি নাটকৰ অঙ্গসজ্জা আৰু ভাব বিকাশৰ মাধ্যম হিচাবে নৃত্যক মুখ্য স্থান দিয়া হয় অৰ্থাৎ নৃত্যৰ দ্বাৰা যি নাট্যৰ ৰস সৃষ্টি কৰা

হয় সাধাৰণ অৰ্থত তাকেই আমি নৃত্য নাট্য কব পাৰো। ৰবীন্দ্ৰনাথৰ নৃত্য-নাট্যৰ এটি বিশেষ বৈশিষ্ট্য আছে। তেওঁৰ নৃত্য-নাট্যত নৃত্যতকৈ সংগীতৰ প্ৰাধান্য বেছি। নাটকৰ ভাব অনুসৰি সংগীত সৃষ্টি কৰি তেওঁ নাটকৰ ৰূপদান কৰিছিল, মাজে মাজে তেওঁ নৃত্যনাট্যত কথাও যোগ দিছিল। 'কথা' আৰু সংগীতৰ ভাবক পৰিপূৰ্ণ কৰিবলৈ তেওঁ নৃত্যৰ সাহায্য লৈছে।

কবিগুৰুৱে নৃত্যনাট্য ৰূপে প্ৰথমতে কোনো নাটক লিখা নাছিল। পাশ্চাত্য অপেৰাৰ অনুসৰণ কৰি তেওঁ সংগীত প্ৰধান গীতিনাট্য ৰচনা কৰিছিল। বাল্মিকী-প্ৰতিভা, কালমৃগয়া, মায়াৰ খেল এই বিলাকৰ বৈশিষ্ট্য এই যে ইয়াত অভিনেতা বিলাকৰ সংলাপ সংগীত ধৰ্মী। এই গীতিনাট্য বিলাকে সেই যুগত বহুত সমাদৰ লাভ কৰিছিল। কিন্তু তেতিয়াও নৃত্যকলাৰ ভাবৰাশিক মূৰ্ত্ত কৰৰ বাসনা কবিৰ মনলৈ অহা নাছিল। কাৰণ সমকালীন বংগদেশত তেতিয়াও নৃত্যক মহৎ শিল্পৰ মৰ্য্যদা দিয়া হোৱা নাছিল। পশ্চিমীয়া ব্যালে নৃত্যৰ সজ্জাই ৰবীন্দ্ৰনাথক আকৰ্ষণ কৰিব পৰা নাছিল। তেওঁৰ নৃত্যনাট্য বিলাক মূলতঃ সংগীতধৰ্ম্মী। নৃত্য জীৱনিৰ ভাবৰাশিক সংগীতৰ ছন্দতা প্ৰকাশ কৰিছে।

ৰবীন্দ্ৰনাথৰ নৃত্যনাট্য বিলাকৰ কাহিনী ভাগ অধিকাংশ ক্ষেত্ৰত ৰবীন্দ্ৰনাথৰ কল্পনাৰ সৃষ্টি নহয়। মূল নৃত্যনাট্য শ্যামা, চন্তালিকা, বৌদ্ধ সাহিত্যৰ কাহিনী আৰু চিত্ৰাংগদাৰ কাহিনী মহাভাৰতীয় এই তিনখন নৃত্যনাট্যৰ প্ৰথমতে বাব, গদ্য আৰু কাব্যনাট্য ৰূপত সৃষ্টি হৈছিল। পৰবৰ্ত্তী কালত ৰবীন্দ্ৰনাথে এই বিলাক নৃত্যনাট্য ৰূপত সৃষ্টি কৰিছিল। এই নৃত্যনাট্যবিলাক পৰিশোদ্ধিত, মাৰ্জিত আৰু সৃষ্টিৰূপে আগতকৈ বেছি সাৰ্থকতম। এই নৃত্যনাট্য বিলাকৰ ৰূপ দিবলৈ কবিয়ে কোনো নিৰ্দিষ্ট নৃত্য পদ্ধতিৰ অনুসৰণ কৰা নাই। বহুতে কয় যে ৰবীন্দ্ৰ নৃত্যনাট্যত পাশ্চাত্য নৃত্য পদ্ধতিয়ে প্ৰাধান্য লাভ কৰিছে কিন্তু সেই সকলৰ যুক্তি একেবাৰে নুই কৰিব নোৱাৰি। তেওঁৰ নৃত্যনাট্যৰ মাজত দেশ বিদেশৰ বিচিত্ৰ নৃত্য পদ্ধতিৰ অপূৰ্ব্ব সম্মিলন ঘটিছে। তেওঁৰ প্ৰতিভাৰ পৰশত এই সন্মিলনত এক বিচিত্ৰ শিল্প-ৰীতিত সৃষ্টি হৈছে।

তেওঁৰ নৃত্যনাট্যবিলাকত ভাৰতীয় আন প্ৰদেশৰ মনিপুৰী নৃত্য, কথক, কথাকলি, ভাৰত নৃত্যম, তামিল নাদৰ নৃত্যৰ আদিৰ বাহিৰেও হাঙ্গেৰীৰ লোকনৃত্য সিংহলৰ নৃত্য আদি বিদেশী বহু বিচিত্ৰ নৃত্য পদ্ধতি গ্ৰহণ কৰিছে। কিন্তু তেখেতৰ নৃত্যনাট্য বিলাকৰ মাজত শ্যামা আৰু চিত্ৰাংগদাত বিভিন্ন নৃত্যপদ্ধতি কম। চণ্ডালিকাত বিভিন্ন নৃত্যধাৰাৰ অভিনৱ সমন্বয় ঘটিছে। কাহিনীটিও বহু বিচিত্ৰ আৰু ঘটনাপ্ৰধান। এই নৃত্যনাট্যত সংগীত মূখ্য হলেও নৃত্যই নাট্যকৰ মাজত এক অপূৰ্ব্ব গতিৰ সঞ্চাৰ কৰিছে।

সংগীতে মানুহৰ হৃদয়ৰ অৱচেতন মনৰ দুৱাৰ খুলি গভীৰ গোপন, সুপ্ত ভাৱনা আৰু কল্পনা, আনন্দ আৰু বেদনাক প্ৰকাশ কৰে। আধুনিক নৃত্যকলাই মানৱ মনৰ অন্তৰৰ ভাবনাক ৰূপ দিবৰ বাবেই ব্যস্ত। দেহাৰতিৰ মাজেদি সেই ৰূপশ্ৰী প্ৰকাশিত হয়। কিন্তু ৰবীন্দ্ৰনাথৰ নৃত্যনাট্যৰ সুক্ষ্ম অন্তৰৰ ভাৱৰাশিক ৰূপ দিছে সঙ্গীতে। সেই কাৰণে ৰবীন্দ্ৰনাথৰ নৃত্যনাট্য বিলাক একাধাৰে নৃত্যনাট্য আৰু

চিত্ৰাংগদাৰ অন্তৰৰ তীব্ৰতম আকুতি, হতাশ, অভিমান, বেদনা আৰু আনন্দ। চিত্ৰাংগদা নৃত্যনাট্যৰ পৰা সংগীত বাদ দিলে এই নৃত্য-নাট্য অসম্পূৰ্ণ হৈ ৰব।

শ্যামাৰ নৃত্যনাট্যত দেখা যায় যে শ্যামাৰ জীৱণৰ দ্বন্দ, ব্যৰ্থ প্ৰেম আৰু আত্মদানৰ মহিমা। শ্যামাৰ লানসামও প্ৰেমৰ দীনতা, বজ্ৰসেনৰ পৌৰুষ সংগীতৰ মাজেদি প্ৰকাশ পাইছে।

চণ্ডালিকা নৃত্যনাট্যৰ কাহিনীৰ মুখ্য চৰিত্ৰ হল এজনী নাৰী। আত্মধিক্কাৰ দহনত তেওঁ শ্যামা আৰু চিত্ৰাংগদাৰ দৰেই দগ্ধা। অচ্ছুৎ কন্যা চণ্ডালিকাৰ জীৱন তথা সমগ্ৰ 'চণ্ডালিকা'ৰ জীৱনত এটি বিশেষ সংগীতৰ সুৰ বাৰে বাৰে ধ্বনিত, প্ৰতিধ্বনিত হৈছে—

"চখে আমাৰ তৃষ্ণা, ওগো
তৃষ্ণা আমাৰ বক্ষ জুড়ে.
আমি বৃত্তিবিহীন বৈশাখী দিন
সন্তাপে প্ৰাণ যায় যে পুড়ে॥"

—জন্মই যাক বঞ্চিত কৰিছে সেই জীৱনৰ সমস্ত বেদনা এনে দৰে গীতৰ মাজেৰে প্ৰকাশ কৰিছে।

ৰবীন্দ্ৰনাথৰ আৰু এটি বিশেষ উল্লেখযোগ্য পৰিচয় হল কবিগুৰুৰ স্বৰচিত সংগীত আৰু আবৃত্তিৰ লগত জড়িত হৈ থকা নৃত্য। সংগীতৰ লগত নৃত্যৰ উদ্দেশ্য সংগীতৰ অন্তৰ্নিহিত ভাবৰ ৰূপদান। আবৃত্তিৰ লগত নৃত্য, আবৃত্তিৰ ছন্দময় ধ্বনিৰ লগে লগে নৃত্য সমূহ।

১৯৩১ চনত 'ঝুলন' কবিতাৰ আবৃত্তিৰ লগত শান্তিনিকেতনত প্ৰথম নৃত্য প্ৰদৰ্শন কৰিছিল শ্ৰীমতী ঠাকুৰ, আৰু আবৃত্তি কৰিছল স্বয়ং কবিগুৰুৱে। এই নৃত্য ৰচিত হৈছিল ইউৰোপৰ "ইপপ্ৰেশনিষ্ট" নৃত্য পদ্ধতিত। ৰবীন্দ্ৰনাথে নৃত্যক এটি অভিনৱ পদ্ধতিৰে ব্যৱহাৰ কৰিলেও আমি এই পদ্ধতিৰ আভাস পাওঁ প্ৰাচীন ভাৰতৰ নৃত্যৰ ইতিহাসৰ পৰা। ১৮৫০ খৃষ্টাব্দত মোগল ৰাজত্বৰ সময়ত উৰিষ্যাত প্ৰচলিত 'ওভিসি' নৃত্যত নাৰীবেনী পুৰুষে নৃত্য প্ৰদৰ্শন কৰিছিল। এই বিলাক 'বটু', 'নৰ্তন' 'পল্লব', 'পাৰিজা' আদি বুলি অভিহিত কৰা হৈছিল। ৰবীন্দ্ৰনাথৰ আবৃত্তি-নৃত্যৰ প্ৰকাৰ আৰু প্ৰকাশভঙ্গী আছিল স্বতন্ত্ৰ আৰু অভিনৱ আবিস্কাৰ। এই আবিস্কাৰ হঠাৎ অহা নাই। এই পৃথিৱীৰ প্ৰতি কাৰ্য্যতে আছে ধাৰাবাহিকতা। যেতিয়াই প্ৰকৃতিৰ মাজত নতুন জীৱনবোধৰ প্ৰয়োজন হয় তেতিয়াই জলে-স্থলে, আকাশে বতাহে চলে বিপ্লৱ।

ৰবীন্দ্ৰনাথ এনে এটি সন্ধিক্ষণত জন্মিছিল, যেতিয়া নতুন সৃষ্টিৰ প্ৰয়োজন আছিল একান্ত ভাবে। পুৰণি সমাজ ব্যবস্থা হৈছিল নানাফালৰ পৰা বাধাগ্ৰস্থ য'ত নতুনৰ সম্ভাৱনাই ধীৰে ধীৰে উজ্বলি উঠিছিল। সেই সম্ভাৱনাক সৃষ্টিৰে ৰূপ-দান কৰিলে ৰবীন্দ্ৰনাথ ঠাকুৰে। তেওঁ আগ-বাঢ়িআহিছিল নতুনসৃষ্টিৰ পথত। ইয়াক যদি আমি Romantic Movement আখ্যা দিওঁ তেন্তে এই Movement বিশ্বৰ বিভিন্ন দেশৰ বিভিন্ন কালত দেখা পোৱা যাব।

ৰবীন্দ্ৰনাথ আছিল এক বিশাল মনিষাৰ প্ৰতিভূ। তেখেতৰ বহুবিচিত্ৰ সাহিত্য শিল্প কৰ্মৰ মাজত এইয়া এটি দিশৰ থুলমূল আভাস!

এই প্ৰৱন্ধটো যুগুত কৰোতে শ্ৰীমতী মৃদুলা সেন আৰু সোমেন্দ্ৰ নাথৰ পৰা যি সহায় পাই‌ছলো তাৰ বাবে লিখক কৃতজ্ঞ।

—×—

# খাদ্যপ্ৰাণ ( Vitamins ) আৰু ধাতুৰ ( Minerals ) কথা

অধ্যাপক—শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা

আদিম আৰু মধ্যযুগীয় আমাৰ উপৰি-পুৰুষ সকল শৰীৰৰ পৰিপুষ্টতাৰ কাৰণে কি কি উপাদান যুক্ত আহাৰ খাব লাগে সেই কথা নজনাকৈয়ে বহুতো দিন সুস্থ, সবল, নিৰোগী শৰীৰ আৰু মনলৈ জীয়াই আছিল। সৰল স্বভাৱৰ আৰু নৈতিক মনৰ সেই চাম মানুহ প্ৰাকৃতিক আহাৰৰ ওপৰতে নিৰ্ভৰশীল আছিল। সেই আহাৰ উদ্ভিদীয়েই নহয়, নিভাজ, আৰু জীৱদেহৰ আৱশ্যকীয় সকলোবোৰ উপা-দানেৰে পূৰ্ণ আছিল। যুগৰ পৰিবৰ্ত্তন ঘটিল। উৎপাদনৰ অনুপাততকৈ জনসংখ্যা আচৰিত ধৰণে বৃদ্ধি হল। আমি যান্ত্ৰিক যুগ এৰি আন-বিক যুগত ভৰি দিছো; সভ্যতাৰ মাপকাঠিত আগুৱাই যোৱা বুলি দাবি কৰিছো। তথাপিও আমাৰ জানো সমস্যাৰ সমাধান হৈছে? জটিলৰ পৰা জটিলতাৰ ফালে আগবাঢ়ি যোৱা, আধা নাঙটা আধাপেটি মানুহেৰে পূৰ্ণ পৃথিবীৰ এই অগ্ৰগতি সঁচাই জানো সম্পূৰ্ণ? সুখাদ্যৰ অভাৱ, অনতন, খাদ্যৰ নামত অখাদ্য ভেজাল বস্তুৰ প্ৰচুৰ প্ৰচলন থকা, এখন দেশৰ দায়িত্বপূৰ্ণ নাগৰিক হিচাবে আজি আমি আমাৰ জীৱনৰ নিৰাপত্তাৰ কাৰণে কেনে আহাৰৰ আৱশ্যক তাক জনাটো নিতান্ত প্ৰয়োজন হৈ পৰিছে, যাতে জীৱৰ ধাৰনৰ আৱশ্যকীয় উপাদানেৰে পূৰ্ণ আহাৰ নিয়মিতভাৱে ব্যৱহাৰ কৰি নিজৰ মঙ্গল আৰু দেশ আৰু জাতিৰ অগ্ৰগতিত সহায় কৰিব পাৰো।

খাদ্যপ্ৰাণ ঃ— জীৱণ ধাৰণৰ কাৰণে আমাক আহাৰৰ প্ৰয়োজন। এই আহাৰ দহনত (oxidation) তাপ আৰু শক্তি উৎপন্ন হয়। সেই তাপ আৰু শক্তিয়ে জীৱদেহৰ নানান ক্ৰিয়া প্ৰক্ৰিয়াক চালু ৰাখি জীৱৰ বৈশিষ্ট অটুট ৰখাত সহায় কৰে। জীৱৰ আহাৰ কাৰ্বোহাইড্ৰেট (carbohydrates) —শ্বেতসাৰ আৰু শৰ্কৰা জাতীয় পদাৰ্থসমূহ, স্নেহসাৰ (fats), মাংসসাৰ (proteins), ধাতব লোণ (mineral salts), পানী আৰু নীচেই কম পৰিমাণৰ খাদ্যপ্ৰাণ (vitamins) নামৰ এবিধ ৰাসায়নিক বস্তুৰ সমষ্টি। খাদ্যপ্ৰাণ জীৱদেহৰ স্বাভাৱিক বৃদ্ধি, বিকাশ আৰু ক্ৰমোন্নতিৰ কাৰণে বিশেষ প্ৰয়োজনীয়। ই জীৱক নানান ব্যাধিৰ পৰা মুক্ত ৰখাত, নানান ৰোগ নিবাৰণ আৰু প্ৰতিৰোধ কৰাত সহায় কৰে। সকলো প্ৰাণীয়েই আনকি বুদ্ধিজীৱি মানুহেও আহাৰৰ কাৰণে উদ্ভিদৰ ওপৰতে প্ৰত্যেক্ষ কিম্বা পৰোক্ষ ভাবে নিৰ্ভৰশীল। উদ্ভিদজাত সকলো প্ৰকাৰৰ আহাৰত কম বেছি পৰিমাণে খাদ্যপ্ৰাণ থাকে। আজিৰ আনবিক আৰু উদ্‌জান বোমাৰ যুগতো মাত্ৰ দুই এবিধৰ বাহিৰে সকলোবিলাক খাদ্য-প্ৰাণকে ৰাসায়নিক গবেষণাগাৰত উৎপাদন কৰিব পৰা হোৱা নাই। কোনো এক বিশেষ

কামৰ কাৰণে আৱশ্যকীয় খাদ্যপ্ৰানৰ পৰিমান নিচেইকৈ কম হলেও ইয়াৰ অভাৱত জীৱদেহ স্বাস্থ্যহীন আৰু নানান ব্যাধিৰ ভৰালহৈ পৰে। প্ৰানীজগতে খাদ্যপ্ৰাণৰ কাৰণে উদ্ভিদৰ ওপৰতে প্ৰধানত নিৰ্ভৰ কৰিব লাগে যদিও সম্ভৱত দুই এক খাদ্যপ্ৰাণ প্ৰানীৰ দেহটো তৈয়াৰ হয়।

প্ৰানীৰ আহাৰত নিচেই কম পৰিমাণৰ কিন্তু বৃদ্ধি আৰু বিকাশৰ কাৰণে বিশেষ প্ৰয়োজনীয় কিছুমান চমকপ্ৰদ্ ৰাসায়নিক বস্তু থকাৰ ইঙ্গিত উনৈশ শতিকাৰ শেষ ভাগৰ পৰাই পোৱা হৈছিল, যদিও ১৯১০ চনতহে ইংল্যাণ্ডৰ বৈজ্ঞানিক চাৰ ফে্ৰডেৰিক হপকিনচে (Sir Frederick gowland hopkins) পোন প্ৰথম প্ৰানীদেহত ইয়াৰ আৱশ্যকতা প্ৰমান কৰিব পাৰিছিল। সেইসময়ৰে পৰা বহুজনে নানান ভাবে এই বিষয়ৰ ওপৰত গবেষনা আৰম্ভ কৰে আৰু আজিলৈকে কেইবাবিধো খাদ্যপ্ৰাণ আহাৰৰ পৰা পৃথক কৰি নামাকৰন কৰিছে। আবিস্কৃত খাদ্যপ্ৰাণ সমূহক দুই শ্ৰেণীত বিভক্ত কৰিব পাৰি। প্ৰথম শ্ৰেনীভূক্ত খাদ্যপ্ৰাণ সমূহ হল— খাদ্যপ্ৰান এ, ডি, ই, আৰু কে। এই শ্ৰেণীৰ খাদ্যপ্ৰাণবোৰ চৰ্বিত দ্ৰবীভূত ( fat soluble ) হয় আৰু প্ৰানীদেহে চৰ্বিসহ ইয়াক শোষণ কৰি লয়। সেই কাৰনে যিবিলাক চৰ্বি প্ৰানীদেহে শোষণ কৰি লব নোৱাৰে তেনে চৰ্বি খোৱাৰ পৰা দেহৰ অপকাৰ হয়। কিয়নো তেনে চৰ্বিত দ্ৰবীভূত হৈ থকা খাদ্যপ্ৰাণ প্ৰানী-দেহে আহৰণ কৰিব নোৱাৰাত সেইবোৰ অসাৰ হৈ পৰে, আৰু প্ৰানীদেহত সেইবোৰ খাদ্যপ্ৰাণৰ অভাৱে দেখা দিয়ে। দ্বিতীয় শ্ৰেণীভূক্ত খাদ্যপ্ৰান সমূহ হল খাদ্যপ্ৰাণ বি, আৰু চি। এই শ্ৰেণীৰ খাদ্যপ্ৰাণ পানীত দ্ৰবীভূত হয়। এইকাৰনে এই শ্ৰেণীৰ খাদ্যপ্ৰাণ-যুক্ত আহাৰ বেছি পানীত সিজাই পানীভাগ পেলাই দিয়া অনুচিত।

খাদ্যপ্ৰাণ 'এ' (vitamin A ): স্বাভাৱিক বৃদ্ধি, প্ৰজননত সহায় কৰাৰ উপৰিও নানাবিধ ৰোগৰ আক্ৰমণৰ পৰা প্ৰানীদেহক এই খাদ্যপ্ৰাণে ৰক্ষা কৰে। শিশুৰ শাৰীৰিক বিকাশৰ কাৰণে ইয়াৰ বিশেষ প্ৰয়োজন। ইয়াৰ অভাৱত চকুৰ নানান ৰোগ ( বিশেষ কৈ কুকুৰিকনা ) স্নায়ু দুৰ্ব্বলতা আৰু নানান চৰ্ম্মৰোগ হয়। তদুপৰি দেহত এই খাদ্যপ্ৰাণৰ অভাবহলেই বেক্টেৰীয়াই আক্ৰমণ (Bacterie) হাওঁফাওঁ আৰু অনুনলীক সহজে আক্ৰমণ কৰিব পৰা। উত্তাপে এই খাদ্যপ্ৰাণক নষ্ট কৰিব নোৱাৰে। উদ্ভিদত থকা কেৰটিন (carotene) নামৰ কমলা হালধীয়া (Orange-yellow) ৰঙৰ কনিকাবোৰেই এই খাদ্যপ্ৰাণৰ প্ৰধান উৎস। প্ৰানীদেহত যকৃতে ( liver ) এই ৰঙৰ কনিকাবোৰ খাদ্যপ্ৰাণ 'এ' লৈ ৰূপান্তৰ কৰে। উদ্ভিদদেহৰ সেউজীয়া অংশত থকা সেউজীয়া ৰঙৰ কনিকাবোৰৰ (chlorophylls) লগতে কেৰটিন কণিকাবোৰো থাকে। প্ৰানীদেহত খাদ্যপ্ৰাণ 'এ' ৰ পৰিমাণ বৃদ্ধি হলে বেছি অংশ যকৃতত সংৰক্ষণ কৰি ৰাখি আকৌ আৱশ্যকীয় সময়ত ইয়াক ব্যৱহাৰ কৰিব পাৰে।

গাখীৰ, মাখন, কণী, সেউজীয়া আৰু হালধীয়া শাক-পাচলিত ফলমূল ( বিলাহি, আম, কমলা, নেমু, আপেল, অমিতা, গাজৰ আদি ) মাহজাতীয় আহাৰ, স্তনপায়ী প্ৰানীৰ যকৃত, কিডনি ( Kidney ) আৰু কড্‌লিভাৰ অইল ( cod-liver oil ) আদিত এই খাদ্যপ্ৰাণ প্ৰচুৰ

পৰিমানে পোৱা যায়।

খাদ্যপ্ৰাণ 'বি' (vitamin B) :- এই খাদ্যপ্ৰাণক সাধাৰণতে 'বি' কম্প্লেক্স (B complex) বোলা হয়। কিয়নো ই বহুতোবিধ খাদ্যপ্ৰাণৰ সমষ্টি। সেইবোৰ হল—'বি' ১ ($B_1$–Thiamine), 'বি' ২ ($B_2$–Ribaflarin), 'বি' ৬ ($B_6$– Pyridoxin), 'বি' ১২ (B12), নিয়াচিন (Niacin Nicotine acid), ফ'লিক এচিড (Folic acid) আৰু বিঅটিন (Biotin–vitamin H) সকলোবিলাকেই কমবেছি পৰিমাণে পানীত দ্ৰবনীয়। বি ১, বি ২, বি ৬, বি ১২, বিঅটিন আৰু নিয়াচিন সহজে তাপত নষ্ট নহয়। বি ২ খাদ্যপ্ৰাণক পোহৰে নষ্ট কৰিব পাৰে।

সুস্থ স্নায়ু, স্বাভাৱিক বৃদ্ধি, বিকাশ, ৰক্তকনিকা গঠণ, দেহৰ আৰু কোষৰ (cell) নানা প্ৰকাৰৰ ৰাসায়নিক ক্ৰিয়া প্ৰক্ৰিয়াত, এই খাদ্যপ্ৰাণৰ প্ৰয়োজন। ই চকু আৰু কলিজাক নানান ৰোগৰ পৰা মুক্ত ৰখাৰ উপৰিও জৰশোঠ (Beribexi) ৰক্তহীনতা, উন্মাদতা, আভোক, অজীৰ্ণ, ছালচিগা, মঙহাল বিষ (muscular pain) আদি বেমাৰৰ পৰা দেহক ৰক্ষা কৰি সুস্থ সবল হোৱাত সহায় কৰে। বি১২ খাদ্যপ্ৰাণে স্বাভাৱিক লোহিত ৰক্ত-কোষ গঠণত আৰু বি ১ খাদ্যপ্ৰাণে কাৰ্বোহাইড্ৰেট জাতীয় আহাৰ প্ৰস্তুত আৰু জীণ নিওৱা (metabolism) কামত অৱশ গ্ৰহণ কৰে।

উদ্ভিদজাত সকলো আহাৰতে কম বেছি পৰিমাণে এই খাদ্যপ্ৰাণ সমূহ পোৱা হয়। বিশেষকৈ মাহজাতীয় খাদ্য, ফলমূল, সেউজীয়া উদ্ভিদ, গাখীৰ চানা, কণী, মাংস, যকৃত মাছ, আটা আৰু ঢেঁকীত কড়া চাউল আদিত এই খাদ্যপ্ৰাণ থাকে।

খাদ্যপ্ৰাণ 'চি' (vitamin C—Ascorbie acid) : ই দাত আৰু দাতৰ আলুক নানান ৰোগৰ পৰা মুক্ত ৰাখে। শক্তিশালী ৰক্তনলী গঠনত, মানসিক বিকাৰ নিবাৰণত আৰু কটা ঘা শুকুৱাত এই খাদ্যপ্ৰাণে বিশেষভাবে সহায় কৰে, ইয়াক শৰীৰত চব্বিশ ঘণ্টাৰ বেচি সময় সঞ্চিত কৰি ৰাখিব নোৱাৰি। সেই কাৰণে আহাৰৰ লগত এই খাদ্য প্ৰাণ সদায় আৱশ্যক অনুপাতে থকাটো নিতান্ত প্ৰয়োজন। সৰ্ব্বসাধাৰণতে সাগৰীয় নাবিক সকলৰ হাত-ভৰিৰ গাঠিবোৰত বিষ হোৱা স্কাৰ্ভি (scnrvy) বেমাৰ ই প্ৰতিৰোধ কৰে।

সেউজীয়া সজীৱ শাক-পাচলি, সজীৱ কমলা নেমুজাতীয় ফলত, চালগোম, আলু, বিলাহী আদিত ই প্ৰচুৰ পৰিমাণে থাকে। নেমুৰ ৰসতকৈ নেমুৰ বাকলিত এই খাদ্যপ্ৰাণৰ পৰিমাণ বেছি। তাপে সহজে এই খাদ্যপ্ৰাণ নষ্ট কৰিব নোৱাৰে।

খাদ্য-প্ৰাণ 'ডি' (vitamin D calciferol) : ইয়াক স্বাভাৱিক হাড় গঠন, দৃঢ়কৰণ, দাত গজা আৰু পুষ্টিকৰাত আৱশ্যক। লৰা-ছোৱালীৰ পয়ালগা (rickets) আৰু বেৰিয়া গজা দাত ইয়াৰ অভাবতে হয়। উজ্জ্বল পোহৰে এই খাদ্য-প্ৰাণক নষ্ট কৰিব পাৰে। ছালৰ ওপৰত "আলট্ৰা ভায়েলেট ৰশ্মি" (ultra violet ray) ললে শৰীৰত এই খাদ্যপ্ৰাণ তৈয়াৰ হয়।

কণী, গাখীৰ, মাখন, মাছ, কড্‌লিভাৰ অইল (codliver oil) আদিত ই প্ৰচুৰ

পৰিমাণে থাকে। সাধাৰণতে খাদ্যপ্ৰাণ 'এ'ৰ লগতে ইয়াক পোৱা যায়।

খাদ্যপ্ৰাণ 'ই' (vitamin E) : এই খাদ্য-প্ৰাণে স্বাভাৱিক প্ৰজননত সহায় কৰে। (অৱশ্যে মানুহৰ ক্ষেত্ৰত সহায় কৰেনে নকৰে সেই কথা সঠিককৈ কব পৰা হোৱা নাই।) ইয়াৰ অভাৱত প্ৰজনন শক্তি লোপ পায়, চুলি সৰে। এই খাদ্য-প্ৰাণ তাপ আৰু পোহৰত নষ্ট নহয়।

মাহ জাতীয় আহাৰ, সেউজীয়া শাক-পাচলি, গাখীৰ, কণী, মাংস, তেল আদিত সাধাৰণতে এই খাদ্য-প্ৰাণ প্ৰচুৰ পৰিমাণে পোৱা যায়। আমি খোৱা প্ৰায়বোৰ আহাৰতেই এই খাদ্য-প্ৰাণ আছে।

খাদ্যপ্ৰাণ 'কে' (vitamin 'K' : কটা ঘা আদিত তেজ গোটমৰাত ই সহায় কৰে। এই খাদ্যপ্ৰাণে বহুতো পদাৰ্থক (compound) বুজায়। কেৱল মাত্ৰ উদ্ভিদতহে ইয়াক পোৱা যায়; বিশেষকৈ সেউজীয়া শাক-পাচলি সজীৱ ফলমূল আদিত।

ধাতু (minerals) : স্বাভাৱিক ৰাসায়নিক আহাৰ (orgonic foods), খাদ্যপ্ৰাণ, আৰু পানীৰ বাহিৰেও সুস্থ সবল শৰীৰ গঠনৰ কাৰণে প্ৰায় ২১।২২ টা মান ধাতুৰ প্ৰয়োজন। ইয়াৰ ভিতৰৰ কেলচিয়াম (calcium) চালফাৰ (sulphur), আয়োডিন (iodine), ফচ্‌ফৰাচ্ (phosphorus), চদিয়াম (sodium), লো (iron), কপাৰ (copper), ক্লৰিণ (chlorine), মেঙ্গানিজ (manganese), মেগনেচিয়াম (magnesium), পটেচিয়াম (potassium), আৰু ফ্লৰিন (fluorine), ধাতু বিশেষ আৱশ্যকীয় বুলি পৰিগণিত হৈছে। উদ্ভিদজাত আহাৰত এইবিলাক ধাতুৰ ধাতব লোণ (mineral salts) কম বেছি পৰিমাণে পোৱা যায়। প্ৰাণীয়ে সেইবোৰ আহৰৰ পৰাই ইয়াক আহৰণ কৰে। ধাতুৰ সাধাৰণ কাম হল হাড় গঠন কৰা, তেজ আৰু মঙ্গাল কোষ (muscle cell) তৈয়াৰ কৰা, কোষত অচ্‌মতিক চাপ (osmotic pressure) সৃষ্টি কৰা, এনজাইমক (enzymes), কৰ্ম্মঠ কৰা, অক্সিজেন (oxyzen), এঙ্গাৰ গেচক (carbon dioxide), পৰিবহণ কৰা ইত্যাদি।

কেলচিয়ামৰ অভাৱত কেচুৱাৰ দাত গজাত পলম হয় বুলি আমি প্ৰায় সকলোৱেই জানো। কেলচিয়ামে দাত আৰু হাড় গঠন আৰু সুদৃঢ় কৰাৰ উপৰিও তেজ চেকুৰামৰাত কলিজাৰ স্বাভাৱিক স্পন্দনত, মাংসপেশী সংকোচনত আৰু স্নায়ুৰ প্ৰতিক্ৰিয়াত সহায় কৰে। ইয়াক গাখীৰ, চানা, কণী, বাদাম, কচু আদি সেউজীয়া শাক-পাচলিত পোৱা যায়।

ফচ্‌ফৰাচ্ মগজু আৰু স্নায়ুত বুজন পৰিমাণে থাকে। আহাৰ শুহি-লোৱাত ই বিশেষভাৱে সহায় কৰে। ইয়াক গাখীৰ, চানা, কণী, ছেইজাতীয় ফল (উৰহি, লেচেৰামাহ, মতৰমাহ আদি) আৰু ধনে মাহজাতীয় আহাৰত পোৱা যায়।

লো ধাতুৱে কোষৰ নানান ক্ৰিয়া প্ৰক্ৰিয়াত সহায় কৰাৰ বাহিৰেও অক্সিজেন বহন কৰিব পৰা হিমোগ্লবিন (haimoglobin) নামৰ এক প্ৰকাৰ পদাৰ্থ গঠন কৰে। হিমোগ্লবিন ৰক্তকণিকাত

# খাদ্যপ্ৰাণ ( Vitamins ) আৰু ধাতুৰ ( Minerals ) কথা

অধ্যাপক—শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা

আদিম আৰু মধ্যযুগীয় আমাৰ উপৰি-পুৰুষ সকল শৰীৰৰ পৰিপুষ্টতাৰ কাৰণে কি কি উপাদান যুক্ত আহাৰ খাব লাগে সেই কথা নজনাকৈয়ে বহুতো দিন সুস্থ, সবল, নিৰোগী শৰীৰ আৰু মনলৈ জীয়াই আছিল। সৰল স্বভাৱৰ আৰু নৈতিক মনৰ সেই চাম মানুহ প্ৰাকৃতিক আহাৰৰ ওপৰতে নিৰ্ভৰশীল আছিল। সেই আহাৰ উদ্ভিদীয়েই নহয়, নিভাজ, আৰু জীৱদেহৰ আৱশ্যকীয় সকলোবোৰ উপাদানেৰে পূৰ্ণ আছিল। যুগৰ পৰিবৰ্তন ঘটিল। উৎপাদনৰ অনুপাততকৈ জনসংখ্যা আচৰিত ধৰণে বৃদ্ধি হল। আমি যান্ত্ৰিক যুগ এৰি আনবিক যুগত ভৰি দিছো; সভ্যতাৰ মাপকাঠিত আগুৱাই যোৱা বুলি দাবি কৰিছো। তথাপিও আমাৰ জানো সমস্যাৰ সমাধান হৈছে? জটিলৰ পৰা জটিলতাৰ ফালে আগবাঢ়ি যোৱা, আধা নাঙঠা আধাপেটি মানুহেৰে পূৰ্ণ পৃথিবীৰ এই অগ্ৰগতি সঁচাই জানো সম্পূৰ্ণ? সুখাদ্যৰ অভাৱ, অনতন, খাদ্যৰ নামত অখাদ্য ভেজাল বস্তুৰ প্ৰচুৰ প্ৰচলন থকা, এখন দেশৰ দায়িত্বপুৰ্ণ নাগৰিক হিচাবে আজি আমি আমাৰ জীৱনৰ নিৰাপত্তাৰ কাৰণে কেনে আহাৰৰ আৱশ্যক তাক জনাটো নিতান্ত প্ৰয়োজন হৈ পৰিছে, যাতে জীৱৰ ধাৰনৰ আৱশ্যকীয় উপাদানেৰে পূৰ্ণ আহাৰ নিয়মিতভাবে ব্যৱহাৰ কৰি নিজৰ মঙ্গল আৰু দেশ আৰু জাতিৰ অগ্ৰগতিত সহায় কৰিব পাৰো।

খাদ্যপ্ৰাণ ঃ— জীৱন ধাৰণৰ কাৰণে আমাক আহাৰৰ প্ৰয়োজন। এই আহাৰ দহনত (oxidation) তাপ আৰু শক্তি উৎপন্ন হয়। সেই তাপ আৰু শক্তিয়ে জীৱদেহৰ নানান ক্ৰিয়া প্ৰক্ৰিয়াক চালু ৰাখি জীৱৰ বৈশিষ্ট অটুট ৰখাত সহায় কৰে। জীৱৰ আহাৰ কাৰ্বোহাইড্ৰেট (carbohydrates) —শ্বেতসাৰ আৰু শৰ্কৰা জাতীয় পদাৰ্থসমূহ, স্নেহসাৰ (fats), মাংসসাৰ (proteins), ধাতব লোণ (mineral salts), পানী আৰু নীচেই কম পৰিমাণৰ খাদ্যপ্ৰাণ (vitamins) নামৰ এবিধ ৰাসায়নিক বস্তুৰ সমষ্টি। খাদ্যপ্ৰাণ জীৱদেহৰ স্বাভাৱিক বৃদ্ধি, বিকাশ আৰু ক্ৰমোন্নতিৰ কাৰণে বিশেষ প্ৰয়োজনীয়। ই জীৱক নানান ব্যাধিৰ পৰা মুক্ত ৰখাত, নানান ৰোগ নিবাৰণ আৰু প্ৰতিৰোধ কৰাত সহায় কৰে। সকলো প্ৰাণীয়েই আনকি বুদ্ধিজীৱি মানুহেও আহাৰৰ কাৰণে উদ্ভিদৰ ওপৰতে প্ৰত্যেক্ষ কিম্বা পৰোক্ষ-ভাবে নিৰ্ভৰশীল। উদ্ভিদজাত সকলো প্ৰকাৰৰ আহাৰত কম বেছি পৰিমাণে খাদ্যপ্ৰাণ থাকে। আজিৰ আনবিক আৰু উদজান বোমাৰ যুগতো মাত্ৰ দুই এবিধৰ বাহিৰে সকলোবিলাক খাদ্য-প্ৰাণকে ৰাসায়নিক গবেষণাগাৰত উৎপাদন কৰিব পৰা হোৱা নাই। কোনো এক বিশেষ

কানৈ কলেজ

কামৰ কাৰণে আৱশ্যকীয় খাদ্যপ্ৰানৰ পৰিমান নিচেইকৈ কম হলেও ইয়াৰ অভাৱত জীৱদেহ স্বাস্থ্যহীন আৰু নানান ব্যাধিৰ ভৰালহৈ পৰে। প্ৰানীজগতে খাদ্যপ্ৰাণৰ কাৰণে উদ্ভিদৰ ওপৰতে প্ৰধানত নিৰ্ভৰ কৰিব লাগে যদিও সম্ভৱত দুই এক খাদ্যপ্ৰাণ প্ৰানীৰ দেহটো তৈয়াৰ হয়।

প্ৰানীৰ আহাৰত নিচেই কম পৰিমাণৰ কিন্তু বৃদ্ধি আৰু বিকাশৰ কাৰণে বিশেষ প্ৰয়োজনীয় কিছুমান চমকপ্ৰদ্ ৰাসায়নিক বস্তু থকাৰ ইঙ্গিত উনৈশ শতিকাৰ শেষ ভাগৰ পৰাই পোৱা হৈছিল, যদিও ১৯১০ চনতহে ইংল্যাণ্ডৰ বৈজ্ঞানিক চাৰ ফ্ৰেডেৰিক হপাকিনচে (Sir Frederick gowland hopkins) পোন প্ৰথম প্ৰানীদেহত ইয়াৰ আৱশ্যকতা প্ৰমান কৰিব পাৰিছিল। সেইসময়ৰে পৰা বহুজনে নানান ভাবে এই বিষয়ৰ ওপৰত গবেষনা আৰম্ভ কৰে আৰু আজিলৈকে কেইবাবিধো খাদ্যপ্ৰাণ আহাৰৰ পৰা পৃথক কৰি নামাকৰন কৰিছে। আবিস্কৃত খাদ্যপ্ৰাণ সমূহক দুই শ্ৰেণীত বিভক্ত কৰিব পাৰি। প্ৰথম শ্ৰেনীভূক্ত খাদ্যপ্ৰাণ সমূহ হল— খাদ্যপ্ৰান এ, ডি, ই, আৰু কে। এই শ্ৰেণীৰ খাদ্যপ্ৰাণবোৰ চৰ্বিত দ্ৰবীভূত ( fat soluble ) হয় আৰু প্ৰানীদেহে চৰ্বিসহ ইয়াক শোষণ কৰি লয়। সেই কাৰনে যিবিলাক চৰ্বি প্ৰানীদেহে শোষণ কৰি লব নোৱাৰে তেনে চৰ্বি খোৱাৰ পৰা দেহৰ অপকাৰ হয়। কিয়নো তেনে চৰ্বিত দ্ৰবীভূত হৈ থকা খাদ্যপ্ৰাণ প্ৰানী-দেহে আহৰণ কৰিব নোৱাৰাত সেইবোৰ অসাৰ হৈ পৰে, আৰু প্ৰানীদেহত সেইবোৰ খাদ্যপ্ৰাণৰ অভাৱে দেখা দিয়ে। দ্বিতীয় শ্ৰেণীভূক্ত খাদ্যপ্ৰান সমূহ হল খাদ্যপ্ৰাণ বি, আৰু চি। এই শ্ৰেণীৰ খাদ্যপ্ৰাণ পানীত দ্ৰবীভূত হয়। এইকাৰনে এই শ্ৰেণীৰ খাদ্যপ্ৰাণ-যুক্ত আহাৰ বেছি পানীত সিজাই পানীভাগ পেলাই দিয়া অনুচিত।

**খাদ্যপ্ৰাণ 'এ' (vitamin A ):** স্বাভাৱিক বৃদ্ধি, প্ৰজননত সহায় কৰাৰ উপৰিও নানাবিধ ৰোগৰ আক্ৰমণৰ পৰা প্ৰানীদেহক এই খাদ্যপ্ৰাণে ৰক্ষা কৰে। শিশুৰ শাৰীৰিক বিকাশৰ কাৰণে ইয়াৰ বিশেষ প্ৰয়োজন। ইয়াৰ অভাবত চকুৰ নানান ৰোগ ( বিশেষ কৈ কুকুৰিকনা ) স্নায়ু দুৰ্ব্বলতা আৰু নানান চৰ্ম্মৰোগ হয়। তদুপৰি দেহত এই খাদ্যপ্ৰাণৰ অভাবহলেই বেক্টেৰীয়াই আক্ৰমণ (Bacterie) হাওঁফাওঁ আৰু অনুনলীক সহজে আক্ৰমণ কৰিব পৰা। উত্তাপে এই খাদ্যপ্ৰাণক নষ্ট কৰিব নোৱাৰে। উদ্ভিদত থকা কেৰটিন (carotene) নামৰ কমলা হালধীয়া (Orange-yellow) ৰঙৰ কনিকাবোৰেই এই খাদ্যপ্ৰাণৰ প্ৰধান উৎস। প্ৰানীদেহত যকৃতে ( liver ) এই ৰঙৰ কনিকাবোৰ খাদ্যপ্ৰাণ 'এ' লৈ ৰূপান্তৰ কৰে। উদ্ভিদদেহৰ সেউজীয়া অংশত থকা সেউজীয়া ৰঙৰ কনিকাবোৰৰ (chlorophylls) লগতে কেৰটিন কণিকাবোৰো থাকে। প্ৰানীদেহত খাদ্যপ্ৰাণ 'এ' ৰ পৰিমাণ বৃদ্ধি হলে বেছি অংশ যকৃতত সংৰক্ষণ কৰি ৰাখি আকৌ আৱশ্যকীয় সময়ত ইয়াক ব্যৱহাৰ কৰিব পাৰে।

গাখীৰ, মাখন, কণী, সেউজীয়া আৰু হালধীয়া শাক-পাচলিত ফলমূল ( বিলাহি, আম, কমলা, নেমু, আপেল, অমিতা, গাজৰ আদি ) মাহজাতীয় আহাৰ, স্তনপায়ী প্ৰানীৰ যকৃত, কিডনি ( Kidney ) আৰু কড্ লিভাৰ অইল ( cod-liver oil ) আদিত এই খাদ্যপ্ৰাণ প্ৰচুৰ

পৰিমানে পোৱা যায়।

খাদ্যপ্ৰাণ 'বি' ( vitamin B ) :- এই খাদ্যপ্ৰাণক সাধাৰণতে 'বি' কম্প্লেক্স (B complex ) বোলা হয়। কিয়নো ই বহুতোবিধ খাদ্যপ্ৰাণৰ সমষ্টি। সেইবোৰ হল—'বি' ১ ($B_1$– Thiamine ), 'বি' ২ ( $B_2$–Ribaflarin ), 'বি' ৬ ($B_6$– Pyridoxin ) , 'বি' ১২ (B12), নিয়াচিন (Niacin Nicotine acid ), ফ'লিক এচিড (Folic acid) আৰু বিঅটিন ( Biotin– vitamin H ) সকলোবিলাকেই কমবেছি পৰিমাণে পানীত দ্ৰবনীয়। বি ১, বি ২, বি ৬, বি ১২, বিঅটিন আৰু নিয়াচিন সহজে তাপত নষ্ট নহয়। বি ২ খাদ্যপ্ৰাণক পোহৰে নষ্ট কৰিব পাৰে।

সুস্থ স্নায়ু, স্বাভাৱিক বৃদ্ধি, বিকাশ, ৰক্তকনিকা গঠণ, দেহৰ আৰু কোষৰ ( cell ) নানা প্ৰকাৰৰ ৰাসায়নিক ক্ৰিয়া প্ৰক্ৰিয়াত, এই খাদ্যপ্ৰাণৰ প্ৰয়োজন। ই চকু আৰু কলিজাক নানান ৰোগৰ পৰা মুক্ত ৰখাৰ উপৰিও জ্বৰশোঠ ( Beribexi ) ৰক্তহীনতা, উন্মাদতা, আভোক, অজীৰ্ণ, ছালচিগা, মঙহাল বিষ ( muscular pain ) আদি বেমাৰৰ পৰা দেহক ৰক্ষা কৰি সুস্থ সবল হোৱাত সহায় কৰে। বি১২ খাদ্যপ্ৰাণে স্বাভাৱিক লোহিত ৰক্ত-কোষ গঠণত আৰু বি ১ খাদ্যপ্ৰাণে কাৰ্বোহাইড্ৰেট জাতীয় আহাৰ প্ৰস্তুত আৰু জীণ নিওৱা (metabolism) কামত অৱশ গ্ৰহণ কৰে।

উদ্ভিদজাত সকলো আহাৰতে কম বেছি পৰিমাণে এই খাদ্যপ্ৰাণ সমূহ পোৱা হয়। বিশেষকৈ মাহজাতীয় খাদ্য, ফলমূল, সেউজীয়া উদ্ভিদ, গাখীৰ চানা, কণী, মাংস, যকৃত মাছ, আটা আৰু ঢেঁকীত কড়া চাউল আদিত এই খাদ্যপ্ৰাণ থাকে।

খাদ্যপ্ৰাণ 'চি' ( vitamin C—Ascorbie acid ) : ই দাত আৰু দাতৰ আলুক নানান ৰোগৰ পৰা মুক্ত ৰাখে। শক্তিশালী ৰক্তনলী গঠনত, মানসিক বিকাৰ নিবাৰণত আৰু কটা ঘা শুকুৱাত এই খাদ্যপ্ৰাণে বিশেষভাবে সহায় কৰে, ইয়াক শৰীৰত চব্বিশ ঘণ্টাৰ বেচি সময় সঞ্চিত কৰি ৰাখিব নোৱাৰি। সেই কাৰণে আহাৰৰ লগত এই খাদ্য প্ৰাণ সদায় আৱশ্যক অনুপাতে থকাটো নিতান্ত প্ৰয়োজন। সৰ্ব্বসাধাৰণতে সাগৰীয় নাবিক সকলৰ হাত-ভৰিৰ গাঠিবোৰত বিষ হোৱা স্কাৰ্ভি ( scnrvy ) বেমাৰ ই প্ৰতিৰোধ কৰে।

সেউজীয়া সজীৱ শাক-পাচলি, সজীৱ কমলা মেমুজাতীয় ফলত, চালগোম, আলু, বিলাহী আদিত ই প্ৰচুৰ পৰিমানে থাকে। নেমুৰ ৰসতকৈ নেমুৰ বাকলিত এই খাদ্যপ্ৰাণৰ পৰিমাণ বেছি। তাপে সহজে এই খাদ্যপ্ৰাণ নষ্ট কৰিব নোৱাৰে।

খাদ্য-প্ৰাণ 'ডি' ( vitamin D calciferol) ঃ ইয়াক স্বাভাৱিক হাড় গঠন, দৃঢ়কৰণ, দাত গজা আৰু পুষ্টিকৰাত আৱশ্যক। লৰাছোৱালীৰ পয়ালগা ( rickets ) আৰু বেৰিয়া গজা দাত ইয়াৰ অভাবতে হয়। উজ্জ্বল পোহৰে এই খাদ্য-প্ৰাণক নষ্ট কৰিব পাৰে। ছালৰ ওপৰত "আলট্ৰা ভায়েলেট ৰশ্মি" ( ultra violet ray ) ললে শৰীৰত এই খাদ্যপ্ৰাণ তৈয়াৰ হয়।

কণী, গাখীৰ, মাখন, মাছ, কড্‌লিভাৰ অইল ( codliver oil ) আদিত ই প্ৰচুৰ

পৰিমাণে থাকে। সাধাৰণতে খাদ্যপ্ৰাণ 'এ'ৰ লগতে ইয়াক পোৱা যায়।

খাদ্যপ্ৰাণ 'ই' (vitamin E) : এই খাদ্য-প্ৰাণে স্বাভাৱিক প্ৰজননত সহায় কৰে। (অৱশ্যে মানুহৰ ক্ষেত্ৰত সহায় কৰেনে নকৰে সেই কথা সঠিককৈ কব পৰা হোৱা নাই।) ইয়াৰ অভাৱত প্ৰজনন শক্তি লোপ পায়, চুলি সৰে। এই খাদ্য-প্ৰাণ তাপ আৰু পোহৰত নষ্ট নহয়।

মাহ জাতীয় আহাৰ, সেউজীয়া শাক-পাচলি, গাখীৰ, কণী, মাংস, তেল আদিত সাধাৰণতে এই খাদ্য-প্ৰাণ প্ৰচুৰ পৰিমাণে পোৱা যায়। আমি খোৱা প্ৰায়বোৰ আহাৰতেই এই খাদ্য-প্ৰাণ আছে।

খাদ্যপ্ৰাণ 'কে' ( vitamin 'K' : কটা ঘা আদিত তেজ গোটমৰাত ই সহায় কৰে। এই খাদ্যপ্ৰাণে বহুতো পদাৰ্থক ( compound ) বুজায়। কেৱল মাত্ৰ উদ্ভিদতহে ইয়াক পোৱা যায়; বিশেষকৈ সেউজীয়া শাক-পাচলি সজীৱ ফলমূল আদিত।

ধাতু ( minerals ) : স্বাভাৱিক ৰাসায়নিক আহাৰ ( orgonic foods ), খাদ্যপ্ৰাণ, আৰু পানীৰ বাহিৰেও সুস্থ সবল শৰীৰ গঠনৰ কাৰণে প্ৰায় ২১।২২ টা মান ধাতুৰ প্ৰয়োজন। ইয়াৰ ভিতৰৰ কেলচিয়াম (calciuni) চালফাৰ ( sulphur), আয়োডিন ( iodine), ফচ্‌ফৰাচ্ ( phosphorus ), চদিয়াম ( sodium ), লো (iron), কপাৰ (copper), ক্লৰিণ (chlorine), মেঙ্গানিজ ( manganese ), মেগনেচিয়াম (magnesium), পটেচিয়াম ( potassium ), আৰু ফ্লৰিন ( fluorine ), ধাতু বিশেষ আৱশ্যকীয় বুলি পৰিগণিত হৈছে। উদ্ভিদজাত আহাৰত এইবিলাক ধাতুৰ ধাতব লোণ (mineral salts) কম বেছি পৰিমাণে পোৱা যায়। প্ৰাণীয়ে সেইবোৰ আহৰৰ পৰাই ইয়াক আহৰণ কৰে। ধাতুৰ সাধাৰণ কাম হল হাড় গঠন কৰা, তেজ আৰু মঞ্জাল কোষ ( muscle cell ) তৈয়াৰ কৰা, কোষত অচ্‌মতিক চাপ ( osmotic pressure ) সৃষ্টি কৰা, এনজাইমক (enzymes), কৰ্ম্মঠ কৰা, অক্সিজেন (oxyzen), এঙ্গাৰ গেচক ( carbon dioxide ), পৰিবহণ কৰা ইত্যাদি।

কেলচিয়ামৰ অভাৱত কেচুৱাৰ দাত গজাত পলম হয় বুলি আমি প্ৰায় সকলোৱেই জানো। কেলচিয়ামে দাত আৰু হাড় গঠন আৰু সুদৃঢ় কৰাৰ উপৰিও তেজ চেকুৰামৰাত কলিজাৰ স্বাভাৱিক স্পন্দনত, মাংসপেশী সংকোচনত আৰু স্নায়ুৰ প্ৰতিক্ৰিয়াত সহায় কৰে। ইয়াক গাখীৰ, চানা, কণী, বাদাম, কচু আদি সেউজীয়া শাক-পাচলিত পোৱা যায়।

ফচ্‌ফৰাচ্ মগজু আৰু স্নায়ুত বুজন পৰিমাণে থাকে। আহাৰ শুহি-লোৱাত ই বিশেষভাবে সহায় কৰে। ইয়াক গাখীৰ, চানা, কণী, ছেইজাতীয় ফল ( উৰহি, লেচেৰামাহ, মতৰমাহ আদি) আৰু ধনে মাহজাতীয় আহাৰত পোৱা যায়।

লো ধাতুৱে কোষৰ নানান ক্ৰিয়া প্ৰক্ৰিয়াত সহায় কৰাৰ বাহিৰেও অক্সিজেন বহন কৰিব পৰা হিমোগ্লবিন (haimoglobin) নামৰ এক প্ৰকাৰ পদাৰ্থ গঠন কৰে। হিমোগ্লবিন ৰক্তকণিকাত

থাকে। ইয়াৰ ৰঙ ৰঙা । এই পদাৰ্থ থকা ৰক্তকণিকাবোৰক লোহিত ৰক্তকণিকা ( red blood corpuscules ) বোলে। এই ধাতুৰ পৰিমাণ ছেইজাতীয় ফল, সেউজীয়া শাক-পাচলি গুৰ আৰু কণীৰ কুহুমত বেচি।

আয়োডিন থাইৰক্সচিন নামৰ শুক্ৰ ( thyr-oxene hormone ) গঠনত বিশেষ প্ৰয়োজনীয়। ইয়কে এই ধাতুৰ লোণত, ( salts ), সাগৰীয় উদ্ভিদ্‌ত আৰু এই ধাতু থকা মাটিত উৎপন্নহোৱা শাক-পাচলিত পোৱা যায়।

কপাৰ আৰু চদিয়াম হিমোগ্লবিনত নাথাকিলেও ইহঁতে হিমোগ্লবিন গঠনত সহায় কৰে। ইয়াৰোপৰি মাংসপেশী সংকোচনত ইহঁতে বিশেষ ভুমিকা গ্ৰহণ কৰে। ছেইজাতীয় ফল, নিমখ, চানা, গাখীৰ আদিত এইবিলাক ধাতুক পোৱা যায়।

ক্লৰিণে পানীৰ নিয়মিত সঞ্চালন সমতা আৰু টেঙাখাৰৰ ( acid-base ) সমতা ৰক্ষা কৰাত সহায় কৰে। ই অন্ননলীত নিৰ্গত হোৱা হজমী ৰসটো থাকে। ইয়াক নিমখত পোৱা যায়।

---

"বাটৰ দুবৰি বন গছকত পৰা,
আৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।"

# আধুনিক অশ্লীল সাহিত্য আৰু যৌনতত্ত্ব

ৰমেশ ৰাজখোৱা

৩য় বাৰ্ষিক কলা

অশ্লীলতা আৰু যৌনতত্ত্ব বহুযুগৰ পৰা অদ্যাৱধি বিতৰ্কিত বিষয়। অশ্লীলতা আৰু যৌনতত্ত্ব সম্পৰ্কে কোন স্থিৰ, স্থায়ী, নিয়ম নিষ্ঠাৰ ধাৰণা বৰ্ত্তমানলৈকে নাই। সময়ৰ পৰিবৰ্ত্তনমুখী গতিবেগত মানুহৰ চিন্তাধাৰাৰো পৰিবৰ্ত্তন হয়। অত্যন্ত অশ্লীল বুলি যি 'ফানীহিল'ক আজি প্ৰায় দুশ বছৰ কাল লোক চকুৰ অন্তৰালত ৰাখিছিল, সেয়া বৰ্ত্তমান অবাধে পুস্তকাকাৰে প্ৰকাশিত। কেৱল সেয়াই নহয়, 'ফানীহিল'ৰ লং প্লেয়িং ৰেকৰ্ড পৰ্য্যন্ত আজি উত্তেজিত শ্ৰোতাৰ ঘৰে ঘৰে শুনিবলৈ পোৱা গৈছে।

তথাপিও যৌন ব্যৱহাৰবাদ সম্পৰ্কে মানুহৰ সংশয় এতিয়াও আঁতৰা নাই। এদল নীতিৰ পহৰীয়াই গোপনে অথবা প্ৰকাশ্যে অশ্লীলতা আৰু যৌনতত্ত্বৰ বিৰুদ্ধে চিঞৰ বাখৰ কৰি আহিছে। ডাঃ ফ্ৰয়েড, হেভ্‌লক, য়ুং আদিৰ পিচত বৰ্ত্তমান বিংশ শতাব্দীৰ পঞ্চম দশকত ডাঃ আলফ্ৰেড কিন্‌চেক বৈপ্লৱিক যৌন বিজ্ঞানী বুলি উল্লেখ কৰিব পাৰি। তেখেতৰ "Sexual Behaviour in the human Female" নামৰ বিৰাট গ্ৰন্থত নৰ-নাৰীৰ যৌন ব্যবহাৰ সম্পৰ্কে কিছুমান বিজ্ঞান সন্মত অভিমত দিছে। এইবোৰ পঢ়ি কিছুমান লোকৰ ভ্ৰু কোঁচ খাই আছে আৰু তেওঁলোকে চিৎকাৰ কৰি উঠে। অথচ মানৱ সভ্যতাৰ বহু হেজাৰ বছৰৰ ইতিহাস বিচাৰিলে দেখা যাব, এই এটি মাত্ৰ পৰাক্ৰান্ত মূল বিষয়—যিটো কেৱল আদিম উৎসমুখী।

এই কথা প্ৰমাণিত যে, মানুহৰ অবচেতনত মৃত্যুৰ আকাংখা এটি স্বাভাবিক লক্ষণ; অৰ্থাৎ সকলো সময়তে অৰ্গেনিক অৱস্থাৰ পৰা ইনৰগেনিক অৱস্থালৈ ঘূৰি যোৱাৰ ইচ্ছা মানুহৰ সদায়েই আছে। তেনেকৈ, যৌন ব্যৱহাৰত মানুহৰ সভ্যতা প্ৰাপ্তিৰ পিচতো নিৰন্তৰ আদি ৰূপলৈ ঘুৰি যোৱাৰ উৎসুক্য দেখা যায়।

ৰুছ দেশত এটি লোক প্ৰৱচন আছে— ভালুকে কেনেকৈ নাচে সেইটো ডাঙৰ কথা নহয়, কিন্তু ভালুকে যে আজিও নাচে সেইটোহে বিস্ময়কৰ বিষয়। তাৰ কাৰণ বোধ-

হয় এই যে, চতুর্বর্গৰ মাজত কাম বর্গটো সত্বাৰ সৰ্ব্বসপক্ষে আৱশ্যকীয়,— মানুহ মাত্রেই কামজ কাম আত্মনিষ্ঠ।

অভিজ্ঞতা যেহেতু স্তৰমাত্রিক আৰু পৰিনতিত নির্বিকাৰ চৈতন্য পায়; সেই বাবে অতিন্দ্রিয়বাদী ভাৰতবর্ষত সেই তৃতীয় বর্গটোক শেষলৈ 'ত্বয়া হৃদি স্থিতেন' বুলি ঈশ্বৰৰ পাৱত সঁপি দিয়ে। সেইবাবে, শিলামূৰ্ত্তি এফালে যেনেকৈ কামৰ প্ৰতীক অন্যফালে তেনেকৈ ঈশ্বৰৰ প্ৰতিমূৰ্ত্তি। অৱশ্যে আদি আৰ্য্য সভ্যতাত আৰু বেদত শিৱলিঙ্গৰ কোনো স্থান নাই; পক্ষান্তৰত "শিশ্নদেবাঃ" বুলি ইয়াৰ উপাসক সকলৰ প্ৰতি অৱজ্ঞা আৰু তাচ্ছিল্য প্ৰকাশহে কৰিছে। খুব সম্ভৱ খৃঃ পূঃ প্ৰথম শতাব্দীত আনাৰ্য্য সমাজত দাৰুণ জনপ্ৰিয়তাৰ হেতুকে এই পদ্ধতিক কৌশলেৰে ভাৰতীয় ধৰ্ম্ম-সংস্কৃতিয়ে আত্মসাৎ কৰি নিয়ে; যদিও মূৰ্ত্তি-পূজা-পদ্ধতি পৃথিবীৰ প্ৰাগ-ঐতিহাসিক কৰ্ম্ম পদ্ধতিৰ অন্যতম, মিচৰ, বেবিলন, চিৰিয়া, ৰোম আদিতো ইয়াৰ প্ৰচলন আৰু প্ৰতিপত্তি আছে।

প্ৰাচীন চীনৰ মূল বিশ্বাসেই হ'ল, সমস্ত বিশ্ব ব্ৰহ্মাণ্ডৰ কক্ষপথ অধিকাৰ কৰি আছে দুটি অমোঘ বস্তুৱে,—লিঙ্গ (য়ূভ) আৰু যোণী (য়ূন্)।

এতিয়া প্ৰশ্ন হৈছে, যৌণতত্ব বিজ্ঞান নেকি? ইয়াৰ উত্তৰ এনেদৰে দিব পৰি, আধ্যাত্মিকতাৰ দেশ ভাৰতবৰ্ষত অন্ততঃ ইয়াক বিজ্ঞান হিচাবে আজিও ধৰা হোৱা নাই। মাৰ্ক্সবাদ ভাৰতলৈ আহিব পাৰিলেও ফ্ৰয়েডবাদ সহজে ভাৰতলৈ অহা সম্ভৱ নহয়। তাৰ মুখ্য কাৰণ ভাৰতীয়ৰ আধ্যাত্মিক, ৰক্ষনশীল আৰু কল্পনাবিলাসী মন। জাতি হিচাবে ভাৰতীয়ৰ স্বভাৱ গোড়া গোপন আৰু আপোন প্ৰিয়।— অথচ, কোনাৰ্কৰ মন্দিৰে বিদেশীক সচকিত কৰি তোলে। সম্প্ৰতি কে, এম, পান্নিকৰে বাৎসায়নৰ 'কামশাস্ত্ৰ' লৈ প্ৰাচীন ভাৰতীয় যৌনতত্ব বিষয়ে তৰ্কৰ অৱকাশ দিছে।

'কামশাস্ত্ৰ' ব্যাপকভাবে উচ্চমানসৰ আলোচনাৰ বস্তু। সমাজৰ অন্যবস্তুৰ লগত তাৰ সম্পৰ্ক আশানুৰূপ ঘনিষ্ঠ নহয়। কিন্তু এই কথা ঠিক যে সেই ৰতিশাস্ত্ৰতো মানবিকাবোধ একেবাৰে নোহোৱা নহয়। আন্যহাতেদি প্ৰাথমিক ব্যৱহাৰিক বিজ্ঞানচেতনাও তাত লক্ষ্য কৰিব পাৰি। পান্নিকৰৰ মতে, বাৎসায়নে মূলতে লোক শিক্ষাৰ কাৰণেই গ্ৰন্থখনি পৰিকল্পনা কৰিছিল। কিন্তু যৌনব্যৱহাৰ সম্পৰ্কে অথবা জীৱনৰ সকলো স্তৰৰ বিষয়ে আমাৰ দৃষ্টি ভঙ্গী মিষ্টিক আৰু প্ৰয়োগিক কাৰণে আমি এতিয়াও কামশাস্ত্ৰৰ কোনো উপযুক্ত বৈজ্ঞানিক ভিত্তি তৈয়াৰ কৰি লব পৰা নাই।

প্ৰাচীন ভাৰতীয় সাহিত্যৰ কথা বাদ দি বৰ্ত্তমান সাহিত্যৰ কথালৈ অহা যাওক। বিশেষকৈ অশ্লিলতা তথা শ্লীল অশ্লীল সাহিত্যৰ সীমাৰেখা ক'ত এয়হে আমাৰ আলোচ্যৰ বিষয়।

ডি, এইচ লৰেন্সৰ কথাত কবলৈ হলে শিল্প আৰু সাহিত্যত মাৰাত্মক অৱচিন বুলি কোনো ভয়াবহ পদাৰ্থৰ স্বাতন্ত্ৰ অস্তিত্ব নাই। কাৰণ, মানুহ নিজেই সকলো সময়তে সজ্ঞানে অথবা অজ্ঞানে 'অৱচিন'। আৰু জগতত এনে কোনো উচ্চ স্তৰৰ লেখক শিল্পী নাই যিজনে সজ্ঞানে হওক বা অজ্ঞানে হওক এবাৰ নহয় এবাৰ সেই জলন্ত বিষয়টোক তেওঁৰ কৰ্ম্মৰ অঙ্গীভূত কৰা নাই। টিচিয়ান, ৰেনোৱা, ডি চং,

অৰ চলেমন, জেন অয়োৰ, মোজাৰ্ট আদি প্ৰায়-বোৰেই সেই বিপুল তালিকাৰ অন্তৰ্ভূক্ত। এই প্ৰত্যেকটোতে আছে নিঃশব্দ সৌন্দৰ্য্যানুভূতিৰ লগত উতঃপ্ৰোত ভাবে জড়িত নিৰনাম যৌন আবেদন।

আনকি, মাইকেল এঞ্জেলো, যিজন নিৰ্বিচাৰ যৌন ব্যৱহাৰৰ প্ৰতি সম্পূৰ্ণ বীতৰাগ, তেখেতৰ বিখ্যাৎ পুথি 'কৰনুকোপিয়া', তো যৌন প্ৰতীকৰ ব্যৱহাৰৰ সহায়ত উপযুক্ত অভি-ব্যক্তি আনিবলৈ দ্বিধা বোধ কৰা নাই। লৰেঞ্চে নিজেই মানুহৰ যৌনব্যৱহাৰক স্বষ্টিৰ মূল, আদি সূতলৈ আনিবলৈ চাইছে। তেওঁ জৈৱ দুখবাদৰ বিপৰীতে আৱহাৱা স্বষ্টি কৰিছে মহাজাগতিক আলঙ্কাৰ (optimism) অসহায়তাত। জঁ-পল চত্ৰেই যৌনতা ধৰ্ষকাম ( sadistic ) আৰু মৰ্ষকাম ( Maschoistic ) ৰ উপযুক্ত ভাব-সাম্যতাৰ মাজত জগতৰ সুস্থ যৌন সম্পৰ্কলৈ আহিবলৈ সক্ষম হৈছে। কিন্তু লৰেঞ্চ নিজেই যৌনতা আৰু মস্তিস্কৰ সংযোগৰ বিষয়ে সম্পূৰ্ণ সন্দিহান। তেওঁৰ মতে যৌনতা আৰু মৃত্যু সমাৰ্থবোধক।

লৰেঞ্চৰ মতে, নাৰী বা পুৰুষ পৰস্পৰ জীৱনৰ অংশীদাৰ নহয় অথবা বিবাহৰ পাত্ৰ পাত্ৰীও নহয়। ধৰিত্ৰীৰ প্ৰতিনিয়ত তাৰ অচ্ছেদ্য সম্পৰ্কক প্ৰতিস্থিত কৰাত গুৰুত্বৰ কাম সম্পাদন কৰিবৰ বাবেই তেওঁলোকে এই পৃথি-বীলৈ আহে, ৰক্তে ৰক্তে মিলন হোৱাৰ অভিপ্ৰায়ে; কিয়নো এই মিলিত ৰক্তৰ শেষ পৰিণতি আত্মাৰ উপাদান।

হিন্দু ধৰ্ম্ম দৰ্শনত লৰেঞ্চ কিমানখিনি জনা নাযায়। কিন্তু, যৌনতাৰ পৰিণতিত ঈশ্বৰ আৰু ঈশ্বৰেই সাৰ; যৌনতা অসাৰ— এই ভাৰতীয় মতবাদবোৰ বাদ দিলে তেওঁৰ অনেক বিশ্বাস আৰু মন্তব্য হিন্দু দৰ্শনৰ লগত মিলে। নাৰী আৰু পুৰুষক 'পুৰুষ প্ৰকৃতি' চিত্ৰকল্পত কল্পনা কৰা হয়। নাৰী আৰু পুৰুষৰ চৰম, অনিবাৰ্য্য মিলনৰ সময়খিনি লৰেঞ্চৰ মতে কেৱল নীচক কামোৎপন্ন যান্তিকতা নহয়, বৰং ই এনেকুৱা এক পবিত্ৰ অনুস্থান য'ত পুৰুষ আৰু নাৰীয়ে নিজৰ অহমিকা, সাৰ্বভৌমত্ব বিসৰ্জ্জন দি এক অনামী, অনন্ত অৰ্থহীনতাত উত্তীৰ্ণ হয়। স্ত্ৰী পুৰুষৰ বিবাহ ভালপোৱা সঙ্গম কেবলমাত্ৰ আৱশ্যক মৰিচিকা নহয়,— আকাশ, মাটি, পোহৰ, চন্দ্ৰ, তৰা, গ্ৰহ, উপগ্ৰহ, বিভিন্ন ঋতুৰ নিৰিষ্ট ছন্দৰ নিয়মত বন্ধা। তেওঁৰ বিখ্যাত উপন্যাস 'লেডি চেটাৰিল'ৰ আত্ম সমৰ্থন কৰিবলৈ গৈ বিষয়টোক এনেভাবে ব্যক্ত কৰিছে।

"Marriage is on'y an illusion if it is not lastingly and radically phallic, if it is not bound to the sun and the earth, to the moon, to the stars and planets, to the rhythm of the seasons, the years the lustra, and the centuries. Marriage is nothing if it is not based on a correspondence of blood. For blood is the substance of the soul."

নাৰীক প্ৰকৃতি তুল্য আৰু স্ত্ৰী আৰু পুৰুষৰ মিলনক ব্যৱহাৰিকতাৰ উৰ্দ্ধত এক অনিৰ্বচনীয় শাশ্বত মূল্য দিয়াত বক্সপৰিকৰ হৈ তেওঁ ৰবৰ আৰু চেলুলয়েড আবৃত আধুনিক

নাৰীসত্বাৰ প্ৰতি বিমুখ আৰু বীতশ্ৰদ্ধ। সেই কাৰণে 'চন্স এণ্ড লাভাৰ্চ' গ্ৰন্থৰ মিৰিয়ম তেওঁৰ কাষত অত্যন্ত তাৎপৰ্য্যপূৰ্ণ চৰিত্ৰ; মিৰিয়মৰ তথাকথিত আধুনিকতা নাই, নাই চফিষ্টিকেচন। এক অবিচ্ছিন্ন সেতুৰ দৰে অথবা পৰিনামত মিলিত দুই নদীৰ বিপৰীতগামী ধাৰাৰ দৰে নাৰী আৰু পুৰুষ এজন আনজনৰ মাজত সম্পূৰ্ণ। অস্তিত্বৰ এই দায়িত্বপূৰ্ণ অনুস্থানত নাৰী অথবা পুৰুষ উভয়ে সেই অনুস্থানৰ যথাসম্ভৱ উপযুক্ত হব লাগিব। নহলে, বিবাহ অথবা যৌন সম্পৰ্ক দীৰ্ঘস্থায়ী নহয়।

সেই কাৰণেই লেডি চেটাৰ্লিয়ে তেওঁৰ শৰীৰ আৰু মনৰ পৰিতৃপ্তিৰ কাৰণে গেট কিপাৰৰ শৰণাপন্ন হয়; ইয়াৰ কাৰণ তেওঁৰ স্বামী অক্ষম আৰু অসম্পূৰ্ণ এক উদ্ধত পুৰুষ। ফলত, নীৰিহ, নীতিবান পাঠকৰ কাষত লেডি চেটাৰ্লিৰ এক মাত্ৰ পৰিচয় তেওঁ ব্যভিচাৰিণী, জগতৰ চিৰন্তন নাৰী বিভীষিকাৰ জ্বলন্ত দৃষ্টান্ত। উপন্যাসখনত পেণ্টৰ বুটাম খোলাৰ পৰা সঙ্গম সংবাদলৈকে এনেকুৱা বিশদ আৰু বিস্তাৰিত বিৱৰণ আছে যে লৰেঞ্চক বহুতে ৰুচীহীন যৌনবিকাৰগ্ৰস্থ লেখক বুলি গালি পাৰিছিল। আল্ডচ হাক্সলিয়ে জানিছিল, সাহিত্যত শ্লীলতা অশ্লীলতাৰ মাত্ৰা ৰখা কঠিন, সেই কাৰণে তেওঁ লৰেঞ্চৰ পাঠক সকলক সাৱধানবাণী শুনাইছিল যে, অন্যমনস্ক পাঠকৰ পক্ষে যিজনে তেওঁৰ প্ৰতিজ্ঞাৰ কথা অথবা চিন্তাৰ পৰিধিৰ কথা নাজানে তেওঁক অশ্লীল বুলি ভুল কৰাৰ সম্ভাৱনাই বেচি। এইটো ঠিক যে দেহবাদী লেখক মাত্ৰেই, লৰেঞ্চ নালাগে সকলোৰে ক্ষেত্ৰত বিশুদ্ধ আৰ্ট তেওঁৰ বাবে যেনেকৈ সাধ্যাতীত তেনেকৈ বিশুদ্ধ চৈতন্যও দুৰ্ল্লভ।

চেণ্ট ক্লেমেণ্ট কৈছিল, ঈশ্বৰে যদি শৰীৰৰ কোনো অঙ্গ সৃষ্টি কৰিবলৈ গৈ লাজ কৰা নাই তেন্তে তোমাৰো শৰীৰৰ সেইটো অঙ্গৰ সম্পৰ্কে লাজ কৰাৰ কোনো কাৰণ নাই, লৰেঞ্চও মানুহৰ সেই লাজ দূৰ কৰিবলৈ আৰু যৌন কামনাক স্বাভাৱিকভাবে লবলৈ একনিষ্ঠা প্ৰচেষ্টা কৰিছিল।

"I always labour at the same thing to make the sex relation valid and precious, instead of shameful".

ইয়াৰ বাহিৰেও লৰেঞ্চেই প্ৰথম আধুনিক লেখক যিজনে ফ্ৰয়েডক অত্যন্ত গুৰুত্বৰভাবে সাহিত্যলৈ টানি আনিছিল। বুজিবলৈ সৰহপৰ নালাগে, তেওঁৰ 'চন্স এণ্ড লাভাৰ্চ'ৰ মূলতে নিপুণ উপন্যাসাকাৰে ফ্ৰয়েড প্ৰসাৰিত 'ইডিপাচ কমপ্লেক্স'।

এই প্ৰসঙ্গত বিশ্ববৰেণ্য লেখক জেমচজয়েচৰ বিখ্যাত গ্ৰন্থ 'ইউলিচিচ'ৰ নাম উল্লেখ কৰিব পাৰি। অশ্লীল গ্ৰন্থ বুলি এসময়ত আমেৰিকাত ইয়াৰ প্ৰচাৰ বন্ধ কৰি দিছিল। ১৯৩৩ চনত বিচাৰক জন উলচে পুথিখনি বন্ধ কৰাৰ প্ৰত্যাদেশ তুলি নিবলৈ যি বিবৃতি দিছিল সেয়া প্ৰণিধানযোগ্য। উলচে জানিছিল, 'ইউলিচিচ'ত লেখকৰ মনস্বিতা অসাধাৰণ। আৱৰ্জ্জনা গুচাবৰ কাৰণেই তেওঁৰ এই আৱৰ্জ্জনাৰ আয়োজন নহয়। ইয়াৰ প্ৰত্যেকটি শব্দ আৰু বাক্য, অৰ্থ আৰু অন্বয় অনুধাবন কৰিবলৈ এক বুদ্ধিদীপ্ত মস্তিস্কৰ প্ৰয়োজন।

"......that reading 'Ulysses' is its entirely, as a book must be read on such a test as this, did not tend to excite sexual impulses or lustful thoughts but that its net effects, on them was only that of a somewhat tragic and very power-ful commentary on the inner lives of men and women," —'ইউলিচিচ'ৰ সম্পৰ্কে বিচাৰক উল্‌চেৰ এয়া চূড়ান্ত অভিমত।

শিল্প আৰু সাহিত্যত শ্লীল-অশ্লীল বিচাৰ কৰা বৰ কঠিন কাম। হেন্‌ৰি মিলাৰৰ কুখ্যাৎ গ্ৰন্থ "ট্ৰপিক অব্ কেলাৰ" এফালে যেনেকৈ নিৰ্ম্মম অশ্লীলতাৰ কাৰণে পৃথিবীত ভয়ৰ কাৰণ হৈ উঠিছিল তেনেকৈ কাব্যিক সৌন্দৰ্য্য আৰু জীৱনৰ গভীৰতম অভিজ্ঞতাৰ বৃতান্তৰূপে অনেকৰ ওচৰত অকৃপণ সমাদৃৰ পাইছিল।

হেন্‌ৰি মিলাৰৰ সাহিত্যত যৌন-ব্যৱহাৰ সম্পৰ্কে ব্যাখ্যা দিবলৈ গৈ চিমোঁ দা ব্যু-ৰে তেওঁৰ 'ভি চেকেণ্ড চেক্স' নামৰ বিখ্যাত গ্ৰন্থত লেখিছে :

"A Henry Miller going to bed with a prostitute, feels that he sounds the very depth of life, death and the cosmos ; he meets God in the deep, moist shadones of a receptive vagina."

তথাপিও যৌনতাই সকলো নহয়, যৌনতাৰ ক্ষমতা এসময়ৰ সীমাৰ দ্বাৰা নিৰ্দ্ধাৰিত মাৰ্ক্সিয় নৈতিকতালৈ চাবলৈ গলে পাশ্চাত্যৰ সকলো বৃহৎ শিল্প আৰু সাহিত্য কৰ্ম্মই হয়তো অৱক্ষয়ৰ কবলত। লৰেঞ্চ, হেনৰি মিলাৰ জ্যাঁ, পল চাত্ৰে, নভকোভৰ অশ্লীলতাৰ সমৰ্থন কৰোঁতে যি কথা কোৱা হৈছে, সেয়া হল : বুৰ্জোৱা নৈতিকতাৰ অৱক্ষয়ৰ দাসত্বৰ বিৰুদ্ধে মুক্তিকামী আন্দোলন। ফ্ৰয়েডে মানুহৰ শৰীৰলৈ যি মুক্তি আৰু স্বাধীনতাৰ খবৰ সৰ্ব্বত্ৰ বিলাই দিয়া।

পশ্চিমীয়া যৌন ব্যৱহাৰ সম্পৰ্কীত বৈচিত্ৰৰ তুলনাত অসমীয়া সাহিত্য নিচেই চালুকীয়া অৱস্থাত আছে। অসমীয়া সাহিত্যত ফ্ৰয়েডীয় ভাৱধাৰা প্ৰথম দেখা পোৱা যায় হোমেন বৰগোহাঞিৰ লেখনীত। তেওঁৰ প্ৰায়বোৰ গল্পতে ফ্ৰয়েডীয় মনঃস্তাত্বিক বিশ্লেষণ লক্ষ্য কৰা যায়। তেওঁৰ প্ৰথম উপন্যাস 'সুবালা' অসমীয়া সাহিত্যৰ এই দিগন্তত প্ৰথম পদক্ষেপ।

বৰগোহাঞিৰ "সুবালা"ৰ বহু বছৰৰ আগতে 'ৰামধেনু'ৰ পাতত চৈয়দ আবদুল মালিকৰ "বিভৎস বেদনা" নামৰ গল্পই এক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। মালিকৰ সমসাময়িক ডাঃ হেম বৰুৱাৰ "জহৰা" গল্পই সেই সময়ত অসমীয়া সাহিত্যাকাশত তোলপাৰ লগাইছিল। তাৰ পিচত ৰামধেনু'ৰ পততে ভুল ফুকণৰ "ৰাতিৰ বিলাপ" আৰু আমাৰ প্ৰতিনিধি'ৰ পাতত হেম ভূঞাৰ "ভানু বাইদেউ" গল্পই গতানুগতিক পাঠকক চিন্তিত কৰি তুলিছিল।

আবদুল মালিকৰ সুবৃহৎ উপন্যাস 'আধাৰ শিলা' আৰু 'জীয়া জুৰিৰ ঘাট'ত যৌন আবেদনৰ নগ্ন অভিব্যক্তি লক্ষ্য কৰা যায়। সেই দৰে লক্ষ্মীনন্দন বৰাৰ কেতবোৰ গল্প আৰু উপন্যাসত বৰ্ণনা ভঙ্গীয়ে শালীনতাৰ সীমা চেৰাই যোৱা দেখা যায়।

অসমীয়া সাহিত্যত নীচক অশ্লীল সাহিত্যই গঢ় লৈ উঠে মৃণালিণী দেৱীৰ (?) 'অলকা' আৰু 'অঞ্জনা' উপন্যাসৰ যোগেদি। 'অলকা' আৰু 'অঞ্জনা'ৰ দৰে অসমৰ বজাৰ গৰম কৰিছিল একে লেখিকাৰে গল্প সংগ্ৰহ 'চম্পাই'। কোনো মনঃস্তাত্বিক দিশলৈ লক্ষ্য নকৰি কেৱল যৌন আবেদনময়ী গঠন ভঙ্গীৰে ভাৰাক্ৰান্ত এই কেইখন পুথি অসমীয়া অশ্লীল সাহিত্যৰ উল্লেখযোগ্য নিদৰ্শন।

হোমেন বৰগোহাঞিয়ে যি পদক্ষেপেৰে ফ্ৰয়েডক অসমীয়া সাহিত্যলৈ আনিছিল সেই দৃঢ়তা আৰু কৰ্ম্মকৌশলতা অন্যান্য অসমীয়া লেখকৰ লেখনীত পোৱা নাযায়। সীমাবদ্ধ বন্ধনৰ মাজেদি আগবাঢ়ি অহাৰ কাৰণে অসমীয়া অশ্লীল সাহিত্য আৰু যৌন সম্পৰ্কীয় সাহিত্য এতিয়াও অসমীয়া সাহিত্যাকাশৰ দূৰ—পৰাহত নক্ষত্ৰ।

কিন্চৰ ৰিপোৰ্ট অনুযায়ী মানুহৰ যৌনাচাৰৰ যিবোৰ নিদৰ্শন এতিয়ালৈকে পোৱা গৈছে, সেয়া হৈছে : (১) হস্ত মৈথুন ; (২) পায়ু-কাম ; (৩) নৈশাভিসাৰী যৌনকাণ্ড ; (৪) অসমৰ্থ যৌনতা ; (৫) যৌন সঙ্গম—প্ৰাক্ বিবাহ, বিবাহ কালিন, উত্তৰ দাম্পত্য জীৱনত আৰু গণিকা সংসৰ্গ ; (৬) জীৱজন্তুৰ লগত সম্পৰ্ক স্থাপন আদি অনেক কাম উপসৰ্গই আমাৰ অশ্লীল সাহিত্যৰ মাজত অন্তৰ্ভুক্ত। কিন্তু মন কৰিব লগীয়া যে অসমীয়া সাহিত্যই এই গোটেইবোৰ উপসৰ্গৰ মাজলৈ যাব পৰা নাই

আধুনিক সাহিত্যৰ অশ্লীলতা আৰু যৌনতত্ত্ব সম্পৰ্কে যেই কোনো দেশৰেই লেখক সকলৰ কেইটিমান কথালৈ লক্ষ্য ৰখা উচিত। যৌনতা মানুহৰ যাবতীয় শাৰীৰিক মুক্তি স্বত্বেও প্ৰথম কথা হ'ল ই মানুহৰ একান্ত ব্যক্তিগত বস্তু ; দ্বিতীয়তে সেই মুক্তিৰ মাজতো এক অনতিক্ৰম্য বন্ধন আছে। এই প্ৰসঙ্গত 'নাইট ৱাউচ' নামৰ এটি প্ৰৱন্ধত জৰ্জ ষ্টেনাৰে যি কৈছে, সকলোৰে ক্ষেত্ৰত সমানভাবে প্ৰযোজ্য।

"Future historians may characterise the present era in the west as one of a massive on slaught on human privacy, on the delicate processes by which we seek to become our own singular selves, to hear the echo of our specific being — — the new pornographers subvert the vital privacy ; they do our imagining for us. They take away the words that were of the night and shout them over the roof tops, making them hollow," *

* [ সহায় লৈ ]



## ॥ অন্ধকাৰৰ কাঁইট ॥

নাহেন্দ্ৰ পাদুম
প্ৰাক্তন ছাত্ৰ

অৱশেষত ছিটিকি পৰিছিল
মোৰ হাড়ৰ ওপৰেদি বৈ যোৱা
এজাক নোমাল ভালুকৰ আন্ধাৰ

ওখ ওখ পাহাৰৰ পৰা বাগৰি আহি
চলমান মোৰ স্নায়ুক আঘাত কৰিছিল
ছিটিকি পৰা তাৰ প্ৰতিটো টুকুৰা

শুকান বননি আৰু নদীৰ বুকুত
সিহঁত কি আল্পনাত নিমগ্ন

আৰু মোৰ হাড়ৰ ওপৰেদি সিহঁত
বিকট কিৰিলি পাৰি আঁতৰি যায়
ট্ৰাঙ্ক ৰোডৰ ডিজেল ট্ৰাকৰ দৰে

চৰাইৰ গানৰ পৰা সৰি পৰা শস্যৰ খুদ
কুচিয়া মাছৰ মসৃণতাৰে সোমাই পৰিছিল
কোনো এক শিশুৰ কবৰৰ ভিতৰলৈ

য'ত মানুহৰ অভূতপূৰ্ব্ব ভীতি
গলি তৰল হৈ আছিল।

# ॥ জাতিস্মৰ ॥

অনিল গোঁহাই
তৃতীয় বাৰ্ষিক কলা (নৈশ শাখা)

"... ... I kiss your cheek
Catch your soul's warmth—I pluck the rose........."

—Browning.

কোনোবা এখন নদীবক্ষৰ
সৰু এটি ঢৌৱে আনটিক কলে :
শীতৰ বাবেই তুমি যদিহে আঁতৰি যোৱা
চিনি জানো মোক পাবা ?
যদি কেতিয়াবা আকৌ ক'ৰবাত দেখাদেখি হৈ যায় ॥

চিনিতো নাপাবা মোক—
নীলিম সলিল হৈ সমুদ্ৰ বুকুত
আমি যদি আকৌ লগ হৈ যাওঁ,
পানীৰ অকণি কণিকা ৰূপেৰে
থাকো যদি ময়ো তোমাৰ কাষত।

শাশ্বত সুন্দৰ হৈ হেজাৰ সেই কণিকাৰ মাজত
ময়ো কিজানি মিহলি হৈ থাকিম!

ঢৌটিয়ে নুবুজিলে,
কলে : যদি পাওঁ—
সমুদ্ৰ বুকুত মই হব পাৰোঁ কিউৰোচিয়া
নহলেবা বেঙগুৱেলা সোঁত
যাৰ তৃষ্ণা হয়তো সফল কৰিব
নিৰক্ষীয় সোঁতৰ চুম্বনে।

কিজানি হবও পাৰোঁ উপসাগৰীয় সোঁত
আকণ্ঠ তৃষ্ণাৰে মই তেতিয়াও তৃষিত জানিবা
উপকূল বগাই বগাই
মিলি যাম নিৰক্ষীয় সোঁতৰ লগত।

আৰু কলে ঃ
প্ৰহসনৰ পাত্ৰ কিয় হোৱা ?
নিজৰ পৰিধি আমি বঢ়াবৰ বাবে
ক্ষীন এই নদীৰ পাৰত
যদিওবা পাৰি ভাঙিছিলোঁ
তাৰ বাবেই কিয় মনত ৰাখিছা ?

---

## ॥ অনুভূতি ॥

প্ৰমীলা খাখলাৰী
৩য় বাৰ্ষিক কলা

কেতিয়াবা,
অজস্ৰ বন্ধুৰ অবিৰাম
হাঁহি আৰু কথাৰ ভিৰৰ মাজত
হঠাতে ভাব হয়,—
মই যেন বৰ অকলশৰীয়া।
নিসঙ্গ বেদনাত আত্মাৰ চকুলো
নিৰবে সৰে
এনেয়ে।

কেতিয়াবা,
অজস্ৰ নিসঙ্গ মুহুৰ্ত্ত
হাঁহি, গান আৰু কথাৰে
মুখৰ হৈ পৰে।
নিজৰ লগতে নিজে নিজে কথা পাতি
মন হৈ পৰে
আনন্দ-অধীৰ
এনেয়ে।

# কানৈ কলেজ ঃ অন্য এক দৃষ্টিত

যতীন্দ্ৰনাথ গগৈ
প্ৰথম ত্ৰৈ-বাৰ্ষিক কলা

এটা মিঠা মোহনীয় নাম—ডিবুৰু।
অনেক ইতিহাস সাক্ষী—
বহুতো কাহিনী বুকুত সাৱটি
এইয়া ডিবুৰুৰ কানৈ কলেজ।
যৌবন জীৱনৰ দুবৰি গচকি গচকি অহা
কানৈ কলেজৰ কৰিদ'ৰে, দুৱাৰে দুৱাৰে
কমন ৰুমৰ দেৱালে দেৱালে
গঁথা আছে, কলেজীয়া মিচিল ডেকা গাভৰুৰ
টুকুৰা টুকুৰ কথা, নেদেখা কাহিনী।
ইয়াতে শুই আছে
অনামিকা এক সুৰৰ ৰাগিনী।
সেই সুৰ মই চিনি পাওঁ, সেই সুৰ মই গাওঁ
সেই সুৰে উতলা জাক জাক এই কলেজৰ
ডেকা গাভৰুৰ ছবি।
চামে চামে ইয়ালৈ নৱ নৱ জীৱন আহে
যৌৱন ফাগুনৰ পচোৱা জাকে
ইয়াতে মনে মনে সাৰ পাই
গুপুতে গুপুতে মিঠা মিঠা সুৰ সিঁচে
কলেজৰ সব পথে পথে।
ইয়াত যৌবনে কথা কয়, হাঁহে
হাঁহি হাঁহি নিৰৱে কান্দে
ন-ন যৌৱন জীৱনে সপোন সিঁচে।
অনেক জীৱনে ইয়াতে পাহি মেলে
অনেক জীৱনে নিঃশব্দে নীৰৱে

পাহি মেলি মৰহা পাপৰি হৈ উৰে।
অনেক জীৱনৰ নোকোৱা কথা
কম কম বুলি কোনো দিনে নোকোৱা
সাধুকথা হৈ কলেজৰ দেৱালে দেৱালে কান্দে
'মমতাৰ কেবিনে' সব কথা নিৰবে শুনে।
বহুতো বছৰ ধৰি অহা
নতুন জীৱন যৌৱনক কাৰৈ কলেজে
সেই একেটা বাটেৰে আদৰি আদৰি আনে
বছৰে বছৰে।
জীৱন হৃদয়ে, জীৱন হৃদয় বিচাৰি বিচাৰি
ইয়াতে হাঁহে আৰু কান্দে
নিৰৱে নিৰলে।

---

## ।। অনুকম্পা ।।

শ্ৰীগনেশ মহন্ত
প্ৰাক্ বিশ্ববিদ্যালয়, কলা

এটা বৃত্তৰ এখন ঘুৰণিয়া কাচত
লেলিহান জিভাৰ শিহৰণ,
কামাতুৰৰ স্বপ্ন ব্যাকুল।

এজাক বতাহ বলিছিল
এজাক চৰাই উৰিছিল
এখন পৃথিবী লৰিছিল
ভয়ত
খণ্ডত
অনুকম্পাত।

এডাল লতা ঠনহ কৰি চিগি পৰিছিল
এখন কাচত অনুকম্পা উঠিছিল
এটা কুকুৰ !
এখন পৃথিবী।

---

# ॥ স্পন্দণ ॥

শ্ৰীধৰমনি শইকীয়া
২য় বাৰ্ষিক কলা

অনেক ভীৰ জনতাৰে ভৰা এই নগৰীৰ বুকুত
কেতিয়াবা অকণমান যদি জিৰণি লোৱা ;
পৰিশ্ৰান্ত, কৰ্ম্মক্লান্ত
দেহাৰে চহৰ ফুৰোতে
কেতিয়াবা যদি দেখা এটি স্বপ্ন সোণ পৰুৱাৰ ;
হাঁহি আৰু কান্দোনৰ মাজেদি
যেতিয়া এটি সুৰ শুনা দূৰ সুদূৰৰ ;
যদি উৰি যোৱা এটি ৰাজহংসৰ
পাখিৰ আবিৰ আহি লাগেহি তোমাৰ গাত ;
মই কম ঃ " এটি দুটি সাগৰৰ
কেইবাটিও মুকুতা বুটলি গথাঁ মালাধাৰিৰ দাম বহুত
ৰূপহী গাভৰুৰ এখন ফুলাম গামোচাৰ দৰে। "
অলকানন্দাৰ ৰূপশ্ৰী অঙ্গে অঙ্গে
লাগি ৰোৱা হেৰুৱা সুৰৰ কঁপনি থিনি
তুমি বিচাৰি লবা মুক্ত দুহাতেৰে ।
দেৱালৰ আধা অকাঁ ছবিখন
ড্ৰইং ৰুমৰ অনেক ফটোতকৈ বহুত ভাল
তুমি তাক নোৱাৰা বুজাব ।
হালধীয়া পখিলাৰ বোল লাগি যদি
এসাজ পুৰণি হয় তোমাৰ সময় লগ্নত
মীনাকৰা অনেক ৰূপহীয়ে চকুখাব
ৰাতিৰ হাতত।
তথাপি,
তথাপি জাগি ৰব
মোৰ বোকোচাত এক অঘৰী মনৰ অনামী তৃপ্তি
বুজা — নুবুজাৰ ।
ৰচা হব স্বপ্ন এক সম্ভাবীভবিষ্যৰ ।

# ॥ অভিসাৰী কম্পন ॥

প্ৰফুল্ল হাজৰিকা
২য় বাৰ্ষিক বিজ্ঞান

এটা অঘৰী সপোনৰ আঘাতত মই সাৰ পালোঁ।
মোৰ চকুৰ পতাত অতৃপ্তিৰ অকুণ্ঠ হতাশা।
শীতালি ৰাতিৰ চিড়িয়েদি বগাই অহা এটা পুৰনা জোনবাই ;
খিড়িকিৰে সোমাই আহি মোৰ লেপৰ তলত শুই পৰিল।
এটুকুৰা পোহৰৰ বৰ্গক্ষেত্ৰ মাথোঁ মোৰ বন্ধু
শীতৰ থেৰেঙা লগা ৰাতিত।
ওচৰৰ হাবিখনৰ এজাক ক্ৰুদ্ধ বতাহ আহি
মোৰ সপোনৰ শেষাংশৰ সতে মিতালি পাতিলে।
মই তেতিয়া কঁপিছিলো।
মোৰ চকু দুটা কঁপিছিল মৃগী ৰোগীৰ নিস্তেজ দেহৰ দৰে।
ওঠ দুটা কঁপিছিল সৰু এটি জলপ্ৰাপাতৰ মাজত
অকলশৰে ঠিয়দি থকা এডাল ঘাঁহৰ দৰে।
আৰু মই কঁপিছিলো নিৰ্য্যাতিতা কোনো এক
আদিম চেমাঙ্গ নাৰীৰ দৰে।
মোৰ লেপৰ তলত—
এটা ব্যৰ্থ ৰাতিৰ তিক্ততাৰে জোনটোও কঁপিছিল
মাতৃ হব খোজা এক নৱবধুৰ প্ৰথম উপলব্ধিৰ কঁপনি।
মই সাৰ পাইছিলোঁ এটা ধুসৰ ৰাতিৰ
কাৰুণ্যৰ মাজত।

---

# ॥ এজন বন্ধুৰ বাবে ॥

উপমা দত্ত।
২য় বাৰ্ষিক বিজ্ঞান।

( উৰ্চগা ঃ স্বৰ্গীয় বন্ধু শ্বাহ-নৱাজ খানলৈ

আমিতো নাজানো বন্ধু
সীমা ক'ত জীৱনৰ
জানো মাথো আমি জীয়াই আছো
জীৱন আমাৰ আছে
আৰু জানো —
মৃত্যুৰ দীঘল ছাই
আমাৰ জীৱন পৰিধি চুই
লাহে লাহে,
লাহে লাহে আগবাঢ়ি আহি আছে ... ...
মৃত্যু কি আমিতো নাজানো বন্ধু
জানো মাথো ঃ সামৰণি এটা নিশ্বাসৰ
কিমান চুটি নিশ্বাসবোৰ আমাৰ !
সংগীতৰ এটা চুটি মূৰ্চ্ছনা যেন।
এই যেন, এই যেন শেষ হৈ যায়
কিমান পুৰনি কথা এইবোৰ !
কিমান প্ৰাচীনতম !!
জানিও নজনা হই আমি কবিতা গাওঁ ঃ জীৱনৰ কবিতা
জীয়াই থকাৰ কবিতা,
জীৱনটোৱেইটো হাঁহি আৰু চকুলোৰে লিখা
এটা চুটি কবিতা,
একে উশাহতে পঢ়ি থব পৰা
জাপানী কবিতা যেন !
একোকে নাজানো আমি
সেয়ে যেন আমি অসহায়

জীৱনৰ কবিতাত মৃত্যুৰ দাম দেখি
আমি অসহায় ......
তথাপিতো বন্ধু —
আমাৰ চকুলো যদি
ফুল হই ফুলি ৰ'ব পাৰে —
সৰু সৰু স্মৃতি ফুল বন্ধুত্বৰ
স্মৃতিৰ মণিকোঠাত গোপনে গোপনে
সেয়ে হ'ব বন্ধু। সেয়ে হব আমাৰ বাবে।
এটা চুটি নিশ্বাসৰ দাম
তাৰেওটো দিব পাৰি
তাৰেওটো দিব পাৰি ॥

---

## এখন চিঠি : তন্দ্ৰালসালৈ

শ্ৰীমায়া গগৈ
২য় বাৰ্ষিক, কলা

এইয়া তন্দ্ৰালসা।
বহুত দিনৰ পিছত আজি—
পাইছোঁ তোমাৰ ঠিকনা;
কলমৰ লিখনিতে—বহুত আছে
মৰম, চেনেহ, শুভেচ্ছা
নাজানো পিচে আজি মই
লোৱায়েনে—নোলোৱা।
শৈশৱৰ বহুত কথা,
নিতৌ দেখোন মনত পৰে;
নৈৰ বালিত ঘৰ সজা,
বাৰে বাৰে ভাঙি যোৱা।
আকৌ মোৰ মনত পৰে
তুমি যে কৈছিলা:
আমি দুয়ো একে লগে
চিৰদিন থকাৰ কথা।

মনত পৰিলেও চন্দ্ৰালসা
চিঠি লিখা নাছিলে ,
কাৰন তোমাৰ ঠিকনাতো বহুদিন
পাহৰিও আছিলোঁ ।
( আজি তোমালৈ মোৰ খুব মনত পৰিছে । )
মোৰ খবৰ শুনিবা ?
শুনা,
মোৰ জীৱন আকাশ এতিয়া
ঘন মেঘে আবৰা
বৰ্ষা - নিতৌ নামে
পথভ্ৰষ্ট জীৱনলে ;
মনটো নিতৌ মোৰ ।
সংশয়, ভয়েৰে ভৰা ।
এনেবোৰেই মোৰ খবৰ
নতুনত্ব নথকা
পঢ়ি জানো ভাল পাবা ?
পিচে তোমাৰ খবৰবোৰো
সোনকালে লিখিবা — ।

